

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩১১ ■ গুৱাহাটী ■ সোমবাৰ, ২০ জুন, ২০২২, ৫ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 311 Dainandin Barta ■ Guwahati, Monday ■ 20 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only


## বিচিত্ৰ প্ৰতিভা আৰু সমাজ-সংস্কৃতিৰ নায়ক বিষ্ণুপ্ৰসাদ ৰাভা

■ উইল চিদ্দিকুৰ ৰহমান

মানুহ, মাটি আৰু প্ৰকৃতিৰ সাধক বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ জীৱন পৰিক্ৰমা এজন ব্যক্তিৰ পৰিৱৰ্তে এক অনুষ্ঠানৰূপেহে উদ্ভাসিত হৈছে। আজিৰ প্ৰেক্ষাপটত তেখেতৰ মূল্যায়ন এজন সুদক্ষ শিল্পী বুলি গণ্য কৰাৰ উপৰি শোষিত-নিষ্পেষিত জনতাৰ মুক্তিৰ হকে কৰা নিৰ্ভীক-নিঃস্বাৰ্থ সংগ্ৰামত যি বাটে বাট বুলিলে সেইটোহে অধিক মনকৰিবলগীয়া আৰু প্ৰণিধানযোগ্য কথা হিচাপে বিবেচিত হৈছে। আধুনিক অসমীয়া সমাজৰ ভেটি গঢ়োতা শ্ৰীমন্ত শংকৰগুৰুৰ পিছতে হয়তো ল'ব লাগিব ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ■ ২ পৃষ্ঠাত



## অগ্নিপথ

### প্ৰতিৰক্ষা বাহিনীৰ ঘোষণা

চলিত মাহতে নিযুক্তিৰ অধিসূচনা

## হিংসাত জড়িতই সেনাবাহিনীত নাপাব চাকৰি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ জুন ঃ** অগ্নিপথ প্ৰকল্পক লৈ সমগ্ৰ দেশতে জুই জ্বলি আছে। দেশৰ কেইবাখনো ৰাজ্যত প্ৰতিবাদৰ ফলত বহু কোটি টকাৰ সম্পত্তি ধ্বংস হৈছে। পশ্চিমবংগ, বিহাৰ, হাৰিয়ানা, তেলেংগানাকে ধৰি কেইবাখনো ৰাজ্যত অগ্নিপথে অগ্নি জ্বলাইছে। কেৱল ৰে'ল বিভাগৰে ক্ষতি হৈছে প্ৰায় ৭০০ কোটি টকাৰ সম্পত্তি। ■ ৮ পৃষ্ঠাত

## ২৪ জুনৰ পৰা হ'ব অগ্নিবীৰৰ নিযুক্তি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে চাৰিবছৰীয়া ঠিকাভিত্তিক সেনা জোৱান নিযুক্তিৰ আঁচনি অগ্নিপথৰ বিৰুদ্ধে দেশত আজিও প্ৰতিবাদ চলি আছে। এনে সময়তে ভাৰতীয় বায়ুসেনাই ২৪ জুনৰ পৰা নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে। এনে জংগী ■ ৮ পৃষ্ঠাত





## কাশ্মীৰত নিৰাপত্তা বাহিনীৰে তুমুল সংঘৰ্ষত ৪ পাক সন্ত্ৰাসবাদী নিহত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ জুন ঃ** আজি পুৱাৰে পৰা জম্মু-কাশ্মীৰৰ কুলগাম আৰু কুপৱাৰাত নিৰাপত্তাৰক্ষী বাহিনীৰ সৈতে হোৱা তুমুল গুলীয়াগুলীত চাৰিজন সন্ত্ৰাসবাদী নিহত হৈছে। নিহত সন্ত্ৰাসবাদীকেইজন লস্কৰ-ই-তৈবাৰ সদস্য আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। সংঘৰ্ষস্থলীৰ পৰা বহু অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হয়। বাতৰি অনুসৰি, আজি পুৱা কুপৱাৰাত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশৰ চেষ্টা ব্যৰ্থ কৰিবলৈ সক্ষম হয়। নিৰাপত্তাবাহিনীৰ সৈতে হোৱা সংঘৰ্ষত পাকিস্তানৰ সমৰ্থনপুষ্ট সন্ত্ৰাসবাদী দুজন নিহত হয়। সন্ত্ৰাসবাদীকেইজন সেনাবাহিনীৰ ওপৰত আক্ৰমণকে ধৰি বহু হত্যাৰ ঘটনাৰ সৈতে জড়িত ■ ৮ পৃষ্ঠাত

# ৰাজ্যত কালান্তক বান

ৰাজ্যত কালান্তক বানে হৰিলে ৬৩ জনৰ প্ৰাণ, ৩২ জিলাৰ ৩১ লাখ লোক ক্ষতিগ্ৰস্ত ঃ ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰত নাও দুৰ্ঘটনাত চাৰি জন সন্ধানহীন, ২২ জুলাইলৈকে বন্ধ থাকিব দৰঙৰ শিক্ষানুষ্ঠান





## আজি কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নৱ-নিৰ্বাচিত সদস্যই ল'ব শপত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ১৯ জুন ঃ** কাইলৈ অনুষ্ঠিত হ'ব কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠান। শপত গ্ৰহণ অনুষ্ঠানটি অনুষ্ঠিত হ'ব ডিফুৰ তাৰালাংছ' প্ৰাংগণত। উক্ত অনুষ্ঠানটিত উপস্থিত থাকি অসমৰ ৰাজ্যপাল প্ৰফেছৰ জগদীশ মুখীয়ে নতুনকৈ নিৰ্বাচিত মুখ্য কাৰ্যবাহী সদস্য সহিতে কাৰ্যবাহী সদস্য আৰু সদস্যসকলক ■ ৮ পৃষ্ঠাত

## চাবুৱাৰ ৰহমৰীয়াত ভয়ংকৰ নাও দুৰ্ঘটনা ঃ মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধানহীন ৪জন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জুন ঃ** কালান্তক বানৰ সংহাৰে জুৰুলা কৰিছে অসমৰ ৩২খন জিলাৰ প্ৰায় ৩১ লাখ লোকক। বানত নিহতৰ সংখ্যা এতিয়ালৈকে ৬৩জনলৈ বৃদ্ধি পাইছে। আজিও ৰাজ্যৰ সকলো নদী বিপদসীমাৰ ওপৰেৰে বৈ আছে। ৩২খন জিলা বানত আক্ৰান্ত হৈছে। সংবাদ মেলত এই মন্তব্য অসম ৰাজ্যিক ■ ৮ পৃষ্ঠাত



### জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই পৰিদৰ্শন কৰিলে বানৰ কবলত পৰা বৰপেটা সত্ৰ ঃ বুজ ল'লে বানপৰিস্থিতি

## বানৰ পৰা সত্ৰক বচাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৯ জুন ঃ** ৰাজ্যত এতিয়া একপ্ৰকাৰ জলপ্ৰলয়। জলবন্দী ৰাজ্যবাসী। প্ৰলয়ংকৰী বানপানীৰ পৰা ৰক্ষা নাপালে ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰ। বানপানীৰ সৰ্বকালৰ অভিলেখ ভংগ কৰি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ স্থাপিত বৰপেটা সত্ৰৰ মঠৰ চোতালৰ লগতে দালানৰ সন্মুখতো এতিয়া একাঁঠু পানী। কালি নিশাৰ ভাগত নখান্দা আৰু হাৰিজানৰ পাৰ ভাঙি সোমাই অহা নদীৰ পানীয়ে সত্ৰৰ তিনিওটা বাটচ'ৰালৈকে বুৰাই পেলোৱাৰ লগে লগে ■ ৮ পৃষ্ঠাত



## মন্ত্ৰীৰ কনভয়ৰ গাড়ীৰ খুন্দাত যুৱক নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ১৯ জুন ঃ** কৃষিমন্ত্ৰী অতুল বৰাৰ কনভয়ৰ গাড়ীৰ খুন্দাত আজি নগাঁও জিলাৰ চামগুৰিত এজন যুৱক মৃত্যু হোৱাৰ লগতে কনভয়ত থকা চাৰিজন লোক আহত হয়। জানিব পৰা মতে ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাৰ কনভয় আজি দুপৰীয়া সময়ত ■ ৮ পৃষ্ঠাত





## ৰঙিয়াত বানপানী চাবলৈ গৈ উটি গ'ল দুই কিশোৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১৯ জুন ঃ** আজি দিনৰ ভাগত ৰঙিয়াৰ নিকটৱৰ্তী কেকেনীকুছি, সুন্ধিয়া গাঁৱৰ দুই কিশোৰ অন্য দুই বন্ধুৰ সৈতে বানপানী চাবলৈ ■ ৮ পৃষ্ঠাত

## তামুলপুৰত এতিয়াও জলবন্দী ৩১২টা পৰিয়াল

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ জুন ঃ** ভয়াৱহ ৰূপ লোৱা তামুলপুৰ জিলাৰ বানপৰিস্থিতি কিছু শাম কটা যেন পৰিলক্ষিত হ'লেও ঠায়ে ঠায়ে এতিয়াও বহু লোক জলবন্দী হৈ থকাৰ খবৰ আহিছে। মুষলধাৰ বৰষুণৰ বাবে তামুলপুৰ জিলাৰ ■ ৮ পৃষ্ঠাত

## ছাৰ্ভিচ ৰিভলভাৰেৰে গুলীয়াই আত্মহত্যা ভাৰপ্ৰাপ্ত বিষয়াৰ



### ছুইছাইড নোট ৰাজহুৱা নকৰিলে আৰক্ষীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ১৯ জুন ঃ** যোৰহাট জিলাৰ মৰিয়নিৰ চেলেংহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভূপেন দিহিঙীয়াই ছাৰ্ভিচ ৰিভলভাৰেৰে মূৰত গুলীয়াই আত্মহত্যা কৰে। ভাৰপ্ৰাপ্ত বিষয়াজনে নিজৰ কোৱাৰ্টাৰতে আত্মহত্যা কৰে। উল্লেখ্য যে তেওঁ মাত্ৰ তিনি দিন পূৰ্বে ভাৰপ্ৰাপ্ত বিষয়া ■ ৮ পৃষ্ঠাত

### বানৰ কবলত দধীয়া লাইকাৰ বৃহৎ অঞ্চল

## দুমাহেই মাটি দেখা নাই দধীয়াৰ কাৰ্মীগাঁৱৰ ৰাইজে

### লাইকাৰ ২৬২টা পৰিয়ালক দুমাহৰ ভিতৰত পুনৰ সংস্থাপন দিব চৰকাৰে ঃ পোনাকণ বৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জুন ঃ** বছৰৰ তৃতীয়টো বানত জলমগ্ন হৈ পৰিছে ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ বিস্তীৰ্ণ অঞ্চল। ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত থকা দধীয়া-লাইকাৰ ■ ৮ পৃষ্ঠাত

### শালবাৰীত কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকা, উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰপ্ৰধান প্ৰমোদ বড়োৰ বান-খহনীয়া অঞ্চল পৰিদৰ্শন

## নৱেম্বৰত খহনীয়াৰ হ'ব স্থায়ী সমাধান

বেঁকী নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে ডেৰশ কোটি ধাৰ্য



**দৈনন্দিন বাৰ্তআৰ সেৱা, শালবাৰী, ১৯ জুন ঃ** ভূটানৰ কুৰিশ্বু জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দি নামনি অসমত ভয়াৱহ বানপানীৰ সৃষ্টি কৰাৰ সমান্তৰালকৈ বাক্সা জিলাৰ শালবাৰী মহকুমাৰ এলঙামাৰীত দীৰ্ঘদিন ধৰি ভয়াৱহ খহনীয়াৰ তাণ্ডৱ চলাই আহিছে। 'এই ভয়াৱহ খহনীয়াই বাক্সা- বৰপেটাৰ ■ ২ পৃষ্ঠাত


অসম চৰকাৰ

Azadi Ka Amrit Mahotsav

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মৃত্যু দিৱস

২০ জুন, ২০২২



কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ তেখেতৰ পৱিত্ৰ মৃত্যু দিৱসত অসমবাসীৰ হৈ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

Janasanyog /D/5908/22

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam dipr.assam.gov.in

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২০ জুন, ২০২২ ■ সোমবাৰ ■ গুৱাহাটী ■ ৫ আহাৰ, ১৯৪৪ শক




*নলবাৰীত বানাক্ৰান্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ ভাৰতীয় সেনাৰ, দেওবাৰে*

# শিৱসাগৰৰ শিশু গৃহ কৌমুদালয়ৰ পৰা পলায়ন কৰা কিশোৰী আৰক্ষীৰ অভিযানত উদ্ধাৰ
## যুৱক আটক ঃ আৰক্ষী অধীক্ষকৰ তৎপৰতাক ৰাইজৰ আদৰণী

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ১৯ জুন ঃ** শিৱসাগৰৰ শিশুগৃহ হিচাবে পৰিচিত কৌমুদালয়ৰ পৰা আজি সন্ধিয়া এগৰাকী কিশোৰীয়ে এজন যুৱকৰ সৈতে পলায়ন কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। অৱশ্যে ৰাইজৰ তাৎক্ষণিক খবৰৰ ভিত্তিত শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই প্ৰেৰণ কৰা এটা আৰক্ষীৰ দলে এখন ই ৰিস্কাত উঠি চহৰ অতিক্ৰমৰ চেষ্টা চলাওতেই কৰায়ত্ত কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি মতে অনাথ কিশোৰ-কিশোৰী সকলৰ নিৰাপদ আশ্ৰস্থলী হিচাবে পৰিচিত ৰংঘৰ ছাৰিআলিস্থিত কৌমুদালয় গৃহৰ পৰা হঠাতে সন্ধিয়াৰ ভাগত এগৰাকী কিশোৰী সন্ধানহীন হয়। এই কথা জানিব পাৰি আশ্ৰয় গৃহটিত হুলস্থুল লাগে যদিও যুৱকজনৰ সৈতে পলায়ণ কৰা কিশোৰীগৰাকীক উদ্ধাৰৰ বাবে সেই সময়ত আশ্ৰয় গৃহটিৰ কোনো কৰ্মচাৰীয়ে অনুসৰণৰ চেষ্টা নচলালে। ইফালে গুৱাহাটীত থকা আশ্ৰয় গৃহটিৰ সঞ্চালকগৰাকীয়ে বিভিন্ন জনৰ পৰা সহায় বিচৰাৰ লগতে দুই এক সংবাদকৰ্মীক এই কথা অৱগত কৰে। আনহাতে আশ্ৰয় গৃহটিৰ পৰা এনেদৰে এগৰাকী কিশোৰীক এজন যুৱকে লৈ পলায়ন কৰাৰ কথা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই জানিব পাৰি তৎমুহূৰ্ত্বতে কিশোৰী গৰাকীক উদ্ধাৰৰ বাবে সদৰ আৰক্ষীক নিৰ্দেশ প্ৰদান কৰে। আৰক্ষী অধীক্ষকৰ নিৰ্দেশৰ ভিত্তিত নগৰ উপ পৰিদৰ্শক বিশ্বজ্যোতি দুৱৰীয়ে ইখনৰ পিছত সিখন ই ৰিস্কা সলনি কৰা পলায়ণৰ চেষ্টা চলোৱা কিশোৰী গৰাকীৰ লগতে যুৱক জনক মাৰোৱাৰীপট্টী অঞ্চলৰ পৰা কৰায়ত্ত কৰিবলৈ সক্ষম। পিতৃ মাতৃহীন কিশোৰীগৰাকীয়ে মাচুম নামৰ যুৱক জনৰ সৈতে স্ব ইচ্ছাৰে কৌমুদালয়ৰ আশ্ৰয় গৃহ ত্যাগ কৰিছে বুলি সাংবাদিকক জানিবলৈ দিছে। আৰক্ষীয়ে দুয়োকে কৰায়ত্ত কৰি সদৰ থানাত সোধাপোচা চলাই আছে। যি সময়ত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা নিয়মিত কিশোৰী, যুৱতী সন্ধানহীন হোৱাৰ খবৰে সংবাদ শিৰোনামা দখল কৰি আহিছে সেই সময়তে শিশু গৃহৰ পৰা পলায়ণৰ চেষ্টা চলোৱা কিশোৰীৰ লগতে পলায়নত সহযোগ কৰা যুৱকক মাত্ৰ ৪০ মিনিটৰ ভিতৰতেই শিৱসাগৰৰ আৰক্ষী অধীক্ষক গৰাকীয়ে উদ্ধাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা তৎপৰতাক ৰাইজে আদৰণী জনাইছে।

# তিৱা সাহিত্য সভাৰ উদ্যোগত নগাঁও ছোৱালী মহাবিদ্যালয়ত আলোচনা চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুন ঃ** আজি নগাঁও ছোৱালী মহাবিদ্যালয়ৰ চিন্তা জুৰণি কক্ষত তিৱা মাথনলাই তখ্ৰা (তিৱা সাহিত্য সভা)ৰ উদ্যোগত অনুষ্ঠিত হয় এক আলোচনা চক্ৰৰ। তিৱা সাহিত্য সভাৰ সভাপতি দিপেন্দ্ৰ নাথ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনা চক্ৰখনিত অংশগ্ৰহণ কৰে তিৱা সাহিত্যিক তথা সমল ব্যক্তিসকলে। আলোচনা চক্ৰখনিৰ লগতে নগাঁও ছোৱালী মহাবিদ্যালয়ত নতুনকৈ তিৱা ভাষাৰ এটা চৰ্চা কেন্দ্ৰৰো উদ্বোধন কৰে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বলিন কুমাৰ ভূঞাই। তিৱা মাথনলাই তখ্ৰাৰ উপ সভাপতিদ্বয় শৰৎ চন্দ্ৰ পাটৰ আৰু যোগেশ্বৰ বৰদলৈৰ লগতে সমল ব্যক্তি হিচাপে অংশ লয় সাহিত্য অকাডেমী ভাষা সন্মান প্ৰাপক তিৱা সাহিত্যিক হৰছিং খলাৰ, প্ৰাক্তন তিৱা সাহিত্য সভাৰ সভাপতি মহেশ্বৰ পাটৰ, সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰিমল আমচি, তিৱা লেখক-সাহিত্যিকসকল ক্ৰমে আলফ্ৰেড মাচলাই, ফ্ৰেন্সিচ মাচলাই, ৰাফেল মাচলাই, ফিনেল মাচলাই, ৰানচিং ফামজং, ফিলিপ মাচলাই, চত্ৰছিং দাৰফাঙৰ লগতে তখ্ৰাৰ বিষয়ববীয়া সকল। মহাবিদ্যালয়খনত আৰম্ভ হবলগীয়া তিৱা ভাষা চৰ্চা কেন্দ্ৰৰ উদ্বোধনী পৰ্বত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলো উপস্থিতিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে তখ্ৰাৰ সম্পাদক ড° বিদ্যুৎ বিকাশ সেনাপতিয়ে। অনুষ্ঠান উদ্বোধন কৰি অধ্যক্ষ ভূঞাই জনগোষ্ঠীয় ভাষাসমূহৰ প্ৰাসংগিকতাৰ কথা উল্লেখ কৰি তিৱা ভাষাটো শিক্ষনৰ জৰিয়তে ভাষাটোক আগবঢ়াই লৈ যোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উক্ত আলোচনা চক্ৰত তিৱাসকলৰ শূন্য সংখ্যাটোক ‘থক’ হিচাপে নামাকৰণ নিৰ্ধাৰণ কৰা হয়।

# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কল্যাণী দুৱৰাৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৯ জুন ঃ** চাবুৱাৰ অন্যতম উচ্চ শিক্ষানুস্থান অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কল্যাণী দুৱৰাৰ ১৮ জুনত দিনৰ ২ বজাত চাবুৱা নগৰস্থিত নিজা বাসভৱনত ইহলীলা সম্বৰণ কৰে। দীৰ্ঘদিন ধৰি মধুমেহ আৰু কিডনী ৰোগত আক্ৰান্ত হৈ থকা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা ধৰ্মপ্ৰাণ মহিলাৰ মৃত্যুত স্বাভাৱিকতে সমগ্ৰ চাবুৱা অঞ্চলতে শোকৰ ছাঁ পৰে। উল্লেখ্য যে ১৯৪৮ চনৰ ১৪ নৱেম্বৰত তিনিচুকীয়া জিলাৰ নখৰাইত জন্ম গ্ৰহণ কৰা তথা নখৰাইৰ নিবাসী প্ৰয়াত নন্দেশ্বৰ গগৈ আৰু প্ৰয়াত পুষ্পেশ্বৰী গগৈৰ সুযোগ্যা জীয়ৰী কল্যাণী গগৈ দুৱৰাই তিনিচুকীয়া মহাবিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰি ১৯৭৭ চনত পানীতোলা ছোৱালী হাইস্কুলত প্ৰধান শিক্ষয়িত্ৰী হিচাপে যোগদান কৰে। একে বৰ্ষতে চাবুৱা চেতিয়া গাঁও নিবাসী তথা অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ উমাকান্ত দুৱৰাৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। ১৯৭৭ চনৰে অক্টোবৰ মাহত অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভূগোল বিষয়ৰ সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰি সুদীৰ্ঘ ৩৩টা বছৰ শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰিছিল। তেখেতৰ মৃত্যুত চাবুৱা আঞ্চলিক ছাত্ৰ সন্থা, চাবুৱা শাখা সাহিত্য সভা, চাবুৱা জ্যেষ্ঠ নাগৰিক সন্থা, মটক সন্মিলন, মটক স্বায়ত্ব শাসিত পৰিষদ, মটক যুৱ-ছাত্ৰ সন্মিলন, মটক যুৱ ছাত্ৰ পৰিষদ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, চাবুৱা মেডিয়া ফ'ৰাম, চাবুৱা প্ৰেছ ক্লাব, চাবুৱা প্ৰেছ গিল্ডকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিভিন্নজন ব্যক্তিয়ে শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত স্বামীকে ধৰি দুই পুত্ৰ ক্ৰমে মৃদুপৱন দুৱৰা, ৰাষ্ট্ৰীয় শক্তি উত্তোলক পুত্ৰ গুঞ্জন প্ৰকাশ দুৱৰাকে ধৰি বোৱাৰী নাতি- নাতিনী আৰু বহু ইষ্ট-কুটুম্বক এৰি গৈছে।

# ভূৰাগাঁৱৰ ৰথখোলাত নৱনিৰ্মিত মথাউৰি জাহ যোৱাৰ উপক্ৰম

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ জুন ঃ** মৰিগাঁও জিলাৰ ভুৰাগাঁৱৰ ৰথখোলাত নৱনিৰ্মিত মথাউৰি জাহ যোৱাৰ উপক্ৰম হৈছে। সম্পূৰ্ণ বালি মাটিৰে মথাউৰি নিৰ্মাণ কৰাৰ ফলত বৰষুণৰ পানীত খহি গৈছে মথাউৰিৰ এটা বৃহৎ অংশ। যাৰ ফলত শংকিত হৈ পৰিছে স্থানীয় লোক সকল। উল্লেখ্য যে জলসম্পদ বিভাগে মথাউৰিটো বাঁহৰে মেৰামতিৰ কাম আৰম্ভ কৰিছে যদিও আশ্বস্ত হ'ব পৰা নাই স্থানীয় লোকসকল।

# বানপীড়িতক সহায়ৰ বাবে সাজু বকোত জনস্বাস্থ্য কাৰিকৰী বিভাগ
## পৰ্যাপ্ত সামগ্ৰী মজুত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ জুন ঃ** ৰাজ্যৰ চৌদিশে সম্প্ৰতি বানপানীৰ বিভীষিকাময় পৰিবেশ। সৰহ সংখ্যক জিলাতেই বানৰ পানীয়ে সংহাৰ ৰূপ ধাৰণ কৰিছে। সকলোতে অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ অভাৱ পৰিলক্ষিত হৈছে তেনে সময়ত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কামৰূপ জিলাৰ গুৱাহাটী সংমণ্ডলৰ বকোস্থিত উপ সংমণ্ডলৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তা মুকুট কুমাৰ বৰ্মনে জানিব দিয়ে যে বিভাগটোৰ বকোৰ কাৰ্য্যালয়ত ৰাইজক সহায় কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ সামগ্ৰী মজুত আছে। আজি সহকাৰী কাৰ্যবাহী অভিযন্তা মুকুট কুমাৰ বৰ্মনে এই প্ৰতিবেদকক জনায় যে কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ এলেকাৰ ৰাইজে যাতে বানপানীৰ বাবে সমস্যাত নপৰে তাৰ ব্যৱস্থা ল'বলৈ আগতিয়াকৈ মজুত ৰাখিছে স্বাস্থ্য সন্মত ভিন্ন সামগ্ৰী। ইফালে বিভাগটোৰ ক্ষেত্ৰ পৰিদৰ্শক তপন কলিতাই জনোৱা মতে বকোত বান পীড়িতক সহায় কৰিবলৈ পৰ্য্যাপ্ত পৰিমানৰ ব্লিছিং পাউদাৰ, এলাৰ্ম, চূণ, পাষ্টিকৰ পায়খানাৰ প্লেট, বিশুদ্ধ খোৱা পানীৰ পেকেটসহ যোগান ধৰিবলৈ বিভাগটোৰ কৰ্মী সকল সাজু আছে। ইফালে জানিব পৰা মতে বকোৰ কাৰ্য্যালয়ৰ এলেকাৰ যি সমূহ স্থানত পূৰ্বে বান পানী হয়, সেই স্থানসমূহত বিভাগৰ কৰ্মীসকলে পৰিদৰ্শন কৰি আহিছে।

# কাকপথাৰ ডিৰাক সোনজানত বৰডুমচা আৰক্ষীয়ে জব্দ কৰিলে কাঠভৰ্তি গাড়ীসহ ৩ কাঠ মাফিয়াক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফি'লবাৰী, ১৯ জুন ঃ** তিনিচুকীয়াত পুনৰ সক্ৰিয় হৈ উঠিছে কাঠ মাফিয়াৰ দৌৰাত্ম্য। অৰুণাচল প্ৰদেশত বিগত এমাহ বন্ধ হৈ থকা কাঠ মাফিয়াৰ অবৈধ কাঠৰ সৰবৰহা পুনৰ প্ৰবল বৰষুণৰ সুযোগ গ্ৰহণ কৰি একাংশ কাঠমাফিয়াই আৰম্ভ কৰিছে দৌৰাত্ম্য। শনিবাৰ নিশা কাকপথাৰ ডিৰাক সোনজানত অবৈধভাৱে অৰুণাচল প্ৰদেশৰ পৰা কাঠ কঢ়ীয়াই অনা গাড়ীসহ তিনি কাঠ মাফিয়াক আটক কৰে বৰডুমচা আৰক্ষীয়ে। বৰডুমচা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিতু চাংমাইৰ অভিযান কালত আটক কৰা কাঠমাফিয়া তিনিগৰাকী হ'ল কাকপথাৰৰ দেৱজিৎ মৰাণ, অন্তৰিজ মৰাণ আৰু ভাইকন মৰাণ। বৰডুমচা আৰক্ষী থানাই জব্দ কৰা কাঠ কঢ়িয়াই অনা গাড়ীসহ তিনি কাঠ মাফিয়াক আজি আৰক্ষীৰ দলটোৱে ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত খাটাংপানী ৰেঞ্জত চমজাই দিয়ে। জব্দ কৰা কাঠ ভৰ্তি গাড়ীৰ নম্বৰ হল As 23 BC 4273। অৰুণাচল প্ৰদেশৰ পৰা অনা কাঠৰ মুল্য প্ৰায় ৭০ হাজাৰ টকা হব বুলি জানিব পৰা গৈছে। ইফালে বৃহস্পতিবাৰে নিশা বৰডুমচা আৰক্ষীয়ে অভিযান চলাই বৰডুমচা থানাৰ অন্তৰ্গত কৰিয়াজানত। আৰক্ষীৰ দলটোৱে কৰিয়াজানৰ পৰা জব্দ কৰা অবৈধ কাঠ মাফিয়া চিকেন্দ্ৰ সোনোৱাল আৰু ট্ৰেক্টৰ মালিক ৰণ্টু সোনোৱালৰ ওপৰত এজাহাৰ দাখিল কৰিছে বৰডুমচা আৰক্ষীয়ে। সমগ্ৰ বিষয়টো ওপৰত ইতিমধ্যে খাটাংপানী ৰেঞ্জৰ বন বিষয়াই দুয়োগৰাকীক জাননী দিয়া বুলি জানিব দিছে। বৰডুমচা আৰক্ষী থানাই এজাহৰ দিয়া দুয়োগৰাকী ব্যক্তি কাঠ ব্যৱসায়ী লগত জড়িত বুলি প্ৰমাণ কৰে বন সংৰক্ষিত আইনৰ দাৰা শাস্তি প্ৰদান কৰিব বুলি। বৰডুমচা আৰক্ষীৰ বিগত দুটা দিনত কাঠ মাফিয়াৰ ওপৰত দ্বিতীয় সফলতা লাভ কৰিছে। বৰডুমচা আৰক্ষী থানাত ভাৰপ্ৰাপ্ত আৰক্ষী হিচাপে নিতু চাংমাইয়ে যোগদান কৰা পিছতো ড্ৰাগছ কানি লগতে কাঠমাফিয়াৰ মুৰৰ কামুৰণী হৈ পৰিছে। বিশেষকৈ দীৰ্ঘদিনৰ পৰা ৰাইজে অভিযোগ কৰি আহিছিল যে বৰডুমচা আৰক্ষী থানাৰ নিচেই কাষত থকা মাছৰ বজাৰত ড্ৰাগ্‌ছ আৰু কানিৰ ৰমৰমীয়া ব্যৱসায় চলি আহিছে বুলি। আৰক্ষী বিষয়া গৰাকীয়ে যোগদান কৰা পিছতেই অভিযান চলাই মাছ ব্যৱসায়ী পৰা ড্ৰাগ্‌ছ আৰু কানিসহ আটক কৰি জেল সাজুতলৈ প্ৰেৰণ কৰিছে।আৰক্ষী বিষয়া গৰাকীয়ে এনে অবৈধ ব্যৱসায়ী ওপৰত ক্ষিপ্ৰভাৱে অভিযান চলোৱাক লৈ সচেতন মহলে শলাগ লৈছে।

### ধুবুৰীত বানত বিভিন্ন চৰাঞ্চালৰ ঠায়ে ঠায়ে অৱৰ্ণনীয় পৰিস্থিতি
# পশুধনৰ খাদ্য আৰু জনতাৰ বিশুদ্ধ খোৱা পানীৰ বাবে হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৯ জুন ঃ** ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠৰ পানী বৃদ্ধি পোৱাত ধুবুৰীৰ বিভিন্ন চৰাঞ্চাত অৱৰ্ণণীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। ধুবুৰীৰ মাজেৰচৰ, মাটিফাটা, শালকাটা আদি অঞ্চলৰ লোক সকলে বানৰ কবলত পৰি ককবকাই আছে। বহু লোকৰ ঘৰৰ ভিতৰত পানী সোমাই চৰম হাৰাশাস্তিৰ সন্মুখীন হৈছে সাধাৰণ জনতাই। পশুধনক লৈ লোকসকলে কত যাব কি কৰিব বিপাংত পৰিছে জনতাই। কোনে বুজিব এওঁলোকৰ দুখ-দুৰ্দশা, কোনে সমাধান কৰিব এওঁলোকৰ সমস্যা? যেতিয়া ভোট আহে তেতিয়া জন প্ৰতিনিধিৰ ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতি, ভোট গুচি গলে সেই প্ৰতিনিধিয়ে সাধাৰণ জনতাৰ খবৰ লোৱাৰ আহৰি নাথাকে বুলি ক্ষোভ উজাৰিলে স্থানীয় ৰাইজে। অৱশেষত এগৰাকী সমাজ সেৱকে এটা সজাতিদল লৈ বিভিন্ন চৰাঞ্চালত পৰিদৰ্শন কৰি বানাক্ৰান্ত লোক সকলৰ বুজ লয়। লগতে সংবাদ মাধ্যমৰ জড়িয়তে অসম চৰকাৰক তথা ধুবুৰী জিলা উপায়ুক্তক চৰাঞ্চালৰ বানাক্ৰান্ত লোক সকলক সাহায্য প্ৰদান কৰাৰ বাবে ধুবুৰী আৰটিআই কৰ্মী সন্থাৰ আব্দুল মান্নান সেখে কাতৰ আহ্বান জনাইছে।

# কোকৰাঝাৰত ১৪৪ ধাৰা জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ১৯ জুন ঃ** সম্ভাব্য যিকোনো আইন-শৃংখলা পৰিস্থিতিৰ যাতে অৱনতি নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কোকৰাঝাৰ জিলা প্ৰশাসনে সমগ্ৰ জিলাখনতে ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে যিকোনো ৰাজহুৱা স্থানত পাঁচ বা ততোধিক লোকৰ সমাৰেশ নিষিদ্ধ, ৰাজহুৱা স্থানত শোভাযাত্ৰা, শ্ল'গান, সভা আদি অনুষ্ঠিত কৰা নিষেধ, অনুমতি নোলোৱাকৈ যিকোনো মেলা অনুষ্ঠিত কৰা নিষেধ, দুচকীয়া বাহনত দুজন উঠা নিষেধ। এইক্ষেত্ৰত ১২ বছৰ তলৰ শিশু, মহিলা আৰু জ্যেষ্ঠ নাগৰিকক ৰেহাই দিয়া হৈছে। অনুমতিবিহীনভাৱে মাইক্ৰ'ফোনৰ ব্যৱহাৰ নিষেধ। যিকোনো অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক আদি কঢ়িয়াই নিয়াত নিষেধাজ্ঞা জাৰি কৰিছে জিলা প্ৰশাসনে। এই নিষেধাজ্ঞাৰ পৰা কাৰ্যবাহী দণ্ডাধীশ, আৰক্ষী, সেনা আৰু কেন্দ্ৰীয় স-শস্ত্ৰ বাহিনীৰ লোকক ৰেহাই দিয়া হৈছে। পৰৱৰ্তী ঘোষণা নিদিয়ালৈকে এই নিষেধাজ্ঞা বাহাল থাকিব বুলি প্ৰেছ বিজ্ঞপ্তিত জানিবলৈ দিয়ে।

# অ' এন জি চিৰ অৱসৰপ্ৰাপ্ত বিষয়া চমচুল হকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ১৯ জুন ঃ** শিৱসাগৰ নগৰৰ ষ্টেচন চাৰি আলিৰ আনন্দ নগৰ পথৰ বাসিন্দা ধৰ্মপ্ৰাণ ব্যক্তি তথা অ এন জি চিৰ অৱসৰপ্ৰাপ্ত বিষয়া চমচুল হক (৮৬) ৰ আজি বাৰ্ধক্যজনিত কাৰণত আবেলি নিজা বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। চক্ৰাই অঞ্চলত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে কৰ্মসূত্ৰে শিৱসাগৰ ষ্টেচন চাৰি আলিতে স্থায়ীকৈ থাকি বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ সামাজিক কৰ্ম কৰা এইগৰাকী ব্যক্তিৰ মৃত্যুত বহু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। অমায়িক স্বভাৱৰ ব্যক্তি গৰাকীয়ে দিৰ্ঘদিন চুকৰ গাঁৱতো অস্থায়ীভাৱে থাকি ওচৰ-চুবুৰীয়াৰ লগত সহযেই মিলি চুকৰ গাঁও অঞ্চলতো জনপ্ৰিয় হৈ পৰিছিল। মৃত্যুৰ সময়ৰ পত্নীৰ লগতে এজন পুত্ৰ বোৱাৰী, দুগৰাকী কন্যা জোৱাই, নাতি-নাতিনীৰ সহিতে এটি বৃহৎ পৰিয়ালক ইহসংসাৰত এৰি থৈ যায়। কালিলৈ দিনৰ ২ বজাত দৰবাৰ ফিল্ড কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হ'ব।

ভাৰতীয় ৰিজাৰ্ভ বেংক
RESERVE BANK OF INDIA
www.rbi.org.in
Azadi Ka Amrit Mahotsav

**অসম চৰকাৰৰ 10 বছৰীয়া প্ৰতিভূমি জমা (Security) ৰ নিলাম**

অসম চৰকাৰে মুঠ প্ৰায় **₹1,000.00 কোটি টকাৰ** (প্ৰত্যক্ষ মূল্য)ৰ প্ৰতিভূমি জমা বিক্ৰীৰ বাবে আগবঢ়াইছে।

অহা **21 জুন 2022 (মঙ্গলবাৰ)** বহু তৰপীয়া মূল্যৰ প্ৰ-পত্ৰৰ অধীনত এই মূল্য উদ্ভূত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ‘ক'ৰ বেংকিং চলিওশ্বন’ (E-kuber)ত অনুষ্ঠিত হ'ব। ব্যক্তিগত বিনিয়োগকাৰীয়েও অপ্ৰতিদ্বন্দ্বিতামূলক আঁচনি অনুযায়ী **ৰিটেল ডাইৰেক্ট পৰ্টালৰ** জৰিয়তে ডাক দিব পাৰে **(https://rbiretaildirect.org.in)**।

অধিক তথ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ ৱেবচাইট **www.rbi.org.in** ত **17 জুন 2022 (শুক্ৰবাৰে)** প্ৰকাশিত প্ৰেছ বিজ্ঞাপ্তি চাব পাৰে।

“ধনৰ প্ৰতিশ্ৰুতি দি আপোনালৈ অহা ই-মেইল /এছএমএছ /ফোন কল আদিৰ দ্বাৰা ঠগ নেয়াব।”

# কোকৰাঝাৰত ধাৰা ১৪৪/ ১৪৪-এ চি আৰ পি চি ধাৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৯ জুন ঃ** জিলাখনত শান্তি আৰু সম্প্ৰীতি বজাই ৰখাৰ জৰুৰীতাৰ প্ৰতি লক্ষ্য ৰাখি দেওবাৰে অতিৰিক্ত জিলা দণ্ডাধীশে সমগ্ৰ কোকৰাঝাৰ জিলাত ১৪৪/১৪৪-এ চি আৰ পি চি, ১৯৭৩ ধাৰা জাৰি কৰে। এই নিৰ্দেশত দ্বাৰা কোনো ৰাজহুৱা স্থানত পাঁচজন বা তাতকৈ অধিক লোকৰ সমাৱেশ, শোভাযাত্ৰা উলিওৱা, শ্ল'গান দিয়া, সভা অনুষ্ঠিত কৰা, ৰেলী, ধৰ্ণা, বিক্ষোভ, ধৰ্মঘট, অনুমতি নোলোৱাকৈ মেলা আয়োজন কৰা, ভাড়া, পিলিয়ন ৰাইডিং, বাহনত টিণ্টেড গ্লাছ ব্যৱহাৰ কৰা আদি নিষিদ্ধ কৰা হৈছে, অনুমতি অবিহনে বাহিৰৰ ব্যৱহাৰৰ বাবে মাইক্ৰ'ফোন ব্যৱহাৰ কৰা, অস্ত্ৰ কঢ়িয়াই নিয়া আৰু নিৰ্মাণ কৰা, যিকোনো ধৰণৰ আগ্নেয়াস্ত্ৰ আৰু গোলাবাৰুদ, বিস্ফোৰক পদাৰ্থ, দাও, লাঠি, ধনু আৰু কাঁড়, যিকোনো বিপজ্জনক সঁজুলি ব্যৱহাৰ কৰা আৰু যিকোনো টৰ্চ লাইট (মশাল) শোভাযাত্ৰা উলিওৱা কাৰ্য্য কলাপ নিষিদ্ধ কৰা হৈছে। কিন্তু এই নিৰ্দেশত পিলিয়ন ৰাইডিং বা মটৰ চাইকেলত ১২ বছৰৰ তলৰ শিশু, মহিলা আৰু জ্যেষ্ঠ নাগৰিকে দুজন উটা লগতে কাৰ্যবাহী দণ্ডাধীশ, আৰক্ষী কৰ্মী, সেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ লোকক এই নিষিদ্ধকৰণ পৰিসৰৰ পৰা ৰেহাই দিয়া হৈছে। জিলাখনত শান্তি আৰু সম্প্ৰতি বজাই ৰখাৰ তাৎক্ষণিকতাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশটো প্ৰাক্তন ভাৱে জাৰি কৰা হৈছে কিয়নো লক্ষ্য কৰা হৈছে যে অসামাজিক উপাদানৰ কাৰ্যকলাপ আৰু ৰাজনৈতিক দল, ছাত্ৰ সংগঠন আৰু অন্যান্য সংগঠনৰ আন্দোলনমূলক কাৰ্যসূচীৰ ফলত আইন-শৃংখলা পৰিস্থিতি সংঘটিত হোৱাৰ সম্ভাৱনা আছে। এই আদেশ ১৯ জুন, ২০২২ৰ পৰা কাৰ্যকৰী হৈছে আৰু পৰৱৰ্তী আদেশ নিদিয়া লৈকে কাৰ্যকৰী হৈ থাকিব।

# এছ এফ আই-ৰ ৰাজ্যিক সাধাৰণ সম্পাদক নিৰংকুশ নাথক আটক
## শীঘ্ৰে মুকলি কৰি দিবলৈ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ১৯ জুন ঃ** ভাৰতৰ যুৱ ফেডাৰেচন(ডি ৱাই এফ আই), অসম ৰাজ্যিক কমিটিৰ সম্পাদক ৰিতুৰঞ্জন দাসে আজি ইয়াৰ সংবাদ মাধ্যমক জনাইছে যে তিনিচুকীয়া জিলাৰ ডিৰাক অঞ্চলত অনুষ্ঠিত হোৱা সংগঠনটোৰ এখন সভালৈ আহোঁতে আজি পুৱা কোনো কাৰণ নোহোৱাকৈ ভাৰতৰ ছাত্ৰ ফেডাৰেচন (এছ এফ আই), অসম ৰাজ্যিক কমিটিৰ সাধাৰণ সম্পাদক কমৰেড নিৰংকুশ নাথক আৰক্ষীয়ে আটক কৰি ডুমডুমা থানালৈ লৈ আহি আৱদ্ধ কৰি ৰখাইছে। কমৰেড নাথক তৎকালে মুকলি কৰি দিবলৈ ডি ৱাই এফ আই-ৰ সম্পাদকগৰাকীয়ে দাবী জনাইছে। জনা গৈছে যে কেন্দ্ৰীয় চৰকাৰৰ অগ্নিপথ আঁচনিৰ বিৰুদ্ধে কাইলৈ এছ এফ আই আৰু ডি ৱাই এফ আইয়ে সমগ্ৰ অসম জুৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। তাৰ পৰিপ্ৰেক্ষিততে তেওঁক এনেদৰে অগণতান্ত্ৰিকভাৱে আটক কৰি থৈছে।

# কামৰূপ জিলাত নিষেধাজ্ঞা জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৯ জুন ঃ** কামৰূপ জিলাৰ লগতে অসমৰ বান পৰিস্থিতি অধিক জটিল হোৱাৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে ফৌজদাৰী কাৰ্য বিধিৰ ১৪৪ ধাৰা আৰু দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ ৩৯ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি বানক্ৰান্ত অঞ্চলত অপ্ৰোয়জনীয় চলাচল, ৫ জন বা ততোধিক লোকৰ সমাগম, বিল, নদী ইত্যাদিকে ধৰি বান পানীত মৎস্য চিকাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি জানিব পৰা গৈছে।

# জামুগুৰিহাটৰ মধুপুৰ গাঁৱৰ সৰবৰহী মহিলা চম্পা বৰাৰ বিয়োগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৯ জুন ঃ** জামুগুৰিহাটৰ মধুপুৰ গাঁৱৰ সমাজ সেৱিকা সৰবৰহী মহিলা চম্পা বৰা(৯৬)ৰ আজি পৰলোকপ্ৰাপ্তি ঘটে। বৃক্ক ৰোগত আক্ৰান্ত হৈ থকা মহিলাগৰাকীয়ে নিজা বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে। জামুগুৰিহাটৰ পশ্চিম অঞ্চলৰ জিয়াভৰলী পাৰৰ মৰনাকুৰি গাৱৰ পৰা পুনৰ সংস্থাপিত মধুপুৰ গাৱৰ বোৱাৰী চম্পা বৰা একেধাৰে মৰনাকুৰি তথা মধুপুৰ গাঁৱৰ গাঁও উন্নয়ন মহীলা কমিটিৰ সম্পাদিকা সভানেত্ৰীৰ দায়িত্ব লৈ গাঁৱৰ লগতে অঞ্চলটোৰ বহুতো উন্নয়ন মুলক কাম কৰি আহিছিল। চম্পা বৰাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ বিৰাজ কৰাৰ লগতে মধুপুৰ গাঁৱৰ ৰাইজ, মহিলা সমিতি, যুৱক সংঘ, গাঁও উন্নয়ন সমিতিকে ধৰি কেবাটাও অনুষ্ঠান প্ৰতিষ্ঠানে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত সৰবৰহী মহিলা গৰাকীয়ে পাছ জন পুত্ৰ, তিনি গৰাকী জীয়ৰী, বোৱাৰী নাতি-নাতিনী সহিতে আত্মীয়-কুটুম্বৰ লগতে এতি হৰাভৰা পৰিয়াল ইহসংসাৰত এৰি থৈ যায়।

# মাকতাইগাঁৱৰ এটা পৰিয়ালৰ ঘৰৰ পৰা চোৰে লুটিলে ডেৰ লক্ষাধিক টকাৰ লগতে সা-সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৯ জুন ঃ** গোসাইগাঁও মহকুমাৰ সাপকাটা আৰক্ষী চকীৰ অন্তৰ্গত মাকতাইগাঁওৰ বাসিন্দা অৰুণ নাৰ্জাৰীৰ ঘৰত সোমাই আজি দিন দুপুৰতে চোৰে চলায় ছাফাই অভিযান। জানিব পৰা মতে মাকতাইগাঁও সংঘটিত হয় এই চুৰি কাণ্ড। ডেৰ লক্ষাধিক টকাৰ লগতে চোৰে লুটি নিয়ে ঘৰৰ সা-সামগ্ৰী সোণৰ আ-অলংকৰ। চোৰে ঘৰৰ দৰ্জাৰ তলা ভাঙি ভিতৰত প্ৰবেশ কৰি গডৰেছ ভাঙি ডেৰ লক্ষাধিক নগদ ধনৰ লগতে চোৰে লুটি নিয়ে বিভিন্ন সা-সামগ্ৰী, আ-অলংকাৰ। লণ্ডভণ্ড কৰিলে আচবাব পাতিৰ উপৰি লণ্ডভণ্ড কৰি থৈ যায় বিভিন্ন নথি-পত্ৰ। লগতে ট্ৰেক্টৰৰ চাবিও চুৰি কৰিলৈ যোৱা বুলিও অৰুণ নাৰ্জাৰীয়ে জানিবলৈ দিয়ে। ভুক্তভোগীয়ে ইতিমধ্যে সাপকাটা আৰক্ষী চকীত খবৰ দিয়াত ততাঁতৈয়াকৈ সাপকাটাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তদন্ত অব্যাহত ৰাখিছে। পৰিয়ালৰ লোকে আৰক্ষীক কঠোৰভাৱে তদন্ত কৰি চুৰিকাণ্ডৰ লগত জড়িত থকা চোৰক কৰায়ত্ত কৰি শাস্তি প্ৰদানৰ দাবী জনাইছে।

# বৰালিমাৰীৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠান বানৰ কবলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মায়ং, ১৯ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্ভুক্ত বৰালিমাৰী অঞ্চলৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠান বৰ্তমান বানৰ কৱলত, অঞ্চলখনৰ ভালেকেইখন শিক্ষানুষ্ঠান বৰালিমাৰী মাধ্যমিক বিদ্যালয়, জাপৰি মাধ্যমিক বিদ্যালয়, পূৱ বৰালিমাৰী প্ৰাথমিক বিদ্যালয়, বৰালিমাৰী আঞ্চলিক জাতীয় বিদ্যালয় আদি বিভিন্ন বিদ্যালয়ৰ চৌহদত বক্ষ্মপুত্ৰৰ আহাৰ মহীয়া বানৰ আগমন। ভালেকেইখন বিদ্যালয়ৰ শ্ৰেণীকোঠাত পানী সোমোৱা পৰিলক্ষিত হৈছে। ইফালে মাধ্যমিক বিদ্যালয়সমূহৰ নৱম আৰু দশম শ্ৰেণীৰ ১তম গোট পৰীক্ষা সমাগত। ইয়াকে লৈ চিন্তিত বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগত ছাত্ৰ-ছাত্ৰীসকল।

# অসহায় যুৱকৰ পিতৃ সম্পত্তি বেদখল কৰিবলৈ হেতা-ওপৰা দুষ্ট চক্ৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ১৯ জুন ঃ** ৰাজ্য চৰকাৰ যিমানেই কঠোৰ নহওক কিয় চৰিত্ৰ সলনি নহয় এচাম দালালৰূপী দুষ্ট চক্ৰৰ। হোজাই জিলাৰ লংকা ৰাজহ চক্ৰৰ অধীনস্থ বুঢ়া গাঁৱৰ অসহায় যুৱকে এচাম দালালৰূপী দুষ্ট চক্ৰৰ বিৰুদ্ধে নিজ পিতৃ সম্পত্তি বেদখল কৰিবলৈ হেতা-ওপৰা লগোৱাত উঠি পুৰি লাগিছে বুলি ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে। জানিব পৰা মতে হোজাইৰ লংকা ৰাজহ চক্ৰৰ অন্তৰ্গত বুঢ়া গাঁও কিচামতৰ ৩৭ নং ম্যাদি পট্টাৰ ২ কটা মাটি বেদখল কৰিবলৈ উঠিপৰি লাগিছে দালালৰূপি দুষ্ট চক্ৰ। ভুক্তভোগীৰ ভাষ্যানুসৰি, বুঢ়া গাঁও কিচামতৰ ৩৭ নং ম্যাদি পট্টাৰ ২ কটা মাটি ভূপেন চন্দ্ৰ দাসৰ নামত আছে। ভূপেন চন্দ্ৰ দাস বৰ্তমান জেলত থকাৰ সুযোগ লৈ দুই এজন দুষ্ট চক্ৰই মাটি বেদখল কৰিবলৈ লোৱাত ভূপেন চন্দ্ৰ দাসৰ পুত্ৰই প্ৰশাসনক অৱগত কৰি গোচৰ ৰুজু কৰা বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। উক্ত মাটি বাৰীক কেন্দ্ৰ কৰি ৰুজু হোৱা গোচৰৰ ভিত্তিত দীৰ্ঘদিন ধৰি আদালতত বিচাৰ চলি থকা অৱস্থাত বুঢ়া গাঁৱৰ অইন এজন ভূপেন দাস আৰু ইন্দ্ৰ দাস নামৰ ব্যক্তিয়ে ন ন ষড়যন্ত্ৰ ৰচি আদালতত বিচাৰ চলি থকা মাটি বেদখল কৰিবলৈ উঠি পৰি লাগিছে বুলি অভিযোগ তুলিছে ভুক্তভোগী পৰিয়ালে। আদালতত গোচৰাধীন অৱস্থাত ভূপেন দাস আৰু ইন্দ্ৰ দাস নামৰ ব্যক্তিয়ে নিজ ময়মতালিৰে আইনক কেৰেপ নকৰি ভুক্তভোগীৰ মাটি বেদখল কৰিবলৈ লোৱাত অঞ্চলজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ভুক্তভোগী পৰিয়ালৰ ভূপেন চন্দ্ৰ দাসৰ পুত্ৰই এই সন্দৰ্ভত বাৰংবাৰ প্ৰশাসনক অৱগত কৰি আহিছে যদিওঁ প্ৰশাসনৰ ফালৰ পৰা গুৰুত্ব নোপোৱাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে যুৱকজনে। অসহায় পৰিয়ালটোয়ে বৰ্তমান নিৰাপত্তাহীনতাৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ বিচাৰে।

Affordable Health Mission | GNRC Quality • Value • Trust
EXECUTIVE
HEALTHCARE PACKAGE
GNRC HEART CHECK UP



₹ 9792/-

Heamogram
- HAEMOGLOBIN
- ESR
- PCV
- MCHC
- MCV
- MCH
- TOTAL WBC (TLC)
- TOTAL RBC COUNT (TRBC)
- DIFFERENTIAL COUNT (DLC)
- PERIPHERIAL SMEAR
- PLATELET COUNT

Kidney Assessment
- S. UREA
- S. CREATININE
- COMPLETE URINE ANALYSIS

Cardiac Assesment
- ECG
- ECHOCARDIOGRAPHY
- TREAD MILL TEST (TMT)

Biochemical Parameters
- BLOOD SUGER (FASTING & POST PRANDIAL)
- URIC ACID
- LIPID PROFILE (TOTAL CHOLESTEROL, HDL, LDL, TRIGLYCERIDES, VLDL)

Liver Function Test
- TOTAL PROTEIN
- ALBUMIN
- GLOBULIN
- A/G RATIO
- SGPT & SGOT
- ALKALINE PHOSPHATASE
- GGT
- S. BILIRUBIN (TOTAL & DIRECT)

General Tests
- BLOOD GROUPING & RH TYPING
- X-RAY CHEST
- ULTRASOUND SCREENING OF THE WHOLE ABDOMEN, CLINICAL EXAMINATION, MEDICAL SUMMARY AND ADVICE BY SENIOR CARDIOLOGIST & DIET COUNSELING.

(Complimentary Breakfast is Provided)

For Appointments 1800 345 0022
Free Ambulance 1800 345 0011

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২০ জুন ■ ২০২২ ■ ৫ আহাৰ ■ গুৱাহাটী

# এজন অসাধাৰণ মানুহ ঃ বিষ্ণু ৰাভা

আজি কলাগুৰু বিযুওপ্ৰসাদ ৰাভাৰ জন্মদিন। পালন কৰা হৈছে চৰকাৰী তথা বেচৰকাৰী সন্থাসমূহে ৰাভা দিৱস। যিগৰাকী নেতাই জাতীয় জীৱনক নিজক প্ৰাণতকৈও আপোন কৰি লৈ বৰ অসমৰ সমন্বয়ৰ প্ৰতীকৰূপে চিনাকি দিছিল। তেওঁ নিজেই আছিল এক অনুষ্ঠান, এক বলিষ্ঠ একক, গণ-জীৱনৰ পূজাৰী। এক অৰ্থত যি দেশৰ যুগসন্ধিত জনগণৰ শোষণ-নিৰ্যাতনৰ ওৰ পেলাবলৈ জন-জীৱনৰ চিৰ সুন্দৰৰ পূজাৰী। জীৱনৰ প্ৰথম পদক্ষেপতে সমাজবাদী চিন্তাৰে উদ্বুদ্ধ হৈ, নিপীড়িত শ্ৰমিক-কৃষকৰ আৰু আমাৰ সমাজৰ নিঃস্ব জনগণৰ আৰ্তনাদ শুনি শোষিত জনগণৰ মুক্তিৰ পথ বিচাৰি বিযুও ৰাভাই চিঞৰি উঠিছিল— 'দুৰ্বল মৰ্মৰ নয়নৰ কোপানল শুনা...'। ৰাভাই সুৰৰ দেউলৰ দুষ্কৃতি নাশিবলৈ সংস্কৃতিৰ প্ৰতীক আমোঘ অস্ত্ৰ হিচাপে বাছি লৈছিল তমোহৰদেউ ৰুদ্ৰৰূপী শিৱক। সেয়েহে তেওঁ তাণ্ডৱ নৃত্যৰে তমোহৰদেউক দুষ্কৃতিৰ কলীয়া ডাৰৰ নাশিবলৈ আহ্বান জনাইছিল। তেওঁ উপলব্ধি কৰিছিল আৰু মনত অযুত সপোন জাগিছিল - সমাজখন গঢ়িবলৈ শ্ৰমিক-কৃষক অবিহনে সমাজ জীৱনৰ প্ৰকৃত খনিকৰ কোন হ'ব। সেইসকলৰ ওপৰত শোষণৰ ব্যৱস্থাই সমাজ গঢ়ি উঠিব তাক তেওঁ কোনোৰকম স্বীকাৰ কৰিব নোৱাৰে। সেয়েহে এখন শোষণহীন সমাজৰ মনে-প্ৰাণে কামনা কৰিছিল। দেশৰ শাসকৰ, ক্ষমতাৰে বলীয়ান হোৱা নেতাৰ শাসন, দুৰ্নীতি আদি দলিয়াই ভাঙি-ছিঙি নিৰ্যাতিত, নিপীড়িতক উদ্ধাৰৰ বাবে বিদ্ৰোহ কৰিছিল। দেশবাসীক ইয়াৰ বিৰুদ্ধে জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল। প্ৰকৃতিৰ মুক্ত প্ৰকাশ, পোৱা-নোপোৱাৰ বেদনা আদি সকলো মিলিয়েই জীৱনে পূৰ্ণতা লাভ কৰে। কলাগুৰুৱে তেওঁৰ সংঘাতপূৰ্ণ জীৱনত কাহানিও সুখ-স্বাচ্ছন্দ্যৰ ৰূপালী নাওখন দূৰ সুদূৰলৈ উটুৱাই দি যেন শান্তিৰ হুমুনিয়াহ কাঢ়িছে। ৰূপালী নাৱৰ সেই অভিনৱ সুখ-সমৃদ্ধি নিবিচাৰি কেৱল জনমানসৰ মাজতে থাকিব বিচাৰিছিল। তেওঁ ভালকৈ উপলব্ধি কৰিছিল যে তেওঁ বিপ্লৱ কৰি অসমত কাৰণ ইয়াৰ সংস্কৃতি, সভ্যতা, বুৰঞ্জী, অৰ্থনীতি, ভৌগোলিক পৰিৱেশ আদি সম্পৰ্কে সুস্থ বিজ্ঞানসন্মত ধ্যান-ধাৰণা উলিয়াই ল'ব নোৱাৰিলে কেৱল কাৰোবাৰ পৰা ধাৰ কৰা সূত্ৰৰে বিপ্লৱ হ'ব নোৱাৰে। সেয়ে জনতাৰ এজন জনতা হৈয়ে ওচৰ চাপিছিল। তেওঁ জানিছিল যি সংস্কৃতিক বিপ্লৱী কৰ্মীৰ জনগণৰ লগত সম্পৰ্ক নাই, তেওঁ সৈন্যবিহীন সেনাপতিৰ দৰে। সেয়ে হয়তো স্বাধীন চৰকাৰৰ কোপ দৃষ্টিৰ পৰা নিজেই ৰক্ষা কৰিবলৈ আত্মগোপন কৰি থকা সেইখিনি সময় আছিল গুৰুত্বপূৰ্ণ। য'তে আছিল তাতেই গাঁৱৰ ল'ৰা-ছোৱালীৰ গীত-নাচ শিকোৱাৰ লগতে শিল্প চৰ্চাত আত্মনিয়োগ কৰিছিল। মুঠতে তেওঁ সোঁতৰ বিপৰীতে খোজ দিয়া এক অতিমানৱ। লগতে মানৱতাবাদী। জীৱনৰ মানৱৰ মুক্তিৰ বাবে উচৰ্গা কৰা মানৱ। মানৱৰ মুক্তিৰ পথ শক্তিৰ সন্ধানকাৰী বিপ্লৱী এজন কাৰো লগতেই আপোচ নকৰা আপোনভোলা স্বাধীনচিতীয়া লোক। কোনো গতানুগতিকাই বান্ধি ৰাখিব নোৱৰা পূৰ্ণাংগ মানুহ। ব্যক্তিগত জীৱনৰ ঘাত-প্ৰতিঘাতৰ প্ৰেম, ভালপোৱা ঢাকি ৰাখি ৰাভাই বিচৰা নাছিল- নিজকে ফাঁকি দিবলৈ। শেষ জীৱন আছিল অতিশয় বেদনাদায়ক। ঊনৈশ শ সত্তৰ চনৰ বিছ জুনত শেষ নিশ্বাস এৰি বিপ্লৱৰ ধ্বজা বিজয়ী এক অগ্নি শিখাৰ চাকি গছি নুমাই গৈছিল। কিন্তু বিযুও ৰাভা নামৰ বিপ্লৱী সত্তাটোৰ মৃত্যু নাই। সঁচাই এই কুৰুক্ষেত্ৰ, মৰাথলী, তুমি ম্ৰিয়মান, তুমি ক্লান্ত অথচ বীৰৰ দৰে অপৰাজেয় তোমাৰ উদ্যম। আমিও একেই সুৰেৰে স্মৰণ কৰি অপাৰেজয় তোমাক উদ্দাম চালাম।

■ প্ৰসংগ ঃ বিষ্ণুপ্ৰসাদ ৰাভা আৰু নতুন পুৰুষ ■

# বিহুৰ তলীত চিফুং বাঁহীৰ কৰুণ সুৰ



■ বিমান শইকীয়া

সেই দিনটো আছিল ১৯৬৯ চনৰ ২০ জুন। বিযুওপ্ৰসাদ ৰাভাই ঠিকেই ৰচনা কৰিছিল— এয়ে মোৰ শেষ গান, মোৰ জীৱন নাটৰ শেষ ৰাগিণী কল্যাণ খৰমান। পাতনিতে বালো ধেমালি নান্দি, ভংগী সূত্ৰ ধাৰ, হাঁহি বিননিৰে ভাও দিলো নানা, বোৱালো অশ্ৰু ধাৰ, নৱ নৱ ৰসে বালো ভাওনাও, আশাৰ নিৰাশাৰ, আজি হ'ব মোৰ জীৱন নাটৰ ভাওনাৰ অৱসান। এই গানৰ মৰ্ম ভেদী বিযুওপ্ৰসাদ ৰাভা গুচি গ'ল দূৰ-দূৰণিলৈ। চকুৰে নেদেখা কাণেৰে নুশুনা বহু দূৰ-দূৰণিলৈ। তেওঁৰ মৃত্যু তিথি আজিকালি খুব ধুমধামেৰে ৰাজকীয়ভাৱে অসম চৰকাৰৰ তৰফৰ পৰা, অসম সাহিত্য সভাৰ তৰফৰ পৰা ২০ জুনত বিযুওপ্ৰসাদ ৰাভা দিৱস উলহ-মালহেৰে পালন কৰে। সদৌ অসম ছাত্ৰ সন্থাই, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ইত্যাদি অসমৰ নানান দল-সংগঠনে নতুন প্ৰজন্মৰ সন্মুখত বিযুওপ্ৰসাদ ৰাভাৰ মৃত্যু দিন উদ্‌যাপন কৰে। গীত-মাতবোৰ আওৰাই কণ্ঠদান কৰে প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰে নতুন পুৰুষে, কবিতাৰ আখলত বিযুওপ্ৰসাদ ৰাভাৰ কবিতাৰ প্ৰতিযোগিতাও হয়। সুৰেৰে উপচি পৰা দিচাংমুখৰ দুনিশা বিযুওপ্ৰসাদ ৰাভাৰ গীতেৰে মুখৰ হয় অসমৰ আকাশ-বতাহ। কলাগুৰু বিযুওপ্ৰসাদ ৰাভাৰ গীত-মাতবোৰ ভাল পায় বৌদ্ধিক পৰিমণ্ডলতো। কিন্তু বিযুওপ্ৰসাদ ৰাভাৰ ৰাজনৈতিক আদৰ্শ, মতবাদ আৰু তেওঁৰ দৰ্শন ভাল নাপায়। গান-বাজনাৰ, কবিতাৰ, নাটকৰ, গল্প-প্ৰবন্ধ, উপন্যাসৰ মাজত নিজকে পাহৰি যায় বৌদ্ধিক শিকলিডাল মেৰিয়াই বান্ধ খাই, কমিউনিষ্ট বিযুওপ্ৰসাদ ৰাভাক লেই লেই চেই চেই কৰে স্থিতাৱস্থাৰ স্তাৱকসকলে। তেওঁলোকৰ ঐতিহাসিক ভাববাদী দৰ্শনৰ অদূৰদৰ্শিতাৰ ফলত বিযুওপ্ৰসাদ ৰাভাক ভাগ ভাগ কৰি এইজন আমাৰ বিযুওপ্ৰসাদ ৰাভা, সেইজন তোমালোকৰ বিযুওপ্ৰসাদ ৰাভা ইত্যাদি ইত্যাদি। কাজেই এই ধনী মহাজন জমিদাৰসকলৰ সন্মুখত বিযুওপ্ৰসাদ ৰাভাৰ মতাদৰ্শক, তেওঁৰ সাম্যবাদৰ সাধনাত কমিউনিষ্টৰ ভূত দেখে পুঁজিপতি সাম্ৰাজ্যবাদীৰ দালালহঁতে। বিযুওপ্ৰসাদ ৰাভাৰ মৃত্যুত এইসকল ধনীৰ দুলালে চকুপানী টুকিবলৈ মন নকৰিলে। হয়তো বিযুওপ্ৰসাদ ৰাভা কমিউনিষ্ট হোৱাৰ কাৰণেই তেওঁলোকে ভয় কৰিলে, নহ'লে প্ৰয়োজনবোধ নকৰিলে। বিযুওপ্ৰসাদ ৰাভাৰ চিকিৎসাৰ নামত ৫ হাজাৰ টকা সাহায্য দিছিল বুলি শুনা যায়। আনহাতে, কমিউনিষ্ট বিযুওপ্ৰসাদ ৰাভাৰ মূৰৰ দাম ১০ হাজাৰ টকা বুলিও ঘোষণা কৰিছিল বুলি জনা যায়।

বিযুওপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল বৰ্তমানৰ বাংলাদেশৰ ঢাকাত ১৯০৯ চনৰ ৩১ জানুৱাৰীত। তেওঁৰ দেউতাক গোপাল চন্দ্ৰ ৰাভা (মুছাহাৰী) ইংৰাজৰ সৈন্য বাহিনীৰ উচ্চপদস্থ বিষয়া আছিল। কাজেই বিযুওপ্ৰসাদ ৰাভাই সৈনিক স্কুলত প্ৰাথমিক বিদ্যালয়ত ভৰ্তি হৈছিল। অৱশ্যে ১৯২৬ চনত তেজপুৰ হাইস্কুলৰ পৰা দৰং জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ কাৰণে তেওঁক কুইন এমপ্ৰেছ সন্মান প্ৰদান কৰিছিল। বিযুওপ্ৰসাদ ৰাভাই ভিক্টোৰিয়া কলেজত পঢ়িছিল। তাতেই বিযুওপ্ৰসাদ ৰাভাই ইংৰাজৰ ইউনিয়ন জেক নমাই আনি কংগ্ৰেছৰ পতাকা উৰুৱাই দি কলেজৰ বেৰত লিখিছিল - ৰাজ্যে আছে দুইটি পঠা, একটু কালা একটু সাদা, ৰাজ্যেৰ যদি মংগল চাও, দুইটি পঠাই বলি দাও। ভাৰতৰ স্বাধীনতা আন্দোলনত বিযুওপ্ৰসাদ ৰাভাই সহযোগ কৰিছিল। ১৯৪৫ চনত তেওঁ ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টীত যোগদান কৰিছিল (আৰচিপিআই)। বিযুওপ্ৰসাদ ৰাভাই অসমৰ হালোৱাৰ, হজুৱাৰ, শ্ৰমিক-কৃষকসকলৰ, খিলঞ্জীয়াৰ দুখ-যন্ত্ৰণাৰ ওৰ পেলাই নতুন অসম গঢ়িম বুলি দেহে-কেহে খাটিছিল। তেওঁ ভাৰতৰ স্বাধীনতাক প্ৰকৃত স্বাধীনতা নহয় বুলি ঘোষণা কৰিছিল। বিদেশী পুঁজিপতিৰ হাতৰ পৰা, দেশীয় পুঁজিপতিৰ নিয়ন্ত্ৰণত ৰাজনৈতিক অৰ্থনৈতিক ব্যৱস্থাৰ চকৰি ঘূৰিছিল। যিটো মেহনতী মানুহৰ মতাদৰ্শক মেহনতী মানুহৰ মুক্তিৰ পথ বুলি জানিও নজনাৰ ভাও ধৰিছিল। এনে পৰিস্থিতিৰ দোমোজাত বিযুওপ্ৰসাদ ৰাভাই অসমৰ খিলঞ্জীয়াৰ দুখ-যন্ত্ৰণাৰ ওৰ পেলাবলৈ সংকীৰ্ণতাৰ আশ্ৰয় লোৱা নাছিল। সশস্ত্ৰ সংগ্ৰামৰ সংকল্প গ্ৰহণ কৰিছিল আৰ চি পি আই দলৰ নেতৃত্বই। কিন্তু পৰিৱৰ্তনশীল চেতনাৰে বিযুওপ্ৰসাদ ৰাভাই ১৯৫৭ চনত ভাৰতৰ কমিউনিষ্ট পাৰ্টীত যোগদান কৰে। মহাত্মা গান্ধীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা আন্দোলনত যোগদান কৰিছিল যদিও কংগ্ৰেছৰ অৰ্থনৈতিক সূত্ৰ জনসাধাৰণৰ মংগল তাত নিহিত নাছিল বুলি বিযুওপ্ৰসাদ ৰাভাই উপলব্ধি কৰিব পাৰিছিল। বিযুওপ্ৰসাদ ৰাভাৰ গীত-মাত, নৃত্য, নাটক, গল্প-প্ৰবন্ধ, কবিতা, উপন্যাস ইত্যাদিৰ প্ৰতিটো সত্যক মাৰ্ক্সবাদৰ ইংগিত বহন কৰিছিল। এই পৰম সত্যক নতুন প্ৰজন্মৰ সন্মুখত উপস্থাপন কৰা নাছিল। পৃথিৱী সম্পৰ্কে বিযুওপ্ৰসাদ ৰাভাই কৈছিল— The Philospphers have only interpreted the world in various ways, the point, however, is to change it. এই কথাষাৰৰ তাৎপৰ্য সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত প্ৰাসংগিক হয়নে নাই, সেইটো সাম্প্ৰতিক অসমৰ ৰাজনৈতিক ইতিহাসত বিশ্লেষণ কৰিলেই বুৰ্জোৱা ৰাজনীতিৰ চৰিত্ৰ উদং হৈ পৰিব। শিৱৰ তাণ্ডৱ নৃত্য পৰিৱেশন কৰিছিল বিযুওপ্ৰসাদ ৰাভাই। ৰুছ নৃত্য পটিয়সী আনাটোলা পাভালোভে তেওঁৰ নৃত্য উপভোগ কৰি ভূয়সী প্ৰশংসা কৰিছিল। বিযুওপ্ৰসাদ ৰাভাৰ নৃত্য উপভোগ কৰি পৰম সন্তোষ প্ৰকাশ কৰিছিল কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সৰ্বপল্লী ৰাধাকৃষ্ণণে। ১৯৩৯ চনত বিযুওপ্ৰসাদ ৰাভাক তেওঁ কলাগুৰু উপাধি প্ৰদান কৰিছিল বুলিও জনা যায়। মনকৰিবলগীয়া বৈশিষ্ট্য হল যে কমিউনিষ্ট বিযুওপ্ৰসাদ ৰাভাক কিন্তু ৰাজনৈতিক প্ৰেক্ষাপটত ভাৰতৰ অথবা অসমৰ জনসাধাৰণৰ সন্মুখত মতাদৰ্শগতভাৱে শলাগ লোৱাৰ উদাহৰণ বিচাৰি চলাথ কৰিও পোৱা নাই। বিযুওপ্ৰসাদ ৰাভাৰ কবিতাৰ ছন্দত যেনেকৈ সমাজ পৰিৱৰ্তনৰ মৌলিক বৈশিষ্ট্য লুকাই থাকে, ঠিক তেনেদৰেই নৃত্য-গীত, গল্প, উপন্যাস, নাটক ইত্যাদি প্ৰত্যেকেই জনসাধাৰণৰ সমস্যাৰ সমাধান সূত্ৰ যে মাৰ্ক্সবাদ, সেই কথা তেওঁৰ সৃষ্টিৰ মৌলিক বৈশিষ্ট্য আছিল। ১৯৬২ চনত ভাৰত-চীন সংঘৰ্ষৰ সময়ত বিযুওপ্ৰসাদ ৰাভাক স্বাধীন ভাৰতৰ গণতান্ত্ৰিক চৰকাৰে জে'লত নিক্ষেপ কৰিছিল। কাৰণ তেওঁক চীনপন্থী কমিউনিষ্ট বুলি দোষাৰোপ কৰিছিল। আনহাতে, বিযুওপ্ৰসাদ ৰাভাই ১৯৫৭ চনত অসম বিধানসভাৰ নিৰ্বাচনত বৰপেটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতাত নামিছিল। কিন্তু বৰপেটাৰ ৰাইজে কমিউনিষ্ট বিযুওপ্ৰসাদ ৰাভাক নিৰ্বাচিত নকৰিলে। সেই একেজন বিযুওপ্ৰসাদ ৰাভাক ১৯৬৭ চনত অসম বিধানসভাৰ নিৰ্বাচনত তেজপুৰ সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত নামিছিল। এইবাৰ তেওঁ বিধায়ক হিচাপে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। কাৰণ এইবাৰ তেওঁ কমিউনিষ্ট বিযুওপ্ৰসাদ ৰাভা নাছিল, নিৰ্দলীয় বিযুওপ্ৰসাদ ৰাভা আছিল। ১৯৬৮ চনত কোকৰাঝাৰ সমষ্টিৰ পৰা লোকসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাত নামিছিল যদিও পৰাস্ত হৈছিল বিযুওপ্ৰসাদ ৰাভা। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই বিযুওপ্ৰসাদ ৰাভাৰ জীৱনৰ ৰাজনৈতিক দৰ্শন আৰু বাস্তৱৰ সমাজ জীৱনত তেওঁৰ প্ৰাসংগিকতাৰ গুৰুত্ব সম্পৰ্কত এটা কবিতা ৰচনা কৰিছিল। এটা বিখ্যাত কবিতা— বিযুওৰাভা এতিয়া কিমান ৰাতি।

বিযুওৰাভা এতিয়া কিমান ৰাতি
তুমি সাৰে আছা সাৰে আছো আমি
আৰু সাৰে আছে প্ৰীতি
বিহুৰ তলীত চিফুং বাঁহীৰ কৰুণ সুৰ
বড়ো গাভৰুৰ নাচোনৰ তাল ভাগে।
জনতাৰ চকু চকুৰ পানীৰে পূৰ।
মাজনিশা কোনে ৰাজআলিয়েদি আক্ষেপ কৰি যায়,
'বিযুও ৰাভা আৰু নাই।'
নিজান চেলত তুমি সাৰে আছা
সাৰে আছে ক্ৰুৰ ইটাৰ দেৱাল
বন্দী তোমাৰ কণ্ঠৰ সুৰ
নাচোনৰ লয়লাস
তুমি সাৰে আছা, সাৰে আছে আৰু
জাগ্ৰত জনতা, নিদ্ৰাবিহীন ৰাতি।
বিযুও ৰাভা এতিয়া কিমান ৰাতি?
বিহু পথাৰত ৰৈ আছো আমি
ৰৈ আছে এয়া মনোৰমা সখী
ৰাজপথ জুৰি নৱ-উন্মেষ ধ্বনি
হেজাৰজনৰ অবিৰাম কুৰুলি
সকলোৰে মুখ প্ৰশ্ন মুখৰ আজি ই বিহুৰ ৰাতি
'কাৰাগাৰৰ দ্বাৰ কেতিয়া মুকলি হ'ব?'
বন্দী সৃষ্টিয়ে কেতিয়ানো প্ৰাণ পাব?
প্ৰাণহীন আজি গীত-মাত-সুৰ
প্ৰাণহীন বিহুতলী
বন্দী শিল্পীৰ বেদনাত জাগে
ৰঙা জীৱনৰ উন্মাদনা
সঁচা আৱেগৰ ৰোল
মাজনিশা কোনে মৰিশালি জুৰি চিঞৰি উঠে
'কল্লোল বন্ধু, জীৱনৰ কল্লোল
ডাচ কেপিটেলৰ এঘাৰ পৃষ্ঠা বাকী
মাজনিশা কোনে ত্ৰিনয়নে পঢ়ে
পোহৰ পোহৰ উদয়াচলত ৰবি
নৱ-জীৱনৰ প্ৰৱেশ দ্বাৰত ইতিহাস ৰ'ল সাক্ষী। —ড° ভট্টাচাৰ্যৰ

এই কালজয়ী কবিতাটিৰ মাত্ৰ কেইটামান পংক্তি দাঙি ধৰিলো। বিযুওপ্ৰসাদ ৰাভাৰ জীৱন সংগ্ৰামৰ এখন ছবি এই কবিতাটিৰ মাজত লুকাই আছে। বাকী থকা ডাচ কেপিটেলৰ এঘাৰ পৃষ্ঠা আজিও বাকী হৈয়ে আছে। জাগ্ৰত জনতাৰ নিদ্ৰাবিহীন ৰাতি আজি মৰীচিকাত পৰিণত হৈছে। মৰিশালিত নিস্তব্ধতাই বিৰাজ কৰিছে। বন্ধুৰ কল্লোল নাই জীৱনৰ আঁহে আঁহে কোঁহে কোঁহে। ৰঙা জীৱনৰ উন্মাদনাই চট্‌ফটাইছে। সঁচা আৱেগৰ ৰোল নিমাত-নিতাল। আক্ষেপ নাই কাৰো ৰাজপথত কিম্বা বিহুৰ তলীত। আমি চিঞৰিছো মাথোঁ 'বিযুও ৰাভা আৰু নাই' কিন্তু প্ৰাণহীন আজি গীত-মাত-সুৰ। বিহুৰ তলীত চিফুং বাঁহীৰ কৰুণ সুৰত হয়তো আজি বড়ো গাভৰুৰ নাচোনৰ তাল নাভাগে। অসমৰ ৰাজনীতিত জনতাৰ কল্লোল শুনিছো। কিন্তু বিযুওপ্ৰসাদ ৰাভাৰ শ্ল'গান শুনা নাই সেই কল্লোল ধ্বনিত। অসমৰ নতুন পুৰুষে যুক্তিৰ আধাৰত বিযুওপ্ৰসাদ ৰাভাক এপলক উভতি চাবনে বাৰু? ৰাভাৰ জীৱন সংগ্ৰামৰ ৰঙা স্বেচ্ছা তিৰবিৰাই থকা কালজয়ী গীত-মাত-নৃত্য কবিতাৰ মৰ্ম বেদনাক অসমৰ বৌদ্ধিক পৰিমণ্ডলত ৰাজনৈতিক প্ৰেক্ষাপটত নতুন পুৰুষে নিৰ্যাতিত, নিপীড়িতসকলৰ হকে পৰিৱৰ্তনৰ বাবে ৰাজনৈতিক গণতান্ত্ৰিক আন্দোলন শক্তিশালী কৰিবলৈ ২০ জুনৰ ৰাভা দিৱসত নতুন পুৰুষে পুৰণি পুৰুষক একত্ৰিত কৰি সংকল্প গ্ৰহণ কৰাৰ সময়। বিযুওপ্ৰসাদ ৰাভাৰ মহাপ্ৰয়াণৰ ৫৩ বছৰত বিযুওপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শনৰ সঠিক মূল্যায়ন হওক।

# বিপ্লৱী শিল্পী বিষ্ণু ৰাভা

## এটি চমু অৱলোকন

■ ধ্ৰুৱজ্যোতি বৰুৱা

অসমৰ ক্ষণজন্মা পুৰুষসকলৰ ভিতৰত বিযুওপ্ৰসাদ ৰাভা এক অনন্য প্ৰতিভূ। যাৰ চিন্তা-চেতনা আৰু কৰ্মৰাজিৰ মাজেদি প্ৰকাশ পাইছিল এক বিৰল ব্যক্তিত্বৰ অধিকাৰীৰে ভাস্বৰ এজন বিপ্লৱী শিল্পীৰ স্বকীয় সত্তা। ৰাভাৰ সাংস্কৃতিক মনটোৰ আঁৰত লুকাই থকা বিপ্লৱী সত্তাক নিৰ্মোহ দৃষ্টিভংগীৰে অৱলোকন কৰিলেহে ৰাভাক প্ৰকৃত মূল্যায়ন কৰা হ'ব। তদানীন্তন অসম তথা ভাৰতৰ অৰ্থনৈতিক-ৰাজনৈতিক তথা সামাজিক পৰিৱেশৰ মাজৰ পৰা জনতাৰ মুক্তিৰ গান গাব বিচৰা বিযুওপ্ৰসাদ ৰাভাই তেতিয়াই যিখন সমাজৰ সপোন দেখিছিল, সেই সপোনে আজিও বাস্তৱ ৰূপ পাবলৈ শাসক শ্ৰেণীয়ে সদায় প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। এনে প্ৰেক্ষাপটত ৰাভাৰ দৰ্শন আৰু সংগ্ৰামী নীতি-আদৰ্শ আজিৰ সময়ত অধিক প্ৰাসংগিকহে হৈ পৰিছে। স্বাভাৱিক দৃষ্টিত বিযুও ৰাভা সকলোৰে 'কলাগুৰু' হিচাপে সৰ্বজনস্বীকৃত আৰু নমস্য। কিন্তু বিপ্লৱী ৰূপত ৰাভাক আজিও চৰ্চা নোহোৱা দিশটোৰ আঁৰত শোষক তথা ধনিক শ্ৰেণীটোৰ ন্যস্ত স্বাৰ্থহে জড়িত হৈ আছে। ৰাভাৰ জীৱন-চৰ্যা, দৰ্শন আৰু সমকালীন সামাজিক ব্যৱস্থাৰ পটভূমিত তেওঁৰ শিল্পীসত্তাক বিশ্লেষণ কৰাৰ সমান্তৰালভাৱে কলমৰ মাজেদি তেওঁৰ সৃষ্টিৰাজিত প্ৰকাশ পোৱা বৈপ্লৱিক চিন্তা-দৰ্শনক আজিও বহুজনে উপেক্ষা কৰি অহাৰ ফলত ৰাভা নতুন প্ৰজন্মৰ মাজত প্ৰকৃত বিপ্লৱীৰ ৰূপত প্ৰাণ পাই উঠিবলৈ সক্ষম নহ'ল। ৰাভাৰ জন্ম হৈছিল ১৯০৯ চনত, ঢাকাত। ১৯০৫ চনত হোৱা ৰুছ বিপ্লৱৰ ফলত সাধাৰণ শ্ৰমিক-কৃষকৰ উত্থান আৰু ১৯০৬ চনৰ ইতিহাসপ্ৰসিদ্ধ বংগ ভংগ আন্দোলনত ৰুছ বিপ্লৱৰ পৰোক্ষ প্ৰভাৱে সম্ভৱতঃ কিশোৰ ৰাভাৰ জীৱনত প্ৰথমৰ বাবে বৈপ্লৱিক চেতনা জাগ্ৰত কৰিছিল। ১৯১৭ চনৰ ৭ নৱেম্বৰত সংঘটিত হোৱা ছোভিয়েট সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰভাৱ বিশ্বৰ শ্ৰমিক আৰু উপনিৱেশিক দেশবোৰত বাৰুকৈয়ে পৰিছিল। ছোভিয়েট বিপ্লৱৰ প্ৰভাৱ সম্পৰ্কে যাতে ভাৰতৰ শোষিত জনতাই জানিব নোৱাৰে, তাৰ বাবে সেই সময়ৰ ভাৰতৰ সাম্ৰাজ্যবাদী ইংৰাজে লেনিন অথবা মাৰ্ক্সৰ সকলো লেখা প্ৰচাৰৰ বন্ধ কৰি দিছিল। কিন্তু লেনিনৰ নেতৃত্বত চলা বিপ্লৱে যে ইতিমধ্যে সফলতা লাভ কৰিছে, সেই কথা ভাৰতৰ সাধাৰণ জনতাই জানিব পাৰিছিল। তাৰেই প্ৰেৰণাত একাংশ বিপ্লৱীয়ে ইংৰাজ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ হাতত অস্ত্ৰ তুলি লৈছিল। ইতিমধ্যে সণ্ঢালনিকৈ আৰম্ভ হোৱা ভাৰতীয় নৱজাগৰণৰ আদৰ্শই ৰাভাৰ চিন্তা-চেতনাক প্ৰভাৱ বিস্তাৰ কৰিছিল। ইউৰোপীয় নৱজাগৰণৰ অন্যতম বৈশিষ্ট্য আছিল প্ৰাচীন গ্ৰীক পুথিসমূহৰ উদ্ধাৰ। অসমতো এই নৱজাগৰণৰ বতাহজাকে প্ৰাচীন সাহিত্য-সংস্কৃতিক পুনৰুদ্ধাৰৰ বাবে এক ঐতিহ্য চেতনা আনে। ছল্লিশৰ দশকৰ আগলৈকে জোনাকী যুগৰ এই ঐতিহ্য প্ৰীতিত আকণ্ঠ নিমজ্জিত হৈ বিযুওপ্ৰসাদ ৰাভাই এক উগ্ৰ জাতীয়তাবাদী আদৰ্শৰে কেৱল অসম তথা অসমীয়াৰ উন্নতি বা বিকাশৰ কথাহে গীতে-মাতে প্ৰকাশ কৰিছিল। ঐতিহ্যৰ ভেটিতেই যে প্ৰগতি সম্ভৱ হয়, সেই কথা তেওঁ ভালদৰে বুজিছিল। সেই বাবে ঐতিহ্যৰ শ্ৰেষ্ঠতম প্ৰতিভূ শংকৰদেৱক ৰাভাই নতুন দৃষ্টিৰে চাব বিচাৰিছিল। আনকি, তেওঁ ইউৰোপীয় নৱজাগৰণৰ পুৰোধা লিউনাৰ্ডো-দা-ভিঞ্চীৰ লগত মহাপুৰুষ শংকৰদেৱৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ তুলনা কৰিব বিচাৰিছিল। আশৈশৰ কালৰে পৰা বিপ্লৱী প্ৰেৰণাৰে উদ্বুদ্ধ বিষ্ণু ৰাভাই তেওঁ কলা সাধনাৰ লগতে সমাজ পৰিৱৰ্তনৰ আদৰ্শতো সমানে অচল হৈ অসমৰ গাঁৱে-ভূঞে গৈ নিজকে জনতাৰ মাজত বিলীন কৰি দিছিল। ইতিমধ্যে ১৯২১ চনৰ পৰা অসমত জাতীয় মুক্তি সংগ্ৰামৰ ধাৰাটো ব'বলৈ আৰম্ভ কৰে আৰু এই চনতে প্ৰকাশ পোৱা আলোচনী 'চেতনা'ত ৰুছ বিপ্লৱৰ মুকলি আলোচনাই বিপ্লৱী ৰাভাক অধিক সংগ্ৰামী কৰি তোলাত উদ্‌গনি যোগায়। ৰাভাই পঞ্চাশৰ দশকৰ মাজভাগত কমিউনিষ্ট দলত যোগদান কৰাৰ পাছত তেওঁ মাৰ্ক্সবাদী-লেনিনবাদী আদৰ্শৰে নিজৰ লগতে সমাজখনকো গঢ়িবলৈ দৃঢ়ভাৱে চেষ্টা চলোৱা পৰিলক্ষিত হয়। কমিউনিষ্ট দলত যোগদান কৰাৰ লগে লগে তেওঁৰ কলমত প্ৰাণ পালে—


'কীৰ্তন, দশম, নামঘোষা হওক আমাৰ শৌৰ্য
নাট-গীত-নাম-বৰগীত
হওক আমাৰ তুৰ্য'

ৰাভাই তেতিয়া বুজি উঠিছিল যে সমাজ গঢ়ে কৃষক আৰু শ্ৰমিকেহে। এই কৃষক-শ্ৰমিকক সবল ৰূপত সংগঠিত কৰি বিপ্লৱৰ জৰিয়তে শোষণহীন সমাজ গঢ়িব নোৱাৰিলে শ্ৰমজীৱী লোকৰ প্ৰকৃত সাংস্কৃতিক বিকাশ কেতিয়াও সম্ভৱ নহয়। ৰাভাই এই দৃষ্টিভংগীকে আমৃত্যু গ্ৰহণ কৰি বিপ্লৱী শিল্পীসত্তাক বিভিন্ন ৰূপত প্ৰোজ্বল কৰি তুলিছিল। কোনোদিনে নিজৰ আদৰ্শৰ পৰা আঁতৰি নহা ৰাভাই, আনকি চৰকাৰে বে-আইনী সংগঠন বুলি বন্ধ কৰি দিয়াৰ সময়তো কমিউনিষ্ট দলটোক অধিক শক্তিশালী আৰু গণমুখী কৰি তোলাৰ স্বাৰ্থতে অসমৰ বিভিন্ন জনজাতিসকলৰ মাজত আত্মগোপন কৰি সংগ্ৰামৰ ধাৰাটো অব্যাহত ৰাখিছিল। বে-আইনী সংগঠন হিচাপে সাম্ৰাজ্যবাদী শাসকে কমিউনিষ্ট দলৰ বহু নেতা-কৰ্মীক বিভিন্ন ধৰণেৰে আতিশৰ্য-নিৰ্যাতন চলোৱাৰ পাছতো কিন্তু বিযুও ৰাভা বিপ্লৱী চিন্তাৰ পৰা তিলমানো আঁতৰি অহা নাছিল। বৰঞ্চ এইছোৱা সময়ত তেওঁ পূৰ্বতকৈ অধিক সাৰ্থক আৰু গুৰুত্বপূৰ্ণ গীত আদি ৰচনা কৰিছিল। তেওঁ নিজেই লিখিছে—'মাৰ্ক্সবাদ-লেনিনবাদে মোৰ চঞ্চল-অস্থিৰ শিল্পী জীৱনলৈ আনি দিছে সাগৰ-সংগমৰ পূৰ্ণতা আৰু গভীৰতা।' তেওঁ উপলব্ধি কৰিছিল—'নিম্ন-মধ্যবিত্ত ব্যক্তিৰ আশা-আকাংক্ষা বা আশা ভংগৰ ৰূপকাৰেই শিল্পী নহয়, আত্মপ্ৰকাশেই শিল্পীৰ লক্ষ্য নহয়। জনতাৰ প্ৰাণ স্পন্দন কলাত ফুটাই তোলাজনেহে শিল্পী'। এনে দৃষ্টিভংগীৰে বিযুও ৰাভাই 'চিৰ শাসিত, শোষিত, নিৰ্যাতিত আৰু অত্যাচাৰিত' গণ-জীৱনৰ সম্পদ সংস্কৃতিক সমাজতন্ত্ৰ-সাম্যবাদৰ পোহৰেৰে আলোকিত কৰিবলৈ বিপ্লৱৰ বাট কাটিছিল। এই বিপ্লৱৰ বাটত ৰাভাই ঔপনিৱেশিক শাসকৰ পৰা বহুবাৰ চৰম প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ল। ৰাভাই শোষিত-নিষ্পেষিতজনৰ মুক্তি বিচৰাটোৰেই আছিল শাসকগোষ্ঠীৰ চকুত ডাঙৰ ভুল, !যাৰ বাবে 'কলাগুৰু' ৰাভাক কৰায়ত্ত কৰিবৰ বাবে পুৰস্কাৰ পৰ্যন্ত ঘোষণা কৰি শাসকীয় শ্ৰেণীটোৱে নিজৰ বৰ্বৰোচিত ফেচিষ্ট মানসিকতাৰ পৰিচয় দাঙি ধৰিছিল। অথচ, তেনে এক পৰিস্থিতিতো ৰাভা আদৰ্শত আছিল অটল। বিযুও ৰাভাই মনে-প্ৰাণে বিচৰা এই বৈপ্লৱিক পৰিৱৰ্তনত শাসক তথা সাম্ৰাজ্যবাদী শক্তিবোৰে বিভিন্ন কৌশলেৰে মুক্তিৰ সপোনক ধূলিসাৎ কৰাৰ ষড়যন্ত্ৰ তেতিয়াই যি আৰম্ভ হ'ল, সি আজিও অব্যাহত আছে। আনহাতে, জনতাৰ মুক্তি পিপাসু বিপ্লৱী শিল্পী হিচাপে বিযুও ৰাভাই এচাম সুবিধাবাদী মধ্যবিত্ত প্ৰতিপত্তিশীল বুদ্ধিজীৱীৰ কৱলৰ পৰা ওলাই আহিব নোৱাৰিলে। যাৰ ফলত ৰাভাৰ জীৱনৰ অন্যতম প্ৰধান দিশটো আজিলৈকে যথোপযুক্ত সমাদৰ আৰু স্বীকৃতি লাভ নকৰিলে। কিন্তু সাম্প্ৰতিক সময়ত বিশ্বায়নৰ ধামখুমীয়াত কক্‌বকাই থকা কৃষক-বনুৱা, শোষিত-নিষ্পেষিতজনৰ বাবে বিযুও ৰাভাৰ এই চিন্তা আৰু দৰ্শন আজি অধিক প্ৰাসংগিক হৈ পৰিছে।

ফোন ঃ ৮৬৩৮৩-০৮৯৫২

■ পৰ জনমৰ শুভ লগনত যদিহে আমাৰ হয় দেখা ■

# কলাগুৰুজনাৰ গীতৰ কথাৰে ৰাভাদেৱক সুঁৱৰি



■ দেৱীনা পামেগাম পেগু

*◆ ◆ ◆ ৰাভাদেৱে তেওঁৰ কৃষ্টি আৰু কৰ্মৰ মাজেদি বস্তুনিষ্ঠভাৱে বিশ্লেষণ কৰি নিজক ন-অসমৰ নৱ-জাগৰণৰ সৃষ্টিশালী খনিকৰ ৰূপত প্ৰতিষ্ঠা কৰি গৈছে। বিযুওপ্ৰসাদ ৰাভাৰ জীৱনটোলৈ লক্ষ্য কৰিলে দেখা পাওঁ গীত আৰু সুৰেৰে সজোৱা এখন হৃদয়। জনতাৰ প্ৰেমিক, জনতাৰ শিল্পী। তেওঁৰ গীতৰ প্ৰতিটো শব্দতে নিজক বিচাৰি পোৱা যায়। তেওঁৰ সুৰীয়া গীতৰ অমৃত পান নকৰাকৈ থকা কোনো এজন অসমীয়া নোলাব ◆ ◆ ◆*

কলাগুৰু বিযুওপ্ৰসাদ ৰাভা আমাৰ অসম আৰু অসমীয়াৰ জাতীয় জীৱন আৰু কলা শিল্প-সংস্কৃতিৰ চিৰ প্ৰজ্বলিত এটি বিৰল ব্যক্তিসত্তা। বিযুওপ্ৰসাদ ৰাভা অসমৰ সকলো জাতি, সকলো জনগোষ্ঠীৰ, সকলো ভাষা-ভাষী লোকৰ বাবেই অতি আদৰৰ নাম। তেওঁৰ লগতে যেন মিলিত হৈ আছে বৰণীয়া অসমৰ কলা কৃষ্টি- সংস্কৃতিৰ সেউজীয়া পথাৰখনত, অসমৰ ৰসাল মাটিত, নিপীড়িত জনগণৰ মুক্তিৰ সপোন। তেওঁ অসমৰ বিভিন্ন জনগোষ্ঠী আৰু জাতিসত্তাৰ মাজত ঐক্য-সম্প্ৰীতি প্ৰতিষ্ঠা কৰি মহামিলনৰ সেতু বান্ধিবলৈ বিচাৰিছিল। মহান সংস্কৃতিৱান আজন্ম বিপ্লৱী, ৰাজনীতি, সমাজনীতি, সংস্কৃতিৰ সকলোতে স্বকীয় মহিমাৰে মণ্ডিত বিযুওপ্ৰসাদ ৰাভা। জনতাৰ শিল্পী বিযুওপ্ৰসাদ ৰাভাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে জনগণক জাগ্ৰত কৰিবলৈ হ'লে গণ-সংস্কৃতিৰ মাধ্যমেৰে জনতাৰ প্ৰাণৰ চেতনা জাগ্ৰত কৰিব লাগিব। এগৰাকী প্ৰকৃত শিল্পী, সুন্দৰৰ পূজাৰী, জনসেৱক হিচাপে বিযুও ৰাভাৰ সাধাৰণ লোকক কলা-সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰি প্ৰতিজন নাগৰিকক সংস্কৃতিৱান কৰি তুলিব বিচাৰিছিল।

এইগৰাকী মহান শিল্পীৰ জন্ম হৈছিল পূৰ্বাঞ্চলৰ সাহিত্য - সংস্কৃতি তথা বাণিজ্যিক কেন্দ্ৰ স্বৰূপ ঢাকা মহানগৰীৰ সেনাৰ ছাউনীত ১৯০৯ চনৰ ৩১ জানুৱাৰী বৃহস্পতিবাৰে। তেওঁৰ পিতৃ আছিল গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃ আছিল গেথীবালা ৰাভা। কৃষ্টি-সংস্কৃতিৰ সৈতে মানুহৰ যি সম্পৰ্ক সেয়া তেওঁ উপলব্ধি কৰাইছিল। সকলো প্ৰকাৰৰ শোষণ-নিপীড়নৰ উচ্ছেদ সাধনৰ হকে শিল্পী-সাহিত্যৰ সৰ্বাধিক দায়িত্ব। ৰাভাদেৱে তেওঁৰ কৃষ্টি আৰু কৰ্মৰ মাজেদি বস্তুনিষ্ঠভাৱে বিশ্লেষণ কৰি নিজক ন-অসমৰ নৱ-জাগৰণৰ সৃষ্টিশালী খনিকৰৰ ৰূপত প্ৰতিষ্ঠা কৰি গৈছে। বিযুওপ্ৰসাদ ৰাভাৰ জীৱনটোলৈ লক্ষ্য কৰিলে দেখা পাওঁ গীত আৰু সুৰেৰে সজোৱা এখন হৃদয়। জনতাৰ প্ৰেমিক, জনতাৰ শিল্পী। তেওঁৰ গীতৰ প্ৰতিটো শব্দতে নিজক বিচাৰি পোৱা যায়। তেওঁৰ সুৰীয়া গীতৰ অমৃত পান নকৰাকৈ থকা কোনো এজন অসমীয়া নোলাব। গানৰ শব্দৰ যি অমিয়া ৰস, প্ৰতিটো বাক্যত মৌবৰষে, সকলো শ্ৰেণীৰ লোকৰ হৃদয়ত সুকীয়া স্থান দখল কৰে। সোমাই পৰে দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে। জাগ্ৰত কৰি তোলে নৱ-প্ৰজন্মক। বোৱাই দিয়ে প্ৰেম অমৃতৰ নৈ। গীতৰ মাজত ৰণুৱা, বনুৱা, নিপীড়িত কৃষকৰ, প্ৰকৃতি, প্ৰেম-বিৰহ সকলো প্ৰকাৰৰ গীতেৰে সমৃদ্ধ। বিযুও ৰাভাৰ জীৱন সংগিনী প্ৰিয়লতা ৰাভাৰ অকাল বিয়োগত যেন এগছি প্ৰজ্বলিত দীপশিখা নুমাই তমসাচ্ছন্ন হৈ পৰিছিল তেওঁৰ মন মন্দিৰ, উকা হৈ পৰিছিল হৃদয়ৰ মণিকূট। সেয়ে বিদায়ী প্ৰিয়াৰ শোকত মৰ্মাহত হৈ তেওঁ এটি কালজয়ী গীত সৃষ্টি কৰিছিল। যিটো গীতে আবাল-বৃদ্ধ-বনিতালৈকে সকলোৰে হৃদয় স্পন্দিত কৰি তুলি আহিছে। যাৰ প্ৰতিটো শব্দই চুই যায় হৃদয়ৰ অন্তেষপুৰ। জীপাল হৈ আছে প্ৰতিজন অসম আৰু অসমীয়াৰ হৃদয়ৰ আঁৰে আঁৰে।

'পৰ জনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা
পূৰাবানে প্ৰিয়ে এই জনমত
মোৰ হিয়াৰ অপূৰ্ণ আশা।।
এই জনমৰ কুসুম মালা
গোপনে তুমি ঢাকি ৰাখিলা
তাহানিও তুমি নিপিন্ধালা
শূন্য মোৰ বুকু হ'ল যে উকা।।
এই জীৱনৰ আউসীৰ ৰাতি
চকুলো টুকি যায় যে কাটি
কাহানিও সুখৰ ৰূপহীজনেই
হৃদয়তে জিলিকনি নিবিলায়।।
এই জনমৰ গোপন কথা
বুকুতে থাকি দিয়া যে ব্যথা
কাহানিও তুমি নেদেখিলা
চকুৰ ছবিটি হিয়াত আঁকা।।

কিমান কৰুণ এই গীতৰ কথা। প্ৰতিটো শাৰীয়ে স্পৰ্শী যায় হৃদয়ৰ প্ৰতিটো কোণ। জীৱন সংগিনীৰ বিদায় বেলাত তেওঁৰ কাপেৰে বিৰহৰ গাথাবোৰে সৃষ্টি কৰিছিল কালজয়ী গীতৰ মালা। তেওঁৰ এই গীতৰ আঁত ধৰি এটি চমু বিশ্লেষণ কৰিবলৈ ক্ষুদ্ৰ এটি প্ৰয়াস কৰিলোঁ...

'পৰ জনমৰ শুভ লগত
যদিহে আমাৰ হয় দেখা
পূৰাবনে প্ৰিয়ে এই জনমত
মোৰ হিয়াৰ অপূৰ্ণ আশা'

জীৱশ্ৰেষ্ঠ মানুহৰ আশাৰ অন্ত নাই। নোপোৱাটো পাবলৈ, নেদেখাটো চাবলৈ অহৰহ চেষ্টা কৰে। ঠিক তেনেকৈ কলাগুৰু বিযুওপ্ৰসাদ ৰাভাদেৱৰো আছিল অলেখ সপোন, বহু কাম যিটো এই জনমত তেওঁৰ সহধৰ্মিণীৰ সৈতে মিলি একেলগে পূৰণ কৰিবলৈ সক্ষম নহ'ল। জ্বলোৱা চাকি গছি আদবাটতে নুমাই যোৱাত প্ৰাণ কাতৰি মিনতি কৰিছে যদিহে অহা জনমত কোনোবা এটি শুভ মুহূৰ্তত মৰমী পত্নীয়ে পুনৰ জনম লয় পাৰিব নেকি পূৰণ কৰিবহি তেওঁৰ মনত যিবোৰ আশা, আকাংক্ষা, অপূৰণীয় হৈ ৰ'ল। অপূৰণীয় পতি-পত্নীৰ মাজৰ মধুৰ দিনৰ মধুৰ আলোচ্যবোৰ পুনৰ যাতে দুয়ো মিলি পূৰ্ণ কৰিব পাৰে।

এই জনমৰ কুসুম মালা
গোপনে তুমি ঢাকি ৰাখিলা
কাহানিও তুমি নিপিন্ধালা
শূন্য মোৰ বুকু হ'ল যে উকা

এই জনমত সুগন্ধি কুসুমৰ মালাধাৰি গোপনে ৰাখিলে চেনেহী প্ৰিয়াই। অলেখ ভালপোৱাৰে বুকু ভৰাই ৰাখিও কোনোদিনে বিলাই নিদিলে গুপুতে বুকুত প্ৰেমৰ সুবাস সামৰি গ'লগৈ এসাগৰ মৰম নীৰৱে লৈ। তেওঁ অভিমানী সুৰেৰে মৰমী পত্নীক ক'লে কোনোদিনে তুমি মোক আমাৰ মাজৰ সুগন্ধিৰ মালাধাৰী নিপিন্ধালা। পত্নীবিহীনতা শূন্য বুকুখন বঞ্চিত হ'ল তেওঁৰ উমাল মৰম-স্নেহ সকলো হেৰাই উকা হৈ পৰিল। বুকুৰ আপোনজনৰ এৰি যোৱাৰ শোকে তেওঁক ভিতৰি বিহ্বল কৰি তুলিছিল। প্ৰিয়তমাৰ সেই বিদায়ী পৰৰ যাতনাই তেওঁক অস্থিৰ কৰি তুলিছে কোনোবা মুহূৰ্তত, যি শূন্যতা অনুভৱ কৰিছে সেয়া যেন এই জনমত কাহানিও ঘূৰি নাহিব পূৰ্ণতাপ্ৰাপ্তি হ'বলৈ।

এই জীৱনৰ আউসীৰ ৰাতি
চকুলো টুকি যায় যে কাটি
কাহানিও সুখৰ ৰূপহীজনেই
হৃদয়তে জিলিকনি নিবিলায়

এই জীৱনত ঘন ক'লা আউসীৰ ৰাতিত চকুলো টুকি টুকিয়ে যেন দুখৰ সৈতে মিতিৰালি কৰি তেওঁ পাৰ কৰিছে এটি এটি নিশা। তমসাৰ আৱৰণ ফালি

অমানিশাবোৰ নিলগাই, কোনোদিনে জীৱনত মৰমী সংগিনীয়ে যেন নাহিব এধানি পোহৰ বিলাবলৈ। কাহানিও সেই দিন নাহিব যেন দৰদি পত্নীয়ে দুখবোৰ বিদাৰি, সুখৰ দলিচা পাৰি অমাৱস্যাত জোনাক নমাবলৈ। সুখৰ মুহূৰ্তবোৰ এনেয়ো ক্ষন্তেকীয়া হয়, মাথোঁ দুখৰ ক্ষণবোৰহে নাযায়-নুপুৱাই এটি দীঘলীয়া পৰিক্ৰমা হৈ পৰে।

এইজনমৰ গোপন কথা
বুকুতে থাকি দিয়া যে বেথা
কাহানিও তুমি নেদেখিলা
চকুৰে ছবিটি হিয়াত আঁকা

এই জনমত বহু তেওঁৰ অব্যক্ত হৃদয়ৰ ভাষা, যিবোৰে আজি তেওঁৰ হিয়াৰ মাজত থাকি বহুত আঘাত কৰে। গোপন হৃদয়ৰ কথাবোৰ তেওঁৰ প্ৰিয়তমাই কোনোদিনে দেখি নাপালে। হৃদয়ৰ অন্তঃ কোণত, হৃদয়ৰ গভীৰতাৰ মাজৰ কুৰুকি কুৰুকি নীৰৱে বহু কথা লুকাই থাকিল। প্ৰিয়তমাই কোনোদিনে নেদেখিলে তেওঁৰ মৰমৰ ছবিটি কিদৰে হিয়াৰ মণিকূটত অংকন কৰি ৰাখিছিল। কিমান গভীৰ হ'ব পাৰে সেই প্ৰেম চকুৰ ছবিটি, যাক বুকুত খোদিত কৰিব পাৰে। যাক নেকি কোনেও মচি পেলাব নোৱাৰে। থাকি যায় হৃদয়ৰ বাকৰিত চিৰযুগমীয় হৈ। চুই যায় তেওঁৰ গীতৰ প্ৰতিটো শব্দই প্ৰতিজন মানুহৰ হৃদয়। কিমান গভীৰ তেওঁৰ বাক্যৰ গাঁথনি। কিমান শ্ৰুতিমধুৰ তেওঁৰ মিনাকৰা সৃষ্টিৰ ভাষা। আজি ২০ জুন বিযুওপ্ৰসাদ ৰাভাৰ মত্যু বাৰ্ষিকী। প্ৰতি বছৰে এই দিনটোতে বিযুও ৰাভাৰ প্ৰতি সন্মান জনাই পালন কৰা হয় 'বিযুও ৰাভা দিৱস'। অসমীয়া সাহিত্য-সংস্কৃতিলৈ বিশেষ অৰিহণা আগবঢ়োৱা তথা অসমীয়া জাতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰোৱাত বিযুওপ্ৰসাদ ৰাভা আছিল অন্যতম এজন। এইজনা কলা-সংস্কৃতিৰ সাধক, অসমীয়া সংস্কৃতিৰ পূজাৰী, জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ বাহক বিযুওপ্ৰসাদ ৰাভাদেৱে ১৯৬৯ চনৰ ২০ জুন তাৰিখে এই সংসাৰৰ মায়াৰ বান্ধোন এৰি, অসমীয়া কলা-সংস্কৃতিৰ ভঁৰাল চহকী কৰি গুচি গ'লগৈ অহা বাটেৰে, যুগে যুগে বহু মূল্যৱান গীতৰ সুবাস বিলাই। এই মহান শিল্পীগৰাকীৰ মৃত্যুৰ দিনটোৰ প্ৰতি সন্মান জনাই ৰাভা দিৱস পালন কৰি আহিছে। আমি কেৱল ২০ জুনৰ দিনাই নহয়, অসমীয়া হিচাপে সদায়ে স্মৰণ কৰা উচিত যাৰ অপৰিসীম ত্যাগৰ চানেকি বৈ আছে আমাৰ মাজত বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ বাহক হৈ চিৰ দিন। মোৰ আশা জাগ্ৰত হওক নৱ-প্ৰজন্মৰ মাজতো এই মহান অসমীয়া সংস্কৃতিৰ কাণ্ডাৰীজনৰ প্ৰতি অসীম শ্ৰদ্ধা-ভক্তি, জীয়াই ৰাখক যুগ-যুগান্তৰলৈ সমন্বয় সেতু গঢ়ি তেওঁৰ সকলো সৃষ্টিৰাজিক সংৰক্ষণ কৰি এটা প্ৰজন্মৰ পৰা আন প্ৰজন্মলৈ সোণসেৰীয়া স্মৃতি হয়।

ফোন ঃ ৯৮৬৪১-৬৮৮৬২

■ পশ্চিম নলবাৰীত বানৰ তাণ্ডৱ ■

# বানবিধ্বস্ত অঞ্চল পৰিভ্ৰমণ, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৯ জুন ঃ** নলবাৰী জিলাৰ পশ্চিম নলবাৰী আৰু বানেকুছি ৰাজহ চক্ৰৰ নৈপৰীয়া অঞ্চলৰ বানপৰিস্থিতি বৰ্তমানো অপৰিৱৰ্তিত হৈ আছে। পশ্চিম নলবাৰীৰ প্ৰায় কুৰিখন আৰু বানেকুছি চক্ৰৰ প্ৰায় ১১খন গাঁও চলিত বৰ্ষতে দ্বিতীয়বাৰৰ বাবে ভয়ানকভাৱে বানৰ কবলত পৰিছে। পশ্চিম নলবাৰীৰ ক্ষেত্ৰী, ধৰ্মপুৰ অঞ্চলৰ শোলমাৰা, ঘিলাজাৰী, শুকেকুছি, আমনি, পখুৰা, কঠলা, জোকমাৰী, হেলচা, চৰাবৰী, বৰবিলা, লখোপুৰ, কৈহাটী আদি অঞ্চলত আজিও পানী বাঢ়ি থকাত ৰাইজৰ আলৈ-আথানি হৈছে। আনহাতে, পশ্চিম নলবাৰীৰ ৰূপীয়াবাথান, খাটাৰূপীয়া বাথান, গামাৰিমূৰী, সাহপুৰ, পূৰ্ণি, কুলবিল, ন-পাৰা, খাটনীয়াপাৰা, পহলংপাৰা, মুলাৰকুছি আদি অঞ্চলত বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈয়েই আছে। তেনেদৰে বানেকুছি চক্ৰৰ কৈঠালকুছি, জোৰাৰ্দ্দি, বেছিমাৰী, নাকেৰবাৰী, গৰবেৰ, যাঠিকুছি, মধুপুৰ, লাউৰাপাৰা, বানেকুছি, ফুলগুৰী, গোৰবাদল, জাৰি, আখৰা আদি অঞ্চলতো বানে কাল ৰূপ ধাৰণ কৰাত বৃহত্তৰ অঞ্চলত এক প্ৰকাৰ জল প্ৰলয়ৰ সৃষ্টি হৈছে। বৃহত্তৰ অঞ্চলটোৰ বুঢ়াদিয়া, মৰা পগলদিয়া, কানইখুন্দাৰ ভয়ংকৰ বানে কেইবাঠাইতো মথাউৰি ছিঙিছে। লোকনিৰ্মাণ বিভাগৰ পথ ছিঙি সৰ্বত্ৰে ভয়ানক বানৰ সৃষ্টি কৰিছে। পশ্চিম লবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বন্যাৰ্ত অঞ্চলৰ তিনি সহস্ৰাধিক পৰিয়ালৰ থকা ঘৰৰ ভিতৰত বানৰ পানী সোমোৱাত মৰমৰ ঘৰখন এৰি বেলেগত আশ্ৰয় ল'ব লগা হৈছে। একেদৰে বানেকুছি চক্ৰৰ দুই সহস্ৰাধিক পৰিয়ালৰ থকা ঘৰৰ ভিতৰত বানৰ পানী সোমোৱাত ঘৰ এৰি যাব লগা হৈ পৰিয়ালসমূহ। কালি পুৱাৰে পৰা নিজ সমষ্টিৰ বানেকুছি অঞ্চলৰ বিভিন্ন ঠাইৰ বান পৰিস্থিতি পৰিদৰ্শন কৰি বিয়লি পশ্চিম নলবাৰী অঞ্চলৰ কুলবিল হীৰাপাৰা, সাহপুৰৰ অঞ্চল, শোলমাৰাত বান পৰিস্থিতিৰ বুজ লয় আৰু আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰে। আশ্ৰয় শিবিৰসমূহত সকলো সা-সুবিধা কৰি দিয়াৰো আশ্বাস প্ৰদান কৰে মন্ত্ৰী পাটোৱাৰীয়ে। শুকুৰবাৰে বিয়লি পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হয় আৰু বান ক্ষতিগ্ৰস্তসকলৰ সা-সুবিধা কৰি দিয়াৰ বাবে আলোচনা কৰে। চক্ৰ বিষয়াৰ কাৰ্যালয়ত নলবাৰীৰ উপায়ুক্ত গীতিমণি ফুকন, অতিৰিক্ত উপায়ুক্ত ফিৰদৌছ আলম শ্বেখে মন্ত্ৰী পাটোৱাৰীক সংগ দিয়ে।




## জাঁজীমুখত অগ্নিনিৰ্বাপক বাহিনীৰ উদ্যোগত সজাগতা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৯ জুন ঃ** সম্ভাব্য বান পৰিস্থিতিত হ'বলগীয়া যি কোনো জৰুৰী ক্ষেত্ৰত মোকাবিলা হ'বৰ বাবে শনিবাৰে জাঁজীমুখত টীয়ক অগ্নিনিৰ্বাপক বাহিনীৰ উদ্যোগত এক সজাগতা শিবিৰ অনুষ্ঠিত হয়। ৰাজ্যৰ কেইবাখনো জিলাত বান পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে যোৰহাট জিলাৰ জাঁজীমুখতো ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত সকলো জৰুৰীকালীন সেৱাই ৰাইজ মাজলৈ গৈ আগতীয়া সম্ভাব্য বান পৰিস্থিতিত হ'বলগীয়া যি কোনো জৰুৰী ক্ষেত্ৰত মোকাবিলা হ'বলৈ সজাগতা শিবিৰ অনুষ্ঠিত কৰি আহিছে। সমান্তৰালভাৱে টীয়ক অগ্নিনিৰ্বাপক বাহিনীয়েও উপস্থিত হৈ ৰাইজক সজাগ কৰাৰ উদ্দেশ্য শনিবাৰে বিষয়ববীয়াৰ উপস্থিতিত ৰাইজৰ মাজত এক সজাগতা অনুষ্ঠিত কৰি বানপানীৰ সময়ত হ'বলগীয়া জৰুৰীকালীন দৃশ্যসমূহ বৃস্তিতভাৱে দাঙি ধৰাৰ উপৰি জৰুৰী ক্ষেত্ৰত কেনেদৰে জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰিব লাগে তাক ৰাইজৰ মাজত বিতংভাৱে দাঙি ধৰে।

## বিলাসীপাৰাত বন্যাৰ্তৰ কাষত বিধায়ক ছামছুল হুদা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিলাসীপাৰা, ১৯ জুন ঃ** বিলাসীপাৰাৰ হাকামা, লক্ষীগঞ্জ, উদমাৰী, চিৰাকুটা আৰু ফুটকিবাৰী আদি অঞ্চলৰ বান পৰিস্থিতিৰ বুজ লয় বিধায়ক হুদাই। বন্যাৰ্ত জনতাৰ ক্ষয়-ক্ষতিৰ বুজ লৈ বিধায়কগৰাকীয়ে বন্যাৰ্তৰ মাজত অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী বিতৰণ কৰে। বিধায়ক হুদাই ধুবুৰী আৰু বিলাসীপাৰা মহকুমা প্ৰশাসনক তীব্ৰ ভাষাৰে সমালোচনা কৰে। বিধায়ক ছামছুল হুদাই কয় যে- ধুবুৰী জিলা প্ৰশাসন আৰু বিলাসীপাৰা মহকুমা প্ৰশাসন বৰ্তমান আৰু প্ৰশাসন হৈ থকা নাই, বিজেপিৰ কৰ্মী হৈ কাম কৰি আছে। ধুবুৰী জিলাৰ উপায়ুক্তক অতি শীঘ্ৰে চৰ অঞ্চলৰ বান পানী পৰিদৰ্শন কৰি বান সাহায্যৰ ব্যৱস্থা কৰিবলৈ দাবী জনায় বিধায়ক ছামছুল হুদাই।

## মৰনৈৰ বাঢ়নী পানীত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওমৰনৈ, ১৯ জুন ঃ** দেওমৰনৈৰ মৰনৈৰ বাঢ়নী পানীত আজি পুৱাতে এটি মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো পাতিদৰং গাঁৱৰ হৰেন ডেকাৰ (৬০) বুলি চিনাক্ত কৰা হৈছে। দেওমৰনৈৰ হাস্পতাল চ'কত দীৰ্ঘদিন ধৰি চাহ হোটেলৰ ব্যৱসায় কৰা হৰেন ডেকাই পুৱাতে প্ৰাতঃ কৰ্মৰ বাবে ওলাই আহিছিল। হোটেল খোলা অৱস্থাত ৰাখি ওলাই অহা ডেকা উভতি নোযোৱাত বিচাৰি গৈ নাতিদূৰৈত থকা মৰনৈৰ কাষৰ বাঢ়নী পানীত ওপঙি থকা অৱস্থাত উদ্ধাৰ কৰে। অবিবাহিত অমায়িক ডেকাৰ মৃত্যুত অঞ্চলটিত শোকৰ ছাঁ পৰিছে। ঘটনাস্থলীত পাথৰিঘাট আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

## নলবাৰী জিলাৰ দক্ষিণ কাশীমপুৰত ভয়ানক বানপানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৯ জুন ঃ** চৈধ্য জুনৰ পৰা হোৱা নেৰানেপেৰা বৰষুণ বাবে নলবাৰী জিলাৰ বিভিন্ন স্থানত বানে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ ফলত বানপীড়িত ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। জিলাখনৰ কাশীমপুৰত, সৰিয়হতলীত, চেঞ্চাৰঘাত, বানেকুছি আদি ঠাইত বানৰ প্ৰকোপ বৃদ্ধি পাইছে। বিশেষকৈ চেঙনৈ আৰু বুঢ়াদিয়াৰ পানীয়ে উক্ত ঠাইসমূহ জলমগ্ন কৰি তোলে। জলমগ্ন ঠাইসমূহৰ বহুসংখ্যক বাসিন্দাই বিদ্যালয় আদিত আশ্ৰয় ল'ব লগা হৈছে। জিলাখনৰ কাশীমপুৰ গাঁৱৰ দক্ষিণ প্ৰান্তত বুঢ়াদিয়াৰ পানীয়ে বহু ক্ষতি কৰিছে। বিশেষকৈ কঠীয়া অনিষ্ট হোৱাত বহু কৃষকে মূৰে-কপালে হাত দিব লগা হৈছে। অঞ্চলটোৰ বহুকেইঘৰ বাসিন্দা বাপুজী হাইস্কুলত আশ্ৰয় লৈছে। অঞ্চলটোৰ যাতায়াতৰ ক্ষেত্ৰতো ভীষণ অসুবিধা হোৱা দেখা গৈছে। কাৰণ নলবাৰী চহৰলৈ যোৱা মূল পথটোৰ ওপৰত কেইবা ঠাইতো প্ৰায় কঁকাল আৰু বুকুলৈকে পানী উঠিছে। যাৰ ফলত অঞ্চলটোত খাদ্য- সামগ্ৰীকে ধৰি নানা সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। এতিয়ালৈকে বিভাগৰ ফালৰ পৰা কোনো লোক অহা দৃষ্টি গোচৰ হোৱা নাই যদিও 16 জুনত সৰিয়হতলীস্থিত 136 চি আৰ পিয়ে অঞ্চলটো পৰিদৰ্শন কৰাৰ লগতে নলবাৰী সদৰ থানাৰ আৰক্ষীয়েও পৰিদৰ্শন কৰি অঞ্চলটোৰ বানপীড়িত ৰাইজৰ বুজ লয়।

## গোৱালপাৰা আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযান

### ২০ টা কণ্টেইনাৰ, স্কুটী, লগতে দুজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ১৯ জুন ঃ** মানৱ জীৱন ধ্বংস কৰা বিষাক্ত ড্ৰাগ্‌ছৰ বিৰুদ্ধে অব্যাহত আছে অসম আৰক্ষীৰ অভিযান। গোৱালপাৰা জিলাৰ গোৱালপাৰা নগৰ আৰক্ষীৰ অভিযানত আজি আটক কৰিবলৈ সক্ষম হয় দুজনকৈ অসাধু ড্ৰাগছ সৰবৰাহকাৰী। লগতে ২০টা ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰৰ এখন স্কুটীৰ লগতে দুজন ড্ৰাগ্‌ছ ব্যৱসায়িক। প্ৰাপ্ত তথ্য অনুসৰি এখন স্কুটীত ড্ৰাগ্‌ছসমূহ বিক্ৰীৰ বাবে লৈ গৈ থকা অৱস্থাত গোৱালপাৰা নগৰ আৰক্ষী বিষয়া নিপুমণি চৌধুৰীৰ নেতৃত্বতত আৰক্ষীৰ দল এটাই গোপন খবৰৰ ভিত্তিত তালাচী চলায়। তালাচীৰ সময়ত স্কুটীৰ ছিটৰ তলত উদ্ধাৰ কৰে ২০টাকৈ ড্ৰাগ্‌ছ ভৰ্ত্তি কণ্টেইনাৰ আৰু লগে লগে আটক কৰে হাচেন আলী আৰু ৰহম আলী নামৰ দুৰ্ধৰ্ষ ড্ৰাগ্‌ছ ব্যৱসায়ী দুজনক। আৰক্ষী বিষয়া নিপুমণি চৌধুৰীৰ এনে কাৰ্যক ভূয়সী প্ৰশংসা কৰে সচেতন মহলে।

## কুমাৰীকাটাৰ কাশীনাথ ৰায়ৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ জুন ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটাৰ বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি তথা কুমাৰীকাটাৰ প্ৰতিমা জুৱেলাৰীৰ স্বত্বাধিকাৰী কাশীনাথ ৰায়ৰ (৬৫) বৃহস্পতিবাৰে নিশা দেহাৱসান ঘটে। এই লৈ বৃহত্তৰ কুমাৰীকাটা অঞ্চলত শোকৰ ছাঁ পৰিছে। বহুদিন ধৰি তেওঁ মধুমেহ আৰু বাট বিষজনিত ৰোগত ভুগি আছিল। কালি দিনৰ ভাগত অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত কুমাৰীকাটাৰ ৰাজহুৱা শ্মশানত শোকাকুল পৰিৱেশত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ আৰু বহুসংখ্যক আত্মীয়ক তথা গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

## আইটিডিপিৰ প্ৰাক্তন অধ্যক্ষ শৈলেন ৰেগনৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৯ জুন ঃ** বোকাখাত মহকুমা অন্তৰ্গত ৰঙাগড়া নিৱাসী তথা গোলাঘাট জিলা আই টি ডি পিৰ বোকাখাত পি আই চিৰ প্ৰাক্তন অধ্যক্ষ, ৰঙাগড়া ভি ডি পিৰ প্ৰাক্তন সভাপতি, প্ৰবীণ কংগ্ৰেছ নেতা, সমাজকৰ্মী শৈলেন ৰেগনে যোৱানিশা শেষ নিশ্বাস ত্যাগ কৰে। দীৰ্ঘদিন ধৰি ৰোগগ্ৰস্ত হৈ যোৰহাট মিছন হস্পিতালত চিকিৎসাধীন হৈ আছিল যদিও স্বাস্থ্যৰ কোনো উন্নত নোহোৱাত কালি ঘৰলৈ আনে। কালি সন্ধিয়ালৈ ৰেগনৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত পুনৰ ১০৮ গাড়ীৰে বোকাখাত মহকুমা শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ৰেগনে মৃত্যুৰ সময়ত পত্নী, দুজন পুত্ৰ আৰু এগৰাকী কন্যা এৰি থৈ গৈছে। ৰেগনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। ইপিনে আজি ৰঙাগড়া দৈনিক বজাৰ এঘণ্টা বন্ধ ৰাখে।

## শিক্ষক-কৰ্মচাৰী পৰিষদৰ সভাপতি জ্যেষ্ঠ শিক্ষক ৰাজেন শৰ্মাৰ বিদায় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৯ জুন ঃ** সুদীৰ্ঘকাল শিক্ষকতাৰ দৰে মহান আৰু পৱিত্ৰ বৃত্তিত নিজকে আত্মনিয়োগ কৰি মানৱ সম্পদ গঢ়া ঢকুৱাখনাৰ জ্যেষ্ঠ শিক্ষক ৰাজেন শৰ্মাই অলপতে কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। বিদায়-সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যেৰে ঘিলাগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নন্দ গগৈৰ সভাপতিত্বত আয়োজিত এক সভাত বিদায়ী প্ৰধান শিক্ষকগৰাকীয়ে শিক্ষকতা জীৱনৰ তিতা-মিঠা অভিজ্ঞতাৰ ৰোমন্থন কৰি শিক্ষাৰ্থীসকলক নিজৰ শৈক্ষিক দিশৰ উত্তৰোত্তৰ কামনা কৰে। লগতে, শিক্ষাৰ্থীসকলৰ শৈক্ষিক পৰিকাঠামো নিৰ্মাণৰ বাবে অভিভাৱকসকলে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগিব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাত উপস্থিত স্থানীয় ৰাইজ তথা শিক্ষাৰ্থীসকলে আৱেগমিশ্ৰিত এক পৰিৱেশত প্ৰধান শিক্ষক ৰাজেন শৰ্মাই প্ৰদান কৰি অহা মূল্যবোধ শিক্ষাক সোঁৱৰণ কৰি আৰু কিছু বছৰ প্ৰধান শিক্ষক হিচাপে পোৱাৰ পোষকতা কৰাও পৰিলক্ষিত হয়। উল্লেখ্য যে, শৰ্মাই অৱসৰ লোৱাৰ পূৰ্বে ঢকুৱাখনা উচ্চ মাধ্যমিক শিক্ষক-কৰ্মচাৰী পৰিষদৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰি থকাৰ সমান্তৰালকৈ শান্তিপুৰ মধ্য ইংৰাজী বিদ্যালয় তথা শেহতীয়াভাৱে ঘিলাগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্বত আছিল। উক্ত সভাত চি.আৰ.চি.চি. দিগন্ত গগৈ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক, ঘিলাগুৰি গাঁৱৰ মাতৃগোট, দুয়োটা শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে শৰ্মাক প্ৰশংসা-পত্ৰ, গমোচা, শৰাই, চেলেং আদিৰে বিদায় সম্ভাষণ প্ৰদান কৰে। বিদায় সম্বৰ্ধনা অনুষ্ঠানত শৰ্মাৰ মাতৃ, পৰিবাৰ, পুত্ৰৰ লগতে ভালেসংখ্যক শুভাকাংক্ষী উপস্থিত থাকে। **নতুন সমিতি গঠন—** ৰাজেন শৰ্মাই চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত ঢকুৱাখনা উচ্চ মাধ্যমিক শিক্ষক-কৰ্মচাৰী পৰিষদখনো নতুনকৈ গঠন কৰা হয়। সমিতি গঠনৰ উদ্দেশ্যে গোবিন্দপুৰ মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ভোগেশ্বৰী গগৈৰ সভাপতিত্ব হোৱা এক সভাত মধুপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক কুশল কাকতিক সভাপতি তথা দীঘলী পুখুৰী ট্ৰাইবেল মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ দত্তক সম্পাদক হিচাপে লৈ মুঠ ৯জনীয়া এখন কমিটী গঠন কৰা হয়।



*বালিজান চাপৰিচুকৰ পথৰ দুৰৱস্থা*

## ডিমৌৰ পোহৰ ক্লাবৰ উদ্যোগত পথ মেৰামতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৯ জুন ঃ** ডিমৌৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন গাঁৱৰ উপ-পথসমূহ নেৰা-নেপেৰা বৰষুণৰ ফলত বিধ্বস্ত ৰূপ লৈ যাতায়াতৰ একেবাৰেই অনুপযোগী হৈ পৰিছে। ইয়াৰ মাজতে ডিমৌৰ আঠাবাৰীৰ উদ্যমী যুৱকৰ প্ৰচেষ্টাত গঢ় লৈ উঠা পোহৰ ক্লাবৰ উদ্যোগত আঠাবাৰী বঙালী গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ তৰফ পৰা আঠাবাৰী আদৰ্শ পথ কিছু শ্ৰম দানেৰে মেৰামতি কৰে। পোহৰ ক্লাবৰ সদস্য আৰু গাঁওৰক্ষী বাহিনীৰ সদস্যসকলে বোকাময় হৈ থকা পথটোত ইটাৰ গুৰী পেলাই যাতায়াত কৰিব পৰা কৰি তোলে। কালিৰ শ্ৰমদানত পোহৰ ক্লাবৰ সভাপতি বিকি বৰ্মা সম্পাদক সন্তোষ কৰ্মকাৰ সদস্য বিজেশ শ্বাহ, মমেন পানীক, লীলা চৌহান, সন্তোষ চাহু, বুবুল পানীকা আৰু কেইবাজনো ব্যক্তি উপস্থিত হৈ শ্ৰম দান কৰে।

## ডিমৌত আদিবাসী ছাত্ৰ সন্থাৰ মহাবিদ্যালয়ত বিনামূলীয়া নামভৰ্তি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৯ জুন ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ডিমৌ আঞ্চলিক সমিতিৰ উদ্যাগত বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু যিকোনো উচ্চ শিক্ষাৰ নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ আৱেদন পত্ৰ পূৰণত সহায়ক হোৱাকৈ এটা বিনামূল্যে 'সহায়ক কেন্দ্ৰ' ডিমৌ মহাবিদ্যালয়ৰ সন্মুখত মুকলি কৰা হৈছে। আদিবাসী ছাত্ৰ সন্থাৰ ডিমৌ শাখাৰ সম্পাদক ললিত তাঁতীৰ লগতে ডিমৌ আঞ্চলিক সমিতিৰ তত্ত্বাৱধানত মুকলি হোৱা বিনামূলীয়া অনলাইন প্ৰ-পত্ৰ পূৰণৰ লগতে আন যি কোনো ধৰণৰ সমস্যা সমাধানৰ বাবে এই কেন্দ্ৰটি মুকলি কৰা হৈছে।

## লেখিকা সংস্থা, অসমৰ 'গীত আৰু কবিতাৰ দিন' উদ্‌যাপনৰ আয়োজন

**গুৱাহাটী, ১৯ জুন ঃ** অসমৰ স্বনামধন্য সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, সৰস্বতী নিৰ্মলপ্ৰভা বৰদলৈৰ পৱিত্ৰ স্মৃতিত লেখিকা সংস্থা, অসমে গুৱাহাটীস্থ শাখাৰ সহযোগত ২৬ জুনত 'গীত আৰু কবিতাৰ দিন' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। উক্ত অনুষ্ঠানটি উদ্বোধন কৰিব অসমৰ স্বনামধন্য কণ্ঠশিল্পী মালবিকা বৰাই। দিছপুৰ লাষ্টগেটৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰৰ প্ৰেক্ষাগৃহত ১২.৪৫ বজাৰ অনুষ্ঠিত হ'ব লগা মনোজ্ঞ অনুষ্ঠানটিত সন্মানীয় অতিথিৰূপে আসন অলংকৃত কৰিব বিশিষ্ট সাহিত্যিক-সমালোচক ড° গোবিন্দ প্ৰসাদ শৰ্মা আৰু পদ্মশ্ৰীপ্ৰাপক এলি আহমেদে। অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী উপস্থিত থাকিব লগা অনুষ্ঠানটিত বিশিষ্ট অতিথিৰূপে অংশ ল'ব সংস্থাৰ উপদেষ্টা বিশিষ্ট সাহিত্যিক ড° অঞ্জলি শৰ্মা, হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, মঞ্জুলা শৰ্মা ভট্টাচাৰ্য প্ৰমুখ্যে বিশিষ্ট কবি মীৰা ঠাকুৰ আৰু ড° সুচিত্ৰা কাকতিয়ে। তদুপৰি নিৰ্মলপ্ৰভা বৰদলৈৰ জীয়ৰী ড° স্বপ্না দেৱী বৰদলৈ আৰু পৰিয়ালবৰ্গ উপস্থিত থকা মনপৰশা অনুষ্ঠানটিত সংস্থাৰ আজীৱন সদস্যা, পৃষ্ঠপোষক আৰু শুভাকাংক্ষীসকলকো সাদৰ নিমন্ত্ৰণ জনাইছে সংস্থাৰ প্ৰধান সম্পাদিকা বিজয়া দেৱদাসে।

## অনুসূচীত জাতি উন্নয়ন বৰ্ড নগাঁৱৰ উদ্যোগত শিপিনীলৈ সূতা বিতৰণ

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ অনুসূচীত জাতি উন্নয়ন বৰ্ড নগাঁৱৰ উদ্যোগত আজি বৰ্ডৰ কাৰ্যালয়ৰ প্ৰাংগনত জিলাখনৰ উদ্যমী মহিলা শিপিনী সকললৈ সূতা বিতৰণ কৰা হয়। এই সূতা বিতৰণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অনুসূচীত জাতি উন্নয়ন বৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাসে। বৰ্তমান সময়ত গ্ৰামাঞ্চলৰ মহিলা সকলে বিভিন্ন কাপোৰ বোৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত জড়িত হৈ নিজকে স্বাৱলম্বিতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে তাৰ সমান্তৰালভাৱে মহিলা সকলক উদগনি দিবলৈ আজি এই কাৰ্য্যসূচী হাতত লোৱা হয় বুলি অনুসুচীত জাতি উন্নয়ন বৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাসে জানিব দিছে। ইয়াৰ পূৰ্বেও অনুসুচীত জাতি উন্নয়ন বৰ্ড নগাঁৱৰ তৰফৰ পৰা মহিলা তথা মহিলা গোট সমূহলৈ চিলাই মেচিন,মুৱাইল টেবলেট, সূতা, উৰনীয়া তাতঁশাল, ফিল্টাৰ আদি বিতৰণ কৰি আহিছে। আজিৰ এই সূতা বিতৰণ কাৰ্য্যসূচীত অনুসুচীত জাতি উন্নয়ন বৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাস, কাৰ্যালয় সহায়ক লক্ষী লস্কৰ, অনুসুচীত জাতি উন্নয়ন বৰ্ডৰ সদস্য হীৰকজ্যোতি দাস, অনুপম দাস, শেৱালী দাস, ললিতা দাস আদি উপস্থিত থাকে। পৰৱৰ্তী সময়তো অনুসুচীত জাতি উন্নয়ন বৰ্ড নগাঁৱৰ তৰফৰ পৰা মহিলা তথা মহিলা গোটসমূহলৈ এনে ধৰণৰ সামগ্ৰী বিতৰণৰ কাৰ্য্যসূচী অব্যাহত থাকিব বুলি অধ্যক্ষ নৰেন দাসে জানিব দিছে। আজি পুৱাৰ ভাগত অনুষ্ঠিত সূতা বিতৰণৰ এই কাৰ্যসূচীত মুঠ ২০০ গৰাকী মহিলাক আজি এই সূতা বিতৰণ কৰা হয়।

## মৰিগাঁও জিলা ২৪৭নং এজাৰবাৰী আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১৯ জুন ঃ** অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে অসমৰ প্ৰতিটো সমষ্টিতে নিৰ্মাণ হৈ আছে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ। ইয়াৰ ব্যক্তিক্ৰম নহ'ল মৰিগাঁও জিলা মৰিগাঁও সদৰ সমষ্টি । আন আন সমষ্টিসমূহৰ দৰে মৰিগাঁও সমষ্টিত আবণ্টন হোৱা ১১ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ হৈ আছে। আৰু আজি মৰিগাঁও সমষ্টিৰ প্ৰথমটো কেন্দ্ৰ ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২৪৭নং এজাৰবাৰী অংগনৱাড়ী কেন্দ্ৰটি উদ্বোধন কৰে মৰিগাঁও সদৰ সমষ্টি বিধায়ক ৰমাকান্ত ডেউৰীৰ লগতে উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলিয়াই। অনুষ্ঠানত স্থানীয় ৰাইজৰ লগতে জিলা সমাজ কল্যাণ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহৰ লগতে ভূৰবন্ধা উন্নয়ন খণ্ড সহকাৰী খণ্ড বিষয়া নবীন টুমুং, জিলা সমাজ কল্যাণ বিভাগৰ বিষয়াসকলৰ লগতে স্থানীয় ৰাইজ আৰু অভিভাৱকসকল। অনুষ্ঠানত উপস্থিত থাকি বিধায়কগৰাকীয়ে এই গৃহটি ইমান সুন্দৰকৈ অতি কম সময়ত নিৰ্মাণ কৰি উলিয়াই দিয়া বাবে নিৰ্মাণ কাৰ্যৰ লগত জড়িতসকলৰো শলাগ লয়।

## অসম-বংগ সীমান্তত গংগাধৰ নদীৰ বাঢ়নী পানীৰ ৰুদ্ৰ ৰূপ

■ অন্ন, বাসস্থানৰ অভাৱত জীৱ-জন্তু লৈ ওখ ঠাই বিচাৰি বানাক্ৰান্তৰ হাহাকাৰ

■ খবৰ ল'বলৈ আহৰি নাই জিলা প্ৰশাসন তথা জনপ্ৰতিনিধিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টামাৰহাট, ১৯ জুন ঃ** মৌলিক অধিকাৰসমূহৰ ভিতৰত অন্যতম হ'ল অন্ন আৰু বাসস্থান আৰু এই মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ হাহাকাৰ কৰিবলগীয়া হৈছে সহস্ৰাধিক পৰিয়ালে । অন্ন, বাসস্থানৰ বাবে হাহাকাৰ কৰি থকা এইসকল বানাক্ৰান্তৰ খবৰ ল'বলৈ আহৰি নাই জনপ্ৰতিনিধি আৰু জিলা প্ৰশাসনৰ। নিজৰ বাসস্থান পানীৰ তলত বুৰ যোৱাত ঘৰত থকা খাদ্য সামগ্ৰী নষ্ট হৈ যায় ফলত উপায়হীন হৈ ওখ স্থানলৈ ঢাপলি মেলিছে । আনকি উদ্ধাৰৰ বাবে নাই কোনো লোকে, নিজাববীয়াকৈ যিমানদূৰ পাৰে নিজৰ সামগ্ৰী আৰু জীৱ-জন্তু লৈ নাৱেৰে জীৱন ৰক্ষা কৰি থকা পৰিলক্ষিত হৈছে । অসম-বংগ সীমান্তত বানপানীয়ে লৈছে ভয়াৱহ ৰূপ। বিপদসীমাৰ ওপৰেৰে বৈছে গংগাধৰ নদীৰ বাঢ়নী পানী। উল্লেখ্য, অসম-বংগ সীমান্তৰে বৈ যোৱা গংগাধৰ (সোণকোষ) নদীৰ পানী ফেনে-ফোটোকাৰে ওফন্দি উঠি কেইবাটাও মথাউৰি ভাঙি নদীৰ বাঢ়নী পানী কাষৰীয়া গাঁওসমূহত হোৱাহোৱে সোমাই যোৱাত গাঁওসমূহ জলমগ্ন হৈ পৰে। উক্ত বাঢ়নী পানীয়ে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ঘৃতিংগাৰকুটী, শগুনচৰা, তমাচাহ বাগান, কালাচানপাৰা, বাঘডোকৰা, বাঘডোকৰা চৰ, জোংবন্ধাচৰকে ধৰি কেইবাখনো গাঁও জলমগ্ন কৰি পেলাইছে। ইয়াৰ ভিতৰত ঘৃতিংগাৰকুটী গাঁৱৰ প্ৰায় ২০০টা পৰিয়াল, কালাচানপাৰা গাঁৱৰ ২৬টা পৰিয়াল আৰু শগুনচৰা গাঁৱৰ ৩০টা পৰিয়ালে ওখ ঠাইৰ অভাৱত গড়কাপ্টানী পথৰ ওপৰতে আশ্ৰয় লৈ আছে । উক্ত পৰিয়ালসমূহ খোৱাপানীৰ সমস্যাত ভুগি থকাৰ লগতে ওখ ঠাইৰ অভাৱত খাদ্য বস্তু ৰান্ধিব পৰা নাই। সম্পূৰ্ণ খেতি পথাৰ পানীৰ তলত ডুব যোৱাত পোহনীয়া জীৱ-জন্তুবোৰো খাদ্য সংকটত পৰিছে। আনহাতে, গংগাধৰ নদীৰ বানপানীয়ে অসম-বংগ সীমান্তৰ পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ ছিট বৰলাউকুটী নামৰ বৃহৎ গাঁওখন সম্পূৰ্ণৰূপে বুঢ়াই পেলায়। চুবুৰীয়া ৰাজ্যখনৰ বানাক্ৰান্ত লোকসকল ওখ ঠাই বিচাৰি হাহাকাৰ কৰিব লগা হৈছে । ওখ ঠাইৰ অভাৱত বাধ্য হৈ পশ্চিমবংগৰ বাসিন্দাসকলে অসমৰ ঘৃতিংগাৰকুটী গাঁৱৰ গড়কাপ্টানী পথত আহি আশ্ৰয় ল'বলৈ বাধ্য হৈ পৰিছে।

# উদয়পুৰ, মাধৱপুৰ গৌৰীপুৰৰ চহা কৃষকে ৫ বছৰে লাভ কৰা নাই জলসিঞ্চন বিভাগৰ নলাৰ পৰা খেতিৰ বাবে পানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১৯ জুন ঃ** ৰাজ্যত ১৯৫০ চনত হোৱা বৰ ভুঁইকঁপৰ পিছত ৰাজ্যৰ বিভিন্ন জিলাৰ বানাক্ৰান্ত লোকসকলক অসম চৰকাৰে সংস্থাপন দিছিল ফিল'বাৰীত। চৰকাৰে সংস্থাপন দিয়া বানাক্ৰান্ত লোকসকলে ফিল'বাৰীত থকা অটব্য অৰণ্যসমূহ চাফা কৰি নিগাজীকৈ বাস কৰিবলৈ লয়। ফিল'বাৰী অঞ্চল ওখ হোৱাৰ বাবে অনঞ্চলটোত বসবাস কৰা লোকসকলৰ সুবিধাৰ বাবে ১৯৬৪ চনত ফিল'বাৰী নামহোলোঙত জলসিঞ্চন প্ৰকল্পৰ কাম আৰম্ভ কৰে। উক্ত প্ৰকল্পৰ দ্বাৰা ফিল'বাৰী অঞ্চলৰ প্ৰায় কুৰিতকৈয়ো অধিক গাঁৱৰ লোকসকলে খেতিপথাৰলৈ পানী লাভ কৰিবৰ বাবে অসম চৰকাৰে নিৰ্মাণ কৰে প্ৰায় ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ জলসিঞ্চনৰ নলা। উক্ত বান্ধটো চোৱাচিতাৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই যেনেদৰে মনোনিৱেশ কৰিব লাগিছিল বাস্তৱ ক্ষেত্ৰত সেয়া মুঠেও পৰিলক্ষিত নহ'ল। তদুপৰি বিভাগীয় কৰ্মচাৰীৰ অভাৱৰ বাবেও ফিল'বাৰীত জলসিঞ্চন বিভাগটো বগা হাতীত পৰিণত হ'ব ধৰাৰ অভিযোগ উত্থাপিত হৈছে। উক্ত জলসিঞ্চন নলাৰ পৰা যি ধৰণে পানী লাভ কৰিব লাগিছিল অঞ্চলটোৰ চহা খেতিয়কসকলে তেনে কোনো গুৰুত্ব সহকাৰে লৈ জলসিঞ্চন বিভাগে কাম কৰা পৰিলক্ষিত হোৱা নাই। জলসিঞ্চন বিভাগৰ ফিল'বাৰীত নতুনকৈ এটা কাৰ্যালয় নিৰ্মাণ কৰিছে কিন্তু বৰ্তমানলৈকে কাৰ্যালয়ত কোনো বিষয়া নিযুক্তি দিয়া নাই জলসিঞ্চন বিভাগে, ফলত ফিল্ড মেনেজাৰে চলাই আছে কাৰ্যালয়। বিগত পাঁচ বছৰ ধৰি ফিল'বাৰী অঞ্চলৰ উদয়পুৰ, মাধৱপুৰ গৌৰীপুৰৰ লগতে আন কেইবাখনো গাঁৱৰ চহা কৃষকে জলসিঞ্চন নলাৰ পৰা খেতিপথাৰ বাবে এটোপাল পানী লাভ কৰা নাই। উদয়পুৰ, মাধৱপুৰ, গৌৰীপুৰৰ চহা খেতিয়কসকলে খেতিপথাৰত লাভ নকৰা বিষয় লগতে অন্যান্য বিষয় লৈ আজি স্থানীয় আছু, গোৰ্খা আৰু চুতীয়া ছাত্ৰ সন্থাৰ এটা সঁজাতী দল ফিল'বাৰী কাৰ্যালয়ত উপস্থিত হৈ সমগ্ৰ বিষয়ে জানিব বিচৰাত বিভিন্ন অজুহাত দেখুৱায়। বিগত বৰ্ষত ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ নলাৰ পুনৰ উন্নত মানৰ নিৰ্মাণৰ বাবে তিনিচুকীয়াৰ সিন্হা নামৰ ঠিকাদাৰে ঠিকা লাভ কৰিছিল। কিন্তু ঠিকাদাৰে নিৰ্মাণত অনিয়ম কৰি লুটি নিলে সমগ্ৰ টকা। ঠিকাদাৰগৰাকীয়ে মাত্ৰ কেই কিলোমিটাৰ নিৰ্মাণ কৰিয়েই লুটি নিলে সমগ্ৰ টকা। ঠিকাদাৰে ফিল'বাৰী অঞ্চলৰ উদয়পুৰ, মাধৱপুৰ গৌৰীপুৰৰ গাঁৱত থকা জলসিঞ্চন নলাত অলপো কাম নকৰাকৈ সমগ্ৰ টকা কেনেকৈ উলিয়াই ল'লে এতিয়া ৰহস্যৰ আৱৰ্তত। ঠিকাদাৰে কৰা সমগ্ৰ কাম স্থানীয় জলসিঞ্চন বিভাগৰে এগৰাকী কৰ্মচাৰীয়ে চাইছিল কিন্তু কেনেকৈ সম্পূৰ্ণ কাম শেষ নকৰাকৈ ফিল'বাৰীৰ পৰা ঠিকাদাৰ পলাই যাব পাৰিলে এতিয়া সকলো ৰহস্য। ঠিকাদাৰৰ লগত জলসিঞ্চন বিভাগৰ কৰ্মচাৰীৰ বুজাবুজি থকাৰ বাবেই পলাই যাব পাৰিলে নেকি ঠিকাদাৰে কাম নকৰাকৈ ফিল'বাৰীৰ পৰা। স্থানীয় দল-সংগঠনে অতি সোনকালে উদয়পুৰ, মাধৱপুৰ, গৌৰীপুৰৰ লগতে ফিল'বাৰী অঞ্চলৰ অন্যান্য প্ৰান্তত পানী যোগান ধৰিবলৈ আহ্বান জনাইছে জলসিঞ্চন বিভাগক।

# জীৱন-জীৱন বৰ অনুপম



■ ড° চৈয়দা মুচফিয়া বেগম

ভাষা-সাহিত্য, সংস্কৃতি, গীত, কবিতা আদিকে এটা জাতিৰ উন্নয়নৰ মাপকাঠি বা দাপোন বুলিব পৰা যায়। ভাৰতৰ অন্যান্য ভাষাৰ লগতে অসমীয়া এটা অতিকৈ সমৃদ্ধিশালী ভাষা। এটা জাতিৰ জীৱনগাথাক ভাষাইহে প্ৰতিফলিত কৰে। যদিওবা ভাষা এটা বাৰ্তালাপৰ মাধ্যম, ভাষাটোৰ ঐতিহ্য আৰু গৰিমাৰে সমগ্ৰ জাতিটোৱেই মহীয়ান হয়। অসমীয়া ভাষা সাহিত্য জগতৰ প্ৰায় সকলো দিশতে অৰিহণা যোগোৱা এটি উজ্জ্বল জ্যোতিষ্ক হৈছে ড° নিৰ্মলপ্ৰভা বৰদলৈ। তেওঁ আছিল একেৰাহে কবি-গীতিকাৰ, নাট্যকাৰ, অনুবাদক, প্ৰবন্ধকাৰ, গ্ৰন্থ প্ৰণেতা, শিশু সাহিত্য ৰচিয়তা, কাব্যনাটক ৰচিয়তা, আলেখ্যকাৰ ইত্যাদি ইত্যাদি। আমাৰ অসমৰ মহিলা কবি-সাহিত্যিকসকলৰ ভিতৰত এই পৰ্য্যন্ত নলিনী বালা দেৱীৰ পিছত কেৱল সৰস্বতী ড° নিৰ্মলপ্ৰভা বৰদলৈহে 'অসম সাহিত্য সভা'ৰ সভাপতিৰ আসন অলংকৃত কৰা মহিলা। ১৯৩৩ চনৰ ২০ জুন তাৰিখে তেওঁ ঐতিহ্যমণ্ডিত শিৱসাগৰত ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ আৰু মুক্তাবালা বৰদলৈ প্ৰথম সন্তান ৰূপে জন্ম গ্ৰহণ কৰে। নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম প্ৰকাশিত কবিতা 'সেউজীয়া' আৰু প্ৰথম প্ৰকাশিত কবিতা পুথি 'বন ফৰিঙৰ ৰং' (১৯৫৭)।

সৰুৰে পৰা অত্যন্ত মেধাবী ছাত্ৰী নিৰ্মলপ্ৰভা বৰদলৈয়ে প্ৰাথমিক আৰু মজলীয়া স্কুলত প্ৰথম হৈ গৃহ শিক্ষকৰ তত্বাৱধানত সংস্কৃত, ভূগোল, গণিত আৰু সাহিত্য অধ্যয়ন কৰে। ১৯৪৮ চনত সুখ্যাতিৰে প্ৰাইভেটকৈ তেওঁ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ শিৱসাগৰ কলেজত উচ্চ শিক্ষাৰ পাতনি মেলে আৰু ১৯৫২ চনত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা নৃতত্ব (Anthropology) বিভাগত বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম হৈ অনাৰ্চসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত ১৯৫৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত সুখ্যাতিৰে স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পাছত ১৯৫৮ চনত নিৰ্মলপ্ৰভা বৰদলৈয়ে গুৱাহাটীৰ ভোলা বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰিবলৈ লয়। ১৯৭২ চনত তেখেতে ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ তত্বাৱধানত "The Treatment of Nature in Assamese Poetry" শীৰ্ষক বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্তৰেট উপাধি লাভ কৰে। উল্লেখযোগ্য যে তেঁৱেই সাহিত্যত ডক্টৰেট পোৱা অসমৰ প্ৰথম মহিলা। ১৯৭৫ চনত তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত যোগদান কৰি বিভাগটোৰ মূৰব্বী অধ্যাপকৰ আসন শুৱনি কৰে। আকৌ ১৯৯০ চনত জৱাহৰলাল নেহেৰু অধ্যাপক পদৰো আসম গ্ৰহণ কৰে। তেখেতে বিশ্ববিদ্যালয় অনুদান আয়োগ, নতুন দিল্লীৰ পৰা জাতীয় প্ৰবক্তা হিচাপেও কৰ্মদান কৰে। বিশ্ববিদ্যালয়ত কাম কৰি থকা অৱস্থাতে ড° নিৰ্মলপ্ৰভাই ১৯৯১ চনৰ অসম সাহিত্য সভাৰ (দুধনৈ অধিৱেশনৰ) সভাপতিৰ দায়িত্ব সূচাৰুৰূপে পালন কৰাৰ উপৰিও এই সময়চোৱাতে তেওঁ সাহিত্যৰ বিভিন্ন দিশ আৰু গৱেষণাৰ দিশলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়ায়। তেওঁ প্ৰায় ৮০ খনমান গ্ৰন্থ ৰচনা কৰিছে। ইয়াৰ ভিতৰত কবিতা পুথিকেইখন— 'বন ফৰিঙৰ ৰং' (১৯৫৭), 'সমীপেষু' (১৯৭৭), 'দিনৰ পাছত দিন' (১৯৭৭), 'অন্তৰংগ' (১৯৭৮), 'সুদীৰ্ঘ দিন আৰু ঋতু' (১৯৮২), 'The Dawn' (English Poems); আৰু নিৰ্বাচিত কবিতাৰ হিন্দী অনুবাদ 'বন্দুকো কী আৱাজ সে সুৰহ হোতী হ্যেঁ ক্যা' (২০০০) আদি উল্লেখযোগ্য।

ইয়াৰ উপৰিও প্ৰসিদ্ধ গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈৰ গীতসমূহ 'সোণ বৰণী আই', 'সূৰুযমুখী' আৰু 'এই ফুলৰ মেলাতে' নামেৰে তিনিখন গীতৰ পুথিত সন্নিৱিষ্ট। আনহাতে 'অসমৰ লোক কবিতা', 'আধুনিক কবিতা', 'কবিতাৰ কথা' আদি তেওঁৰ উল্লেখনীয় প্ৰবন্ধ গ্ৰন্থ। তেখেতৰ অন্য দুখন গ্ৰন্থ 'সাহিত্য আৰু সংস্কৃতি' আৰু 'কাৰ্বি সমাজ আৰু সংস্কৃতিৰ এচেৰেঙা' হ'ল তেখেতৰ সংস্কৃতি সম্পৰ্কীয় গ্ৰন্থ। অসমৰ লোক-জীৱন আৰু লোক-সমাজত ভাৰতীয় আধ্যাত্মিকতাৰ প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰা তেওঁৰ তিনিখন বৃহৎ আৰু উল্লেখযোগ্য গ্ৰন্থ হ'ল 'দেৱী', 'শিৱ' আৰু 'সূৰ্য'। 'চেৰী ফুলৰ দেশ' তেওঁৰ একমাত্ৰ ভ্ৰমণ কাহিনী আৰু 'জলপদ্ম' তেওঁৰ একমাত্ৰ উপন্যাস। শিশু উপযোগী কাহিনীৰ সংকলন 'মন উৰণীয়া', 'অসমীয়া ওমলা গীত' 'সুৰদী মাত', 'সুৰীয়া মাত', 'জিকি মিকিৰ কথা' আদিত শিশু মনৰ কল্পনা, সৰলতা আৰু মধুৰতাৰ সুন্দৰ প্ৰতিফলন ঘটিছে। তেওঁৰ শিশু গ্ৰন্থ 'চিল চিল চিলা'ৰ বাবে তেখেতে ৰাষ্ট্ৰীয় পুৰস্কাৰো লাভ কৰে। অনুবাদ সাহিত্য, গৱেষণা পত্ৰ, আলেখ্য ৰচনা, নাটক, শিশু নাটিকা, গীতিনাট্য, কাব্যনাটক আদি ৰচনাত পাৰদৰ্শিতা দেখুওৱা নিৰ্মলপ্ৰভাৰ বৰদলৈৰ পুৰস্কাৰ অৰ্জনৰ (ৰাজ্যিক আৰু ৰাষ্ট্ৰীয়) তালিকাখনো বহু দীঘলীয়া। তেখেতে শিশু সাহিত্যৰ ৰাষ্ট্ৰপতি বঁটা, অসম সাহিত্য সভাৰ পৰা 'দেৱী' গ্ৰন্থৰ বাবে শ্ৰেষ্ঠ গৱেষণা বঁটা, কনকলতা বৰুৱা বঁটা, প্ৰবীনা শইকীয়া বঁটা আদি বহু বঁটা লাভ কৰে। 'জীৱন - জীৱন বৰ অনুপম' তেওঁৰ আত্মজীৱনীখন প্ৰথমে 'প্ৰান্তিক'ত খণ্ড খণ্ডকৈ প্ৰকাশ পাইছিল আৰু পিছলৈ গ্ৰন্থ সংস্কৰণটোও প্ৰকাশ হৈ ওলাইছিল।

আজি মোৰ এই ক্ষুদ্ৰ লিখনিটো কেৱল কবিতা সম্পৰ্কীয়হে, ড° নিৰ্মলপ্ৰভা বৰদলৈৰ তত্ত্বগধূৰ কাব্যালোচনা কৰাৰ সাহস আৰু ধৃষ্টতা কোনোটোৱেই মোৰ তিলমানো নাই। এইখিনিতে উল্লেখ কৰাটো নিশ্চয় সমীচিন হ'ব যে মই নিজে কবি কিম্বা কবিতাৰ সমালোচকো নহওঁ। মই কেৱল কবিতা আৰু সাহিত্যৰ গুণমুগ্ধ পাঠকহে। সেই জালুকবাৰীত পঢ়ি থকা দিনতে আমাৰ বাণিজ্য বিভাগটো অসমীয়া বিভাগৰ ওচৰতে হোৱাৰ বাবে ড° নিৰ্মলাপ্ৰভা বাইদেউক ওচৰৰ পৰা দেখাৰ সৌভাগ্য হৈছিল। গাৰ্লচ হোষ্টেলত আমাৰ সহপাঠী বিনু দাস, পূৰৱী আদিৰ পৰা বাইদেউৰ সুৱলা মাত, কবিতা, গীত আদিৰ কথা শুনি শুনি আমিও কেতিয়াবা কেতিয়াবা মনে মনে বাইদেউৰ ক্লাচত সোমাই থাকি বাইদেউৰ কথাবোৰ, কবিতাৰ ভাবৰ লগতে ভাষাতত্বৰ কথাবোৰ জানিবলৈ পাই উৎফুল্লিত হৈ পৰিছিলো। হাইস্কুলীয়া পাঠ্যক্ৰমৰ লগতে এৰি থৈ অহা অসমীয়া ভাষাত ৰচিত কবিতাবোৰৰ প্ৰতি পুনৰ মোহ জাগিছিল, আকৌ কবিতা আৰু আবৃত্তিৰ মাজত চেগাচোৰোকাকৈ সোমাই পৰিছিলো। পাছলৈ অৱশ্যে বাণিজ্য শিক্ষাৰ নিৰস বিষয়বোৰৰ মাজত এইবোৰ তল পৰিছিল। কিন্তু আজি বোধগম্য হৈছে যে এইবোৰ এতিয়াও মোৰ মনত সজীৱ হৈ আছে।

নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম প্ৰকাশিত কবিতাপুথি 'বন ফৰিঙৰ ৰং'ৰ কেইটামান উল্লেখযোগ্য কবিতা হ'ল— 'বিহু', 'বৰ্ষা শেষৰ গান', 'চিঠি', 'আইতা', 'দ্ৰৌপদী', 'গান্ধাৰী' আৰু 'সীতা'। ইয়াৰ কেইটামান কবিতা প্ৰেম তথা প্ৰকৃতি বন্দনাৰে ভৰপূৰ আৰু কেইটামান নাৰী মনৰ অবিব্যক্তি, কামনা-বাসনা, নাৰী নিৰ্যাতন তথা নিপীড়নাৰ সাবলীল প্ৰকাশো পাইছে। 'বৰ্ষা' আৰু 'বৰ্ষাৰ শেষৰ গান' কবিতা দুটিত মানুহ আৰু প্ৰকৃতিৰ ওতঃপ্ৰোত সম্বন্ধৰ কথা কবিয়ে প্ৰকাশ কৰিছে। বৰ্ষ বীজ অঙ্কুৰৰ ঋতু, গতিশীলতাৰ ঋতু। বাৰিষা বৰষুণে পৃথিৱী জীপাল কৰি, উৰ্বৰা কৰি তুলে, বীজবোৰ সেয়েহে গজালি হৈ অঙ্কুৰিত হয়। কল্পনাৰ তীব্ৰ মাদকতাত কবিৰ কণ্ঠই সেয়েহে এনেদৰেই ৰূপ লৈছে,

'মানুহৰ হিয়াবোৰ গোট খাই প্ৰেম হ'ল
বিচাৰিব খুজি সেই প্ৰেমময়ী নাৰী
প্ৰেমৰ সুহুৰিবোৰ আঁহতৰ তলে তলে
পথাৰৰ কাষে কাষে, থমকি থমকি ৰৈ
বিহুগীত হৈ হৈ পদূলিত সুহুৰি মাৰিলে
সুহুৰিৰ সুৰ গৈ বুকুৰ দুৱাৰত যেন
টোকাৰ পেলালে...।'

আকৌ বাৰিষাৰ পৃথিৱীৰ ভৰপূৰ দেহৰ বৰ্ণনা এগৰাকী গৰ্ভৱতী নতুন বোৱাৰীৰ দেহ-ৰূপৰ লগত তুলনা কৰি নিজা গঠনশৈলীৰে কবিয়ে সেয়েহে 'বৰ্ষা শেষৰ গান'ত সাৱলীল ছন্দময় কল্পনাৰে কৈছে—

"গালে মুখে বিয়পিছে
তৃপ্তিৰ স্নিগ্ধ শোভা
সেউজীয়া গভীৰ প্ৰশান্তি
দুচকুত মাতৃত্বৰ লাজ লাজ
অদূৰ সপোন...।"

জোনাকী যুগৰ পৰৱৰ্তী যুগৰ কবিসকলৰ ভিতৰত কবি অম্বিকাগিৰি ৰায়চৌধুৰী, যতীন্দ্ৰ নাথ দুৱৰা, শৈলধৰ ৰাজখোৱা সহিত নলিনীবালা দেৱী আদিৰ কবিতাটো প্ৰকৃতি বৰ্ণনা ভিন্নজনে ভিন্নভাৱে অতি আকৰ্ষণীয়ভাৱে প্ৰকাশ কৰি গৈছিল। কবি ভেদে প্ৰকৃতিৰ হীন-দেঢ়ি কৰা দেখা যায়। ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিয়ে যি প্ৰাধান্য লাভ কৰিছে, অন্য কবিৰ ৰচনাত সিমান নহ'বও পাৰে, কিন্তু সকলো কবিকে যে প্ৰকৃতিৰ সৌন্দৰ্যয়ে অবিৰতভাৱে আকৰ্ষণ কৰে সেয়া ধ্ৰুৰূপ। সেয়েহে তেওঁলোকৰ কবিতাত প্ৰকৃতি-বৰ্ণনা সুন্দৰভাৱে পৰিস্ফুত হয়। নিৰ্মলপ্ৰভা বৰদলৈৰে কবিতাটো প্ৰকৃতি আৰু বিহুৰ সুন্দৰ ৰূপ প্ৰকাশ পাইছে। 'বিহু-বহাগ' এই কবিতালানিত কবিয়ে অসমীয়া জাতিৰ হিয়াৰ আমঠু লোক-উৎসৱ বিহুৰ আগমন, জন-জীৱনত ইয়াৰ প্ৰভাৱ আদিৰ চিত্ৰন কৰিছে। কবিৰ মন-প্ৰাণ সেয়েহে প্ৰিয় ঋতু বহাগত চাৰিওফালৰ প্ৰকৃতিৰ সেউজীয়া ৰঙৰ সমাহাৰত ব্যাকুল হয়; কবিৰ কথাৰে—

'মই চকু জপাব নোৱাৰো
সেউজীয়া সুগন্ধত।' — বিহু-বহাগ (ড)

নিৰ্মলপ্ৰভা বৰদলৈৰ আন এটি কবিতা সংকলন 'দিনৰ পাছত দিন'ৰ উল্লেখযোগ্য কবিতাকেইটি হৈছে, 'অব্যক্ত', 'অন্তকাৰ', 'ছাই', 'কৰুণ প্ৰহৰ', 'পথৰুৱা গীত', 'বিহু' (১,২,৩), 'বহাগ', 'বশিষ্ঠত দুপৰীয়া' ইত্যাদি। প্ৰেমৰ বিভিন্ন ৰূপ, নিসংগতা, নৈৰাশ্য আদিৰ আধুনিক জীৱনশৈলীৰ লগত থকা সম্পৰ্ক, প্ৰভাৱ আদিৰ কথা এই কবিতাবোৰৰ মাজেৰে স্বতঃপ্ৰোতভাৱে প্ৰকাশিত হৈছে। তেখেতৰ অন্য এটি কবিতা সংকলন 'অন্তৰংগ'ৰ মূল বিষয় হৈছে ইন্দ্ৰিয় কেন্দ্ৰিক প্ৰেম। দেহজ আকৰ্ষণেই ইয়াৰ মূল কেন্দ্ৰবিন্দু। 'প্ৰেমৰ সংজ্ঞা', 'নীলা চিঠি', 'আগমণি' আদি এই সংকলনটিৰ উল্লেখনীয় কবিতা। আকৌ, 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ কবিতা সংকলনটিৰ বাবে নিৰ্মলপ্ৰভা বৰদলৈয়ে সাহিত্য একাডেমী বঁটা লাভ কৰে ১৯৮৩ চনত। এই সংকলনটিত অন্তৰ্ভুক্ত 'পোৰৰ গোন্ধ', 'উৎস', 'নিৰন্তন', 'অপৰাজিত' আদি কবিতাবোৰত কবি নিৰ্মলপ্ৰভাৰ ব্যক্তিগত জীৱনৰ পঞ্জীভূত বেদনা, ক্ষোভ, কামনা-বাসনা, জীৱনত পাই হেৰুৱাৰ যন্ত্ৰণা, নোপোৱাৰ বেদনা, মনস্তাত্বিক বিশ্লেষণ আদিৰ প্ৰকাশৰ লগতে জীৱনৰ প্ৰত্যাহ্বানবিলাক সাহসেৰে অতিক্ৰম কৰাৰ অপৰাজেয় ইচ্ছাশক্তিৰ কথাও পৰিস্ফুত হৈছে। তেনে ইচ্ছাশক্তিৰ কথা তেওঁৰ 'অপৰাজিত' কবিতাটিৰ এই পংক্তিটোৰ পৰাই অনুমান কৰিব পাৰি—

'মই কাইলৈ মৰিম
আজি বাচি থাকিবলৈ দিয়া
হে মোৰ স্ৰোতস্বিনী দুখ
মোৰ শীৰ্ণ শিৰৰ অৰণ্যেৰে
প্ৰবাহিত হৈ থাকা।
মই ভাগৰা নাই—।'

১৯৯২ চনত প্ৰকাশিত হোৱা অন্য এটি কবিতা সংকলন 'শব্দৰ ইপাৰে শব্দৰ সিপাৰে'ত অন্তৰ্ভুক্তি লাভ কৰা উল্লেখনীয় কবিতাসমূহ যেনে— 'বিহু-বহাগ', 'স্বাধীনতা' আদি কবিতাসমূহত ঘাইকৈ প্ৰকৃতি চিত্ৰণ আৰু অসমৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক প্ৰতিচ্ছবি সুন্দৰ আৰু সুলয়িতভাৱে উজলি উঠিছে। জাপানী হাইকু কবিতাৰ নিচিনাকৈ ৰচিত এই কবিতাবোৰ ছুটি কিন্তু অতি সংবেদনশীল আৰু হৃদয়স্পৰ্শী। কবিয়ে 'বিহু-বহাগ' কবিতালানিত অসমৰ লোক উৎসৱ বিহুৰ আগমন আৰু অসমীয়া জন-জীৱনত ইয়াৰ প্ৰভাৱ বৰ সুন্দৰভাৱে প্ৰকাশ কৰিছে এনেদৰেই—

'সাঁচতীয়া কাপোৰৰ দৰে
সাঁচতীয়া অকণমান সুখ
সোণ হালধীয়া সেইকণ সুখ
সুগন্ধ হৈ উৰে দেহত।' —বিহু-বহাগ (ক)

অন্যহাতে, 'অমিতাভ শব্দ' নামেৰে ১৯৯৪ চনত প্ৰকাশিত কবিতা সংকলনটিৰ উল্লেখনীয় কবিতা 'শব্দ আৰু শব্দ', 'ৰূপান্তৰৰ গান', 'অনন্যা', 'পৰম চেতনা' আদি কবিতাত কবিৰ সত্ত্বা সৰ্বত্ৰ প্ৰসাৰিত হৈছে, শব্দৰ মাজেৰেই তেওঁ একাত্ম হৈছে মানুহ, প্ৰকৃতি আৰু অন্তৰাত্মাৰ লগত। সমসাময়িক পৰিৱেশ তথা পাৰিপাৰ্শ্বিকতাই আধুনিক কবিতাৰ বিষয়বস্তু হৈ পৰে সহজভাৱেই। আধুনিক যান্ত্ৰিক যুগৰ জীৱনৰ বেদনাও আৰু কবি হৃদয়ৰ ভাৱৰাশিৰ গতিশীলতাৰ কথা তেওঁৰ কবিতাৰ মাজত সাৰ্থকভাৱে 'বিষণ্ণ প্ৰহৰ', 'অশ্ৰুৰ প্ৰহৰ', 'ৰক্তাক্ত প্ৰহৰ', 'হেৰোৱা প্ৰহৰ', 'ব্যৰ্থ প্ৰহৰ', 'এই কথাবোৰ' আদি কবিতাত প্ৰতিফলন হৈছে। শ্ৰদ্ধাৰ হোমেন বৰগোহাইদেৱে কোৱা এষাৰ কথা এই প্ৰসংগতে উল্লেখ কৰিব বিচাৰিছো। তেখেতে কৈছিল- "এটি ভাল বা মহৎ কবিতাৰ ডাঙৰ বৈশিষ্ট্য আৰু নিৰ্ভুল লক্ষণ এয়েই যে, সেই কবিতাৰ ওচৰলৈ হৃদয় বাৰে বাৰে ঘূৰি আহে, ঘূৰি আহিব লগা হয়, সেই কবিতাক তাৰ অন্তহীন সম্ভাৱনা আৰু অৰ্থ গৌৰৱৰ মাজত বাৰে বাৰে আৱিস্কাৰ কৰিব লগা হয়।"

জুন মাহ ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম আৰু মৃত্যুৰো তিথি। ১৯৯৮ চনৰ পৰাই তেখেতৰ জন্মদিৱস ২০ জুন তাৰিখটো বেলতলা লেখিকা সমাৰোহ সমিতিয়ে 'প্ৰেৰণা দিৱস' ৰূপে পালন কৰি আহিছে। আজি ২০ জুন, নিৰ্মলপ্ৰভাৰ বাইদেউৰ ৮৯ তম্ জন্মদিৱসত তেখেতৰ প্ৰতি মৰম আৰু শ্ৰদ্ধা নিবেদন কৰি মোৰ এই ক্ষুদ্ৰ লিখনিটোৰ দ্বাৰাই শতকোটি প্ৰণাম জনাই সামৰিছো। আজিৰ নতুন প্ৰজন্মৰ বাবে সদায় আদৰণীয় হৈ ৰওক, চিৰ নমস্য হৈ থাকক নীলা বাইদেউ!

*লেখক গুৱাহাটীৰ পদ্মশ্ৰীপ্ৰাপক চন্দ্ৰপ্ৰভা শইকীয়ানী গাৰ্লচ পলিটেকনিকৰ জ্যেষ্ঠ অধ্যাপক*
*ফোন ঃ ৯৪৩৫১-০২৩১৮*
*ই-মেইল ঃ musfiabegum@gmail.com*

# জাতীয়তাবাদী সংস্কৰণৰ চিন্তাৰ মূল হোতা বিষ্ণুপ্ৰসাদ ৰাভা

■ পুষ্পাঞ্জলি শিৱম শৰ্মা



জাতীয়তাবাদী চিন্তাক বুকুত সামৰি অসমৰ সাহিত্য সংস্কৃতিৰ বৰপথাৰত প্ৰথমজন এনেকুৱা ব্যক্তিত্বৰ লোক যাৰ এখন হাতত আছিল মাৰণাস্ত্ৰ আৰু আনখন হাতত কবিতাৰ কুঁকি, গীতৰ শৰাই, আৰু নৃত্যৰ ঝংকাৰ। এই সকলোবোৰে পৰিপুষ্ট হৈ অসমী আইৰ কোলা শুৱনি কৰিছিল বিষ্ণুপ্ৰসাদ ৰাভাই,যিজন প্ৰকৃততেই কলাৰগুৰু আছিল। চন্দ্ৰধৰ গোস্বামীদেৱৰ লিখনিৰ পৰা পোৱা অনুসৰি ঃ 'বিষ্ণুৰাভাই প্ৰায় সদায় পুৱা গাইছিল—

"শৃন্বন্তু বিশ্ব অমৃতস্য পুত্ৰাঃ"
অৰ্থাত্ঞ্জ শুনা বিশ্বজন তোমালোক অমৃতৰ সন্তান।

কলাৰ প্ৰায়বোৰ দিশতেই বিষ্ণুপ্ৰসাদ ৰাভাৰ অপৰিসীম দক্ষতা আছিল। কিন্তু তেওঁৰ খেয়ালি মনে যেতিয়াই যিটোত মন যায়, তাতেহে লাগি পৰিছিল।

সেয়ে হয়তো কলাৰ কোনো এটা দিশতেই তেওঁ একাণপটীয়াকৈ লাগি থাকিব নোৱাৰিছিল। তেজপুৰৰ বাহিৰত দিহিঙে-দিপাঙে ঘূৰি হিয়া বিচাৰি ফুৰা বাবেই বাণ থিয়েটাৰৰ লগত জড়িত হৈয়ো বৰ বেছি অৱদান যোগাব পৰা নাছিল। বাণ থিয়েটাৰত তেওঁ বিশেষ গুৰুত্ব দিয়া দিশটো আছিল সংগীত।

ৰুদ্ৰশৰ্মাদেৱে কালজয়ী ব্যক্তি মহীৰূহ বিষ্ণুপ্ৰসাদ ৰাভাদেৱক তেওঁৰ সূৰ্য্যসম আভাৰ বাবে যি নেকি দেশ আৰু দহৰ বাবে অহৰহ উৎসৰ্গিত আছিল, সেই ভাবনাক সশ্ৰদ্ধ প্ৰনাম জনাই কবিতা এটিত লিখিছিল,

"আহ! কি সুন্দৰ তেওঁৰ সপোন "ভূমিস্বত্ত্ব দান"।
কৃষকক ভূমি বিলাই দিয়াৰ সপোন ।
২৫০ বিঘা মাটি পৈতৃক সম্পত্তি
হাল যাৰ মাটি তাৰ' বুলি বিলাই দিব পৰা
মহান পুৰুষ বিষ্ণু প্ৰসাদ ৰাভা।
কি সুন্দৰ আদৰ্শ তোমাৰ ভূমিস্বত্ব দান।'

বৰ অসমৰ কাঠাম তৈয়াৰ কৰি লৈ বিষ্ণুপ্ৰসাদ ৰাভাদেৱে থিয় দিছিল, পাশ্চাত্যৰ সভ্যতা-সংস্কৃতিৰ প্ৰভাৱত আৰু অত দিনৰ পৰাধীনতাৰ পৰিৱেশত ক্ৰমাৎ লুপ্ত হব ধৰা সংকটৰ সময়খিনিত।

উনবিংশ শতিকাৰ শেষভাগ আৰু কুৰি শতিকাৰ আদিভাগত হোৱা সাহিত্যসংস্কৃতিৰ মহাৰণত স্বসত্তা আৰু অস্তিত্ব ৰক্ষাৰ বাবে আৰু তাৰ উদ্ধাৰৰ হকে,দেশ তথা দহৰ প্ৰতিজন অসমীয়াৰ বাবে নিজক উৎসৰ্গিত কৰিছিল।

সেই সময়ত ভাৰত তথা অসমত যি এক বুৰ্জোৱা জাতীয়তাবাদী নৱজাগৰণৰ উদ্গীৰণ ঘটিছিল, নিঃসন্দেহে ৰাভাদেৱ আছিল সেই ধাৰাৰ সমৰ্থনত অসমক প্ৰতিনিধিত্ব কৰা প্ৰধান অসমীয়া।

অসমৰ জাতীয় গৌৰৱৰ অতীত সমলসমূহৰ পুনৰুদ্ধাৰৰ আৰু সংস্কৰণৰ যোগেৰে দেশৰ জাতীয় চেতনা শক্তিশালী কৰি তাক এক অনন্য ৰূপত দাঙি ধৰিবলৈ দেহেকেহে এই নৱজাগৰণ আনিবলৈ ৰাভাদেৱে অপ্ৰাণ চেষ্টা কৰিছিল। কাৰ্যসূচীৰ ভিতৰত আছিল উমৈহতীয়া শক্তিশালী শত্ৰু ব্ৰিটিছ সাম্ৰাজ্যবাদৰ সৈতে মোকাবিলা কৰাৰ স্বাৰ্থতে বিচিত্ৰ ভাৰতৰ বিভিন্ন জাতিসত্তাসমূহৰ ঐক্য-সমন্বয় ৰক্ষা।

তেনে এক জাতীয়তাবাদী চেতনাৰ পৰিৱেশৰ পৰা জীপ লৈ তাৰ আৰ্হিতে জীৱনৰ প্ৰথমাৰ্ধত বিষ্ণু ৰাভাই বৃহত্তৰ অসম কিম্বা বৰ অসমৰ চিন্তাটো কৰিছিল।

তেওঁ অসমীয়া সাহিত্যত বহু অমূল্য অৱদান আগবঢ়াই থৈ গৈছে তেখেতৰ এই অমূল্য অবদানৰ ভিতৰত প্ৰধানকৈ গল্পসমূহৰ ভিতৰতঠ্ঠ মামীৰ হাৰ, কুৰি বছৰ জেইল, জাল কেছ, হিয়াৰ পুং, ফুংকা (বড়ো ভাষাত ৰচিত)

উপন্যাস— মিচিং কনেং
গল্প সংকলন— সোণপাহি
নাটক— কুমৰ হৰণ, জ্যোতিপ্ৰভা, শংকৰদেৱ, শান্তিৰ দেউল, শকুন্তলা, কৃষক, নীলাম্বৰ।

১৯৬৮ চনত ৰাভাদেৱ কৰ্কট ৰোগত আক্ৰান্ত হোৱা হেতুকে বোম্বেৰ টাটা ইনষ্টিটিউটো চিকিৎসাৰ হেতু গৈছিল আৰু তাৰ পৰা ১৯৬৯ ৰ জানুৱাৰীত উভতি আহিছিল,তাৰপিছত প্ৰায় ১০ দিন তেজপুৰ চিভিল হাস্পতালত শয্যাগত হৈ থাকি ২০ জুনৰ নিশা ২.১০ বজাত ৰাভাদেৱে ইহলীলা সম্বৰণ কৰে। মৃত্যু শয্যাতেই তেওঁ লিখি যায় প্ৰতিজন অসমীয়াৰ হৃদয়ত আমৰণ বাজি থকা গীতটি—

'এই মোৰ শেষ গান
জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান....'।

বিষ্ণুপ্ৰসাদ ৰাভাই শৈশৱ কালতেই অভিনয় জগততোপদাৰ্পন কৰিছিল। ১৯১৭ চনত ঢাকাত এখন উৰ্দূ নাটকত তেওঁ সৰু ৰাজকোঁৱৰৰ চৰিত্ৰত অভিনয় কৰিছিল।

তেজপুৰৰ বান ৰঙ্গমঞ্চত নিয়মিয়াকৈ অভিনয় প্ৰদৰ্শন কৰিছিল। পিছলৈ তেওঁ 'যাত্ৰা' পাৰ্টীত সোমাই অভিনয় কৰে। তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী বোলছৱিত বহুত ক্ষেত্ৰত সহায় কৰিছিল। ছিৰাজ, এৰা বাটৰ সুৰ, প্ৰতিধ্বনি; এই বোলছবিবোৰত তেওঁ অভিনয়ো কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভা আছিল এগৰাকী সুনিপুন নৃত্যশিল্পী। ১৯৩৯ চনত বাৰাণসীত কাশী হিন্দু বিশ্ববিদ্যালয়ত তেওঁ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি সৰ্বপল্লী ৰাধাকৃষ্ণণৰপৰা "কলাগুৰু" উপাধি লাভ কৰে।

ৰাভাদেৱে কৈছিল, "আপোনালোকে মোক জীৱন শিল্পী বুলি কয়। যদি প্ৰকৃততে মই জীৱন শিল্পী হওঁ সেয়া ভগৱানৰ কৰুণাত নহয়, জনতাৰ সৃজনী শক্তিতহে। শিল্পী কথাষাৰ আজিকালি বৰ সহজ হৈ পৰিছে। কিন্তু শিল্পী হ'বলৈ হ'লে ঝঞ্ঝা বিজয়ী আত্মাৰ অধিকাৰী হ'ব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজি আৰ্তৰ মুক্তা লাভ কৰা সম্ভৱ।' (ৰাভাদেৱৰ মধ্য গুৱাহাটী বিহু সন্মিলনীত দিয়া ভাষণৰ কিয়দংশ)

মই সশস্ত্ৰ বিপ্লৱত বিশ্বাস কৰো আৰু এটা কমিউনিষ্ট পাৰ্টী হোৱাটো বিচাৰো।' (ৰাভাৰ ৰাজনৈতিক আচৰণ, বাণেশ্বৰ শইকীয়া।)

'মাওবাদ-লেনিনবাদে মোৰ চঞ্চল অস্থিৰ শিল্পী জীৱনলৈ আনি দিছে সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা।'

স্বাভাবিকতেই বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে এজন সৰ্বশ্ৰেষ্ঠ যুগনায়কৰ চিন্তা তথা দৰ্শন জড়িত যিকোনো কথাকে তেওঁৰ সমকালীন সমাজ-বুৰঞ্জীৰ গতি-প্ৰকৃতিৰ পটভূমিতহে অধ্যয়ন কৰিব পৰা যাব।

যাৰবাবেআমি ভুমুকি মাৰিব লাগিব সেই সময়ৰ সোনোৱালী স্বাক্ষৰিত তেওঁৰ বিৰাট অৱদান দেশৰ সাহিত্যসংস্কৃতি কিম্বা আপোন লোকৰ উন্নতিৰ উন্নয়নৰ দিশবোৰত।

যি আজি পৰ্যন্ত উজ্জ্বল জ্যোতিষ্কৰ দৰে জিলিকি আছে।

নগেন কাকতিদেৱে এবাৰ লিখিছিল '...এহাতে ষ্টেনগান আৰু আনহাতে কলম তুলি লৈ চৰকাৰৰ 'দহ হাজাৰটকীয়া পুৰস্কাৰ'ৰ বিপদ মূৰত লৈ 'ঐতিহাসিক অন্যায়'ৰ বিৰুদ্ধে পৃথিৱীজোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী দলৰ অনুপ্ৰেৰণাৰে আত্মগোপন কৰি অসমৰ হালোৱা, হজুৱা, গএঞাক চৰকাৰী দমন উৎপীড়নৰ বিৰুদ্ধে সংগঠিত কৰি ফুৰা এজন বিপ্লৱী শিল্পী ধুমুহাৰ গতিত পাহাৰে ভৈয়ামে দৌৰি ফুৰিছিল।' (বিপ্লৱী গণশিল্পী ৰাভাৰ সোঁৱৰণত)। সেই বিপ্লৱীজনৰ ৰচনাৰাজিত নিহিত আছিল শোষণ-বঞ্চনাৰ বিৰুদ্ধে, কৃষক-শ্ৰমিকৰ মুক্তিৰ গান ,অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদৰ দাবানল। এইগৰাকী মহীৰূহেই হৈছে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। ৰাভাদেৱৰ প্ৰতিটো ৰচনাত সদম্ভে প্ৰকাশ পাইছিল সেই সময়ৰ শাসন ব্যৱস্থাৰ তীব্ৰ প্ৰতিবাদ লগতে এক আহ্বান যে সকলো স্তৰৰ জনসাধাৰণেও যেন সেই সমাজ ব্যৱস্থা ওফৰাই মুক্তিৰ গান গাবলৈ ওলাই আহক। তেওঁ লিখিছিল, 'আগবাঢ়ি ব'ল ভাঙি ছিঙি জুলুমবাজীৰ জালয নকৰিবি ভয়; বল হই শোষণবাদীৰ কাল। ইত্যাদিৰ দৰে কালজয়ী গীত কিম্বা কবিতা। অসমত শংকৰী চিন্তা আৰু সংস্কৃতিৰ পুনৰুজ্জীৱনৰ মাজেদি, কীৰ্তনঘোষা, নামঘোষাৰ শৌৰ্য্য-বীৰ্য্যৰে, নাট-গীত-নাম-বৰগীতৰ তুৰ্যনাদেৰে আজিৰ অসমৰ সমূহ জনগোষ্ঠী তথা নগা, খাচি, মণিপুৰীকে ধৰি উত্তৰ-পূৰ্বৰ সমূহ জাতিকে সামৰি, ঐক্যবদ্ধ কৰি বৰ অসমৰ কাঠাম তৈয়াৰ কৰাৰ কথা ভাবিছিল এইজনা বহু প্ৰতিভাধাৰী ব্যক্তিয়ে ৰাভাৰ আভাই এক উজ্জ্বল নক্ষত্ৰৰ দৰে সেই সময়ৰ অসমক যি এক অনন্য পৰ্যায়লৈ লৈ গৈছিল সেয়া কালজয়ী হৈ ৰব।

*ফোন ঃ ৮৪৮৬৮৯৪৯১৬*

# লগন উকলি গল...

■ তীৰ্থমনি ডেকাৗ

আজি 'ৰাভা দিৱসত' কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। পৰিতাপৰ কথা এয়ে যে আমি ৰাভা দেৱক মাত্ৰ স্মৰণ কৰি আহিছোঁ প্ৰতি বছৰে ২০ জুনত। ৰাভা দিৱসৰ দিনা তাৰ বাহিৰে বছৰৰ বাকী দিনবোৰত আমি তেখেতৰ প্ৰাসংগিকতা পাহৰি থাকো। স্বাধীনতাৰ প্ৰায় ৪০ বছৰ আগতে জন্ম গ্ৰহণ কৰা সিংহ পুৰুষ ৰাভা দেৱৰ অসমৰ প্ৰতি অৱদান সচাকৈয়ে অকল্পনীয়। তেখেত আছিল এজন সম্পূৰ্ণ সাংস্কৃতিক পূজাৰী। বিভিন্ন ক্ষেত্ৰৰ অতুলনীয় অৱদান আগবঢ়াই যোৱা প্ৰতিভাধাৰী ৰাভা দেৱৰ প্ৰাসংগিকতা অসমত বৰাক-ব্ৰহ্মপুত্ৰ প্ৰৱহমান হৈ থকালৈকে থাকিব। কিন্তু দুখৰ বিষয় তেখেতৰ প্ৰাসংগিকতা আৰু প্ৰয়োজনীয়তাৰ মূল্যায়ন কৰাত যেন কৃপলানি কৰিছোঁ।

উত্তৰ পূৰ্বাঞ্চলৰ দুৱাৰমুখ গুৱাহাটীৰ মাজমজিয়াত সুকীয়াকৈ ৰাভা দেৱৰ বিভিন্ন সৃষ্টিৰাজি বিজ্ঞানসন্মত আৰু সাংস্কৃতিক দৃষ্টিৰে সংৰক্ষণ কৰিব পাৰিলে আমি তেখেতৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰা হব। ইয়াৰ উপৰিও অসমৰ নতুন প্ৰজন্মই তেখেতৰ কৰ্মৰাজিৰ জ্ঞান আহৰণ সহজতে কৰিব পাৰিব। নতুন প্ৰজন্মৰ মাজত এইদৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ অমৰ সৃষ্টিৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিব পাৰিলে তেখেতৰ অসমীয়া সংস্কৃতিৰ প্ৰতি অৱদানৰ বিষয়টো ভৱিষ্যতৰ প্ৰজন্মৰ মাজত সোমাই পৰিব। এই সংৰক্ষণৰ দায়িত্ব পালন কৰিব পাৰে চৰকাৰে। অসমৰ বিভিন্ন ঠাইৰ অসমীয়া উদ্যোগপতি সকলে এই মহান কাৰ্যৰ অংশীদাৰ হব পাৰে। এইয়া এক বৃহৎ জনহিতকৰ কাম হব উদ্যোগপতি সকলৰ।

অসম চৰকাৰে ৰাভা দেৱৰ স্মৃতি উজলাই ৰাখিবলৈ যথেষ্ট পৰিমাণে কৰণীয় আছে। অসমৰ বিশ্ববিদ্যালয়ত তেখেতৰ নামত আসন সৃষ্টি কৰিব পাৰে। লগতে বিশ্ববিদ্যালয়বোৰত তেখেতৰ কৰ্মৰাজিৰ ওপৰত গৱেষণা আৰম্ভ কৰিবলৈ চেষ্টা কৰিব পাৰে। স্বাধীনতাৰ আগতেই তেখেতে অসমৰ বাহিৰত গৈ অসমৰ সন্মান বঢ়াইছিল। বাৰানসীৰ বিশ্ববিদ্যালয়ত তেখেতৰ "তাণ্ডৱ নৃত্য" আজিও সকলোৰে মুখে মুখে বন্দিত। গতিকে ৰাভা দেৱ অসমৰ বাহিৰত যিবোৰ ঠাইত তেখেতে প্ৰতিভা প্ৰদৰ্শন কৰিছিল, সৃষ্টি কৰিছিল বিভিন্ন গীত, সাহিত্য সেইবোৰ ঠাইত অসম চৰকাৰে উদ্যোগ লৈ তেখেতৰ প্ৰতিমূৰ্তি বা অন্যধৰণে প্ৰচাৰ আৰু প্ৰসাৰ কৰক। অসম বিধান সভাকক্ষত তেখেতৰ সৃষ্টিৰ কিছু পৰিমাণে প্ৰদৰ্শন কৰি ৰখাৰ ব্যৱস্থা কৰিব পাৰে চৰকাৰে। বিগত বছৰবোৰত দেখা পোৱা গৈছে যে বিভিন্ন চৰকাৰী-বেচৰকাৰী বিদ্যালয়ৰ পৰীক্ষা ৰাভা দিৱসৰ দিনা অনুষ্ঠিত কৰা হয়। ফলত ৰাভা দিৱসৰ উদযাপন এক বুমেৰাং হৈছে। সেয়েহে অসম চৰকাৰে এই ক্ষেত্ৰত স্পষ্ট নিৰ্দেশনা জাৰি কৰক যে ৰাভা দিৱসৰ দিনা যেন পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰে।

ৰাভা দিৱসৰ দিনা আন এটা কথা মনলৈ আহিছে যে ৰাভা দেৱৰ গীত কেইটামানৰ বাহিৰে তেখেতৰ অন্য সৃষ্টিৰাজিৰ বিষয়ত বেছিভাগ মানুহে অৱগত নহয়। আনকি তেখেতে সৃষ্টি কৰা গীতৰ সংখ্যা কিমান সেইয়াও বহুতো কম সংখ্যক মানুহে অৱগত। গতিকে অসমৰ বিভিন্ন ঠাইত ৰাভা দিৱস উদযাপন কৰা উদ্যোগতা সকলে তেখেতৰ বিভিন্ন সৃষ্টিৰাজিৰ কৰ্মশালা তথা প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পাৰে। আমাৰ বিদ্যালয় বোৰত নিম্ন শ্ৰেণীৰ পৰাই বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ৰাভা দেৱৰ অমৰ সৃষ্টিৰ জ্ঞান আহৰণ কৰাৰ সুবিধা কৰি দিব পাৰি।

ৰামায়ণত বৰ্ণিত সীতাই হনুমানক নিজৰ নেজৰ জুই নিজৰ মুখেৰে নুমাব লাগিব বুলি কোৱাৰ লেখিয়া আমি বৃহত্তৰ অসমীয়া জাতিয়ে ৰাভা দেৱৰ অমৰ সৃষ্টিক জীয়াই ৰাখিব লাগিব। আমি নকৰিলে অইনে কৰিব এই মনোভাৱ পোষণ কৰি থাকিলে অতি কম সময়ৰ ভিতৰত তেখেতৰ কৰ্মৰাজি পাহৰণিৰ গৰ্ভত সোমাই পৰিব। সময় সমাগত আমি সকলোৱে মিলি তেখেতৰ সৃষ্টিক অমৰ কৰি ৰখাৰ দায়িত্ব পালন কৰা। বিগত সময়চোৱাত দেখা গৈছে যে নতুন প্ৰজন্মৰ মাজত অসমীয়া ভাষা, কৃষ্টি-সংস্কৃতিৰ প্ৰতি এক অনীহা ভাৱ। এইয়া এক অত্যন্ত অশুভ লক্ষণ। এই অনীহা ভাৱ সময়ত আতৰাই পঠাব নোৱাৰিলে বৃহত্তৰ অসমীয়া জাতিটোৰ অপুৰণীয় ক্ষতিসাধন হব। অন্যথাই 'লগন উকলি গল তেওঁযে...।

*ফোন ঃ ৮৮১১৯৬১৮৭৯*

# বিষ্ণু প্ৰসাদ ৰাভা মানুহজন

**১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে বাৰানসীত 'তাণ্ডৱ নৃত্য' প্ৰদৰ্শন কৰি খ্যাতি অৰ্জন কৰে। ইয়াতেই সৰ্বপৰ্বল্লী ৰাধাকৃষ্ণণে তেখেতক 'কলাগুৰু' উপাধি প্ৰদান কৰে**

■ সাগৰিকা কলিতা

আজি এই পবিত্ৰ দিনটোত বিষ্ণু প্ৰাসাদ ৰাভা দেৱলৈ আমাৰ প্ৰণাম। ১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢাকাত জন্ম গ্ৰহণ কৰা এটা মহান আত্মা। অসমৰ প্ৰতিনিধি ভাৰতবৰ্ষক অসম বুলি কলে যি এটা ভাল লগা অনুভৱ হৃদয়ত হয়,সেই অনুভৱ আমাক দিছে বহু জন মহান মনিষিয়ে। তেনে মহান আত্মাৰ অৱদান, ত্যাগেৰে আজি অসমখন ইমান ধুনীয়া।জৌতি প্ৰাসাদ আগৰৱালা,বিষ্ণু প্ৰাসাদ ৰাভা, ডঞ্জং ভূপেন হাজৰিকা, আৰু বহু জন মহান ব্যক্তিক বাদ দি অসমীয়া কলা, সংগীত, সাহিত্য কোনো সম্পূৰ্ণ নহয়।

বিষ্ণু প্ৰাসাদ ৰাভাৰ ত্যাগ যাৰ বাবে আজি তেওঁ গোটে ভাৰতবৰ্ষত পৰিচিত। জমিদাৰ পিতৃৰ পৰা বিষ্ণু প্ৰাসাদ ৰাভা দেৱে পোৱা বহু মাটি তেখেতে কৃষক সকলক দান দিছিলে যাতে খেতিয়ক সকলে তাত খেতি কৰি জীৱন নিৰ্বাহ কৰিব পাৰে। জমিদাৰৰ পুত্ৰ হৈও বিষ্ণু প্ৰাসাদ ৰাভা দেৱে গাঁৱে ভুৱে ঘূৰি জীৱন নিৰ্বাহ কৰিছিল। সংগীতৰ মহান গুৰুৰ লগতে, তেওঁ এজন চিত্ৰশিল্পী আছিলে। ১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী কথাছবিত নৃত্য পৰিচালনাত সহযোগ কৰে। নটৰাজৰ নৃত্যৰ তেওঁ বিখ্যাত হৈ পৰিছিল সমগ্ৰ ভাৰতবৰ্ষতে। ১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে বাৰানসীত 'তাণ্ডৱ নৃত্য' প্ৰদৰ্শন কৰি খ্যাতি অৰ্জন কৰে। ইয়াতেই সৰ্বপৰ্বল্লী ৰাধাকৃষ্ণণে তেখেতক 'কলাগুৰু' উপাধি প্ৰদান কৰে। তেওঁ সমাজ পৰিৱৰ্তনৰ বাবে আহাৰাহ চেষ্টা কৰিছিলে আৰু ৰাজনীতিত সোমাই পৰে।সকলো গুণেৰে সমৃদ্ধ এজন এজন মহান আত্মাই জন্ম গ্ৰহণ কৰি ভাৰতবৰ্ষৰ মাটিক পবিত্ৰ কৰিছিলে। সাহিত্যৰ জগতখনত ৰাভা দেৱে অলেখ অৱদান আগবঢ়াই। কলেজত পঢ়ি থকা কালতে ৰাভাই মাধৱচন্দ্ৰ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত 'বাঁহী' আলোচনীৰ চিত্ৰলেখা বিভাগটো পৰিচালনা কৰিছিল আৰু 'আৱাহন' আলোচনীত প্ৰবন্ধ-পাতি লিখা-মেলা কৰিছিল।বিষ্ণুপ্ৰসাদ ৰাভাই লগতে কবিতা গল্প, উপন্যাস আৰুঅসমীয়া সমাজ-সংস্কৃতি বিষয়ক প্ৰবন্ধ পুথি ৰচনা কৰিছিল। তেওঁ 'বৃহত্তৰ অসমৰ পৰিকল্পনা' নামৰ এলানি প্ৰবন্ধ ১৯৩০ চনৰ পৰা একেলেঠাৰিয়ে 'বাঁহী'ত প্ৰকাশ পাইছিল।

১৯৬৯ চনৰ ২০ জুনজু তাৰিখে তেজপুৰত ৰাভাদেৱে মৃত্যু ক সাবটি লয়। তেখেতে অন্তিম সময়ত লিখা গীতটি নিজে সুৰ কৰিব নাপালে ডঞ্জ ভূপেন হাজৰিকা দেৱে সেই গীতটো সুৰ দিয়ে—

'এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰগিণী

*ফোন ঃ ৬০০৩১-৪০৬৯৯*



# বিষ্ণুৰাভা দিৱস পালনতে আমাৰ দায়িত্ব শেষ নহয়!



■ ভুপেশ খাটনিয়াৰ

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে সোণৰ অসম গঢ় দিয়াৰ পৰিকল্পনা কৰিছিল। কিন্তু দুখৰ কথা এয়াই যে কম সময়ৰ ভিতৰতে সকলো অবদান আমালৈ দি থৈ গ'ল। মোৰ একান্ত অনুভৱ বিষ্ণুৰাভাদেৱে সমাজখনক দিবলগীয়া বহু বাৰ্তাই দিবলৈ থাকি গ'ল। ন'হলে আজি জাতিটো সংকটত নপৰিলেহেতেন। আমাৰ সমাজত সাধাৰণতে দেখা যায় যে এগৰাকী শিল্পীৰ গীতখিনিকেই প্ৰাধান্য দিয়া হয়। কিন্তু বিষ্ণুৰাভাৰ দৰে এজন শিল্পীৰ বহুতেই অবদান আছে। যিখিনি হয়তো আজিৰ প্ৰজন্মই জানিবলৈ ইচ্ছা নকৰে। যাৰ কাৰণে হয়তো এই সংগীতৰ চৰ্চা যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। সম্পূৰ্ণৰূপে এজন দায়িত্বশীল ব্যক্তিত্বৰ গৰাকী আছিল বিষ্ণুৰাভা। এটা সময়ত ভুপেনদাক যেতিয়া অসম সাহিত্য সভাৰ সভাপতি পদত অলংকৃত কৰে তেতিয়াও তেওঁক সমালোচনা কৰিছিল যে এজন অকল গীতি সাহিত্যৰ চৰ্চা কৰা ব্যক্তিয়ে কেনেকৈ এই পদত অধিষ্ঠিত হ'ব পাৰে। এগৰাকী শিল্পীয়ে গীতৰ মাজেৰে সামাজিক দায়িবদ্ধতা তথা ৰাজনৈতিক কৰ্মৰাজিৰ দ্বাৰা বহু উল্লেখনীয় অবদান দি থৈ গৈছে। যিবোৰ চৰ্চা কৰাৰ একান্ত প্ৰয়োজন অনুভৱ কৰো। এই ক্ষেত্ৰত বিষ্ণুৰাভাৰ পুত্ৰ পৃথ্বীৰাজ ৰাভাই যথেষ্ট আগভাগ লৈছিল ।ভুপেনদাই নিজৰ দৃষ্টিভংগীৰে অতি সুন্দৰকৈ জ্যোতি ককাই আৰু বিষ্ণু ককাইৰ ব্যক্তিত্বৰ কথা লিখি উপহাৰ হিচাপে দি গৈছে। বছৰেকৰ মুৰত বিষ্ণুৰাভাৰ জন্মজয়ন্তী বা মৃত্যু তিথি উদযাপন কৰিলেই আমাৰ দায়িত্ব শেষ হৈ নাযায়। অসমীয়া সংস্কৃতিক জীয়াই ৰাখিবলৈ হলে গভীৰভাৱে চৰ্চা কৰাৰ প্ৰয়োজন আছে। আজিৰ একাংশই এই গানবোৰক পৰিবেশন কৰিবলৈ ইমান কুণ্ঠাবোধ কৰে কিয়? তেখেত সকলৰ সৃষ্টিৰাজিৰ প্ৰকৃত সংৰক্ষণ আৰু গবেষণাৰ যথেষ্ট প্ৰয়োজন আছে। এই ক্ষেত্ৰত সাংস্কৃতিক বিভাগটোৰ দায়িত্ব যথেষ্ট আছে, কৰণীয়ো বহুত আছে। অকল শিল্পী সকলে সকলো কাম কৰিবলৈ কঠিন হৈ পৰে। আমি সংকল্পবদ্ধ হবলাগে বৰ্তমানৰ অগ্ৰজ শিল্পীসকল ওলাই আহি নৱ প্ৰজন্মৰ শিল্পীসকলক লগত লৈ হাতে হাত ধৰি কত ভুলবোৰ হৈ আছে পৰীক্ষা নিৰীক্ষা কৰি চৰ্চা কৰিলে হয়তো এদিন উজলিব বিষ্ণুৰাভা সংগীত ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত। এই ক্ষেত্ৰত জুবিন গাৰ্গে যথেষ্ট যত্ন কৰিছে।

যিকোনো এগৰাকী শিল্পী, তেওঁৰ ব্যক্তিত্ব বা আদৰ্শ তেওঁৰ সংগ্ৰাম তেওঁৰ জীৱনজোৰা সাধনাকে ধৰি তেওঁৰ সৃষ্টিৰাজিৰ এক সামগ্ৰিক মূল্যায়ণ সন্মুখত ৰখাকৈ ছেগা চোৰোকাকৈ বছৰৰ মূৰত দুই এটা গান থাপ মাৰি আনি অতি শুদ্ধকৈ গালেই নহ'ব। কিন্তু আজিকালি জ্যোতিপ্ৰসাদেই হওক, বিষ্ণুৰাভাই হওক, ভুপেন হাজৰিকাই হওক এই অগ্ৰজসকলৰ গীতসকলৰ গীতসমূহৰ বিভিন্ন কৰ্মশালা অথবা বৈদ্যুতিক মাধ্যমৰ জৰিয়তে শুদ্ধকৈ গোৱাত যিমান গুৰুত্ব দিয়া হয় তাৰ সামান্য গুৰুত্ব দিয়া নহয় শিল্পীগৰাকীৰ সৃষ্টিশীল কাম কাজৰ অন্তৰালত নিহিত থকা ত্যাগ, সাধনা, সংগ্ৰাম তথা আদৰ্শৰ ওপৰত। বিষ্ণুৰাভাৰ গানৰ চৰ্চা কৰিবলৈ যাওতে শিল্পী গৰাকীৰ জীৱন প্ৰণালী, তেওৰ মতাদৰ্শ, লগতে গীতসমূহৰ সৃষ্টিৰ সময় বা প্ৰেক্ষাপটত সঠিকভাৱে জানিব লাগিব। তেতিয়াহে তেওঁৰ গানবিলাকৰ মৰ্ম উপলব্ধ কৰাৰ লগতে প্ৰাণ ভৰি গাব পৰা যাব। উদাহৰণ স্বৰূপে 'পৰজনমৰ শুভ লগনত' বা 'লগন উকলি গ'ল' এই ধৰণৰ গানৰ সৈতে 'ব'ল ব'ল কৃষক শক্তি দল', 'তেজৰ বোলেৰে লিখা ইতিহাস', বা 'অ' অসমীয়া ডেকা দল' আদি গীতৰ সৃষ্টি পটভূমি আৰু সময় ভিন্ন ভিন্ন। সেয়ে বিষ্ণুৰাভাৰ গীতৰ চৰ্চা কৰোতে গীতসমূহৰ সময় আৰু পটভূমি অধ্যয়ন কৰাটো নিত্যান্তই প্ৰয়োজনীয়। বিষ্ণুৰাভাৰ দৰে শিল্পীসকলৰ গীতসমূহৰ বৈশিষ্ট্যৰ মূলতে আছিল গীতসমূহৰ বিষয়বস্তুৰ বিচিত্ৰতা, তাল, মান, লয় আদি সাংগীতিক অলংকাৰসমূহৰ ওপৰত কৰা পৰী ক্ষা নিৰীক্ষাবিলাক। সংখ্যাত তাকৰ হ'লেও এইসকলক শিল্পীৰ গীতসমূহৰ কোনোটোৱে পতান হৈ উৰি যোৱা নাছিল আৰু ধানৰ দৰে ওজন লৈ মানুহৰ মনত সাজ

বহুৰাব পাৰিছিল আৰু যাউতি যুগীয়া হৈছিল। বিষ্ণুৰাভা বা জ্যোতিপ্ৰসাদ, পাৰ্বতি প্ৰসাদ, ভূপেন হাজৰিকা আদিলৈকে সেইসকলে গীতৰ ভাষাতোৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছিল। বেছি উদাহৰণ নিদি 'এই মোৰ শেষ গান'ৰ কথাংশলৈ গ'লেই এইসকল স্ৰষ্টাৰ অনবদ্য সৃষ্টিৰ মহিমা বুজিব পাৰি। সেয়ে বিষ্ণুৰাভাৰ গীতৰ মাত চৰ্চা কৰোতে কেবল মনোৰঞ্জনৰ দিশটোৰ ওপৰত গুৰুত্ব নিদি ইয়াৰ ভিতৰত মৰ্মবস্তু সঠিকভাৱে উপস্থাপন কৰিলে গায়ক গায়িকাসকল নিজে নিজেই উপকৃত হ'ব। তেওলোকৰ সৃষ্টিয়ে নতুনত্বৰ বাট বিচাৰি পাব।

*ফোন: ৯৮৬৪৪৫১৭২৮*

# কলাগুৰুক জীয়াই ৰাখিব লাগিব

কলাগুৰু বিষ্ণু ৰাভাৰ মৃত্যুৰ আজি বহু কাল হ'ল। ৰজা ঘৰে প্ৰজা ঘৰে প্ৰতি বছৰে আজিৰ এই ২০ জুনৰ নিৰ্দিষ্ট দিনটোত বাৰেৰহনীয়া কৃষ্টিৰ অপূৰ্ব সমাহাৰেৰে উদ্‌যাপিত হয় ৰাভাৰ স্মৰণ উছৱ। কিন্তু আজিৰ দিনটো পাৰ হৈ যোৱাৰ পাছত...? বছৰটোৰ বাবে পাহৰি পেলোৱা হব জনতাৰ শিল্পী কলাগুৰু বিষ্ণু ৰাভাক! তেন্তে, কি অৰ্থত এইবোৰ জাক জমকতাৰ বৃহৎ আয়োজন? এদিনৰ বাবে মনত পেলালেই শিল্পীজনাক প্ৰকৃত সন্মান জনোৱা হয় নেকি? ৰাভাৰ আভাৰে সমুজ্জল অসমীয়া জাতিয়ে কৰিছোনে ৰাভাৰ চিন্তা, ৰাভাৰ আদৰ্শ, ৰাভাৰ বিপ্লৱী সত্তাৰ আঁহে আঁহে প্ৰবাহিত জনতাৰ মংগলকামী চিন্তা চেতনাৰ উচিত মূল্যায়ন? আন নালাগে সাংস্কৃতিক নগৰী তেজপুৰৰ কলিবাৰী ত থকা কলাগুৰুৰ জৰাজীৰ্ণ ঘৰটোৱেই শিল্পীগৰাকীৰ প্ৰতি কৰা আমাৰ অৱহেলাৰ সাক্ষী নহয় নে? কলাগুৰুৰ সমাধি ক্ষেত্ৰ 'সমন্বয় ক্ষেত্ৰ' ও লুইতৰ খহনীয়াৰ কৱলত আজি যাঁও কালি যাও অৱস্থাত। কিমান দিনলৈ অক্ষত হৈ থাকে সেয়া অনিশ্চিত। বছৰৰ সৰহদিন এৰাপৰলীয়া হৈয়ে থাকে সমন্বয়ক্ষেত্ৰখন। প্ৰশ্ন হৈছে— কলাগুৰুৰ নামত বছেৰেকৰ এটা দিন বা এটা সপ্তাহ নৃত্য গীত কবিতাৰ প্ৰতিযোগিতা পাতি, সভা সমিতিত সেই একেখিনি কথাকে বছৰৰ পাছত বছৰ গাই বাই থাকিলেই আজীৱন ৰাইজৰ বাবে সৰ্বস্ব ত্যাগ কৰি নিস্বাৰ্থ ভাৱে সংগ্ৰাম কৰি যোৱা ৰাভাদেৱক আমাৰ পাছৰ প্ৰজন্মলৈ জীয়াই ৰাখিব পাৰিম নে?

প্ৰকৃতাৰ্থত, ৰাভাদেৱৰ গোটেই জীৱন পৰিক্ৰমাত আমি যদি চকু ফুৰাও, দেখা পাম এক বিপ্লৱী সত্তাৰ বহ্নিমান অগ্নিশিখাৰ আভাই সমসাময়িক সমাজখনত আলোকিত কৰি তুলিছিল আৰু সেই আভাই বৃহত্তৰ অসমীয়া জাতীয় জীৱনক কাললৈ সমুজ্বল কৰি থৈ গৈছে। কি নাছিল তেওঁ। সঁচা অৰ্থত এগৰাকী জনতাৰ শিল্পী, মানুহৰ শিল্পী। জনতাৰ অন্তৰৰ আঁহে কোঁহে বিপ্লৱৰ বীজ চতিঁয়াই মানুহৰ জয়গান গোৱা ৰাভাই দেখিছিল এখন সাম্য মৈত্ৰীৰ চন্দ্ৰতাপৰ তলত একত্ৰিত সুবৃহৎ অসমীয়া জাতি গঠনৰ সপোন। এটা কথা থিক যে জনতাৰ পূজাৰী, বিপ্লৱী সত্তা কলাগুৰু বিষ্ণু ৰাভাৰ প্ৰকৃত মূল্যায়ন তেতিয়ালৈকে নহব যেতিয়ালৈকে প্ৰতিগৰাকী অসমীয়া উঠি অহা প্ৰজন্মৰ অন্তৰলৈ ৰাভাৰ মতাদৰ্শ, ৰাভাৰ চিন্তা চেতনাত প্ৰবাহিত দেশপ্ৰেম, জাতিপ্ৰেম, মানুহৰ জয়গানৰ বিপ্লৱ প্ৰবাহিত কৰি নিব নোৱাৰো। আজি নতুন প্ৰজন্মক আমি পিতৃ মাতৃ, সমাজৰ জ্যেষ্ঠজনে কিছুমান দিশৰ জ্ঞান দিয়াত ব্যৰ্থ হৈছো। বিশেষভাৱে জাতিটোক সন্মান আৰু মৰ্যদাৰ উচ্চশিখৰত আৰোহিত কৰা মহাপুৰুষসকলৰ জীৱন আৰু চিন্তা আদৰ্শ দৰ্শনক নতুন চামলৈ লৈ যোৱাৰ ক্ষেত্ৰত আমি লাজ লগাকৈয়ে ব্যৰ্থ হৈছো। এটা কথা মনত ৰখা ভাল যে যেতিয়ালৈকে এটা জাতিৰ প্ৰতিগৰাকী মানুহৰ মনত জাতীয়তাবোধ আৰু স্বাভিমানৰ বীজবোৰ গজি নুঠিব, নিজৰ জাতি, মাটি আৰু মানুহৰ বাবে চিন্তা কৰাৰ প্ৰৱনতা গঢ় লৈ নুঠিব, তেতিয়ালৈকে, কোনো কাৰণতে জাতি এটা উন্নতিৰ জখলাত বগাব নোৱাৰে। অসমীয়া জাতি পিছ পৰি ৰোৱাৰ প্ৰধান কাৰণেই হৈছে

■ হিমাংশু ৰণ্জন ভূঞা

আমাৰ জাতীয়তাবোধ আৰু স্বাভীমানৰ অভাৱ। আজি আমি আজি নিজৰ মাতৃভাষাটোতে আমাৰ সন্তানসকলক শিক্ষাগ্ৰহণ কৰিবলৈ দিবলৈ টান পাওঁ। কিদৰে তেওঁলোকৰ মনত জাতীয়তাবোধ, জাতি-মাটি, কৃষ্টি সংস্কৃতিৰ প্ৰতি ভালপোৱাৰ ভাৱ জাগৃত কৰিম? জ্যোতিপ্ৰসাদ-বিষ্ণু ৰাভাই ওৰেটো জীৱন জাতীয়তাবোধ জাতি মাটি কৃষ্টি সংস্কৃতিৰ জয়গানকে গাই গ'ল।

আজি অসমৰ কিমান জন নতুন পুৰুষে জ্যোতি বিষ্ণুক চিনি পাই, পালেও কিমান জনে তেওঁলোকৰ চিন্তা কৰ্ম আদৰ্শৰ কথা জানে, সেয়া এক ডাঙৰ প্ৰশ্ন। এটা কথা থিক যে কেৱল প্ৰতিযোগিতাত অংশ লবলৈ জ্যোতি সংগীত বিষ্ণু ৰাভা সংগীত শিকালেই নহব , প্ৰতিগৰাকী পিতৃ মাতৃয়ে সৰুৰ পৰাই এইসকল মহা মনীষিৰ জীৱন, তেওঁলোকৰ আদৰ্শৰ কথা সন্তানসকলক জানিবলৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে, কৰা উচিত। এটা কথা প্ৰাসংগিকভাৱে উল্লেখ কৰো, ইংৰাজী মাধ্যমত পঢ়ুৱাই সন্তানক 'লাট চাহাব' কৰা এই সকল পিতৃ মাতৃয়ে জনা উচিত যে ডাঙৰ হৈ তেওঁলোকৰ সন্তানে যেতিয়া দেশ বিদেশৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ সাক্ষাৎকাৰ দিবলৈ যাব, অসমৰ পৰা আহিছো বুলি ক'লে কিন্তু অসমৰ ঐতিহ্য সংস্কৃতি ৰ ওপৰত থকা জ্ঞানৰ পৰীক্ষা ল'ব, অসমীয়া সংস্কৃতিৰ সম্পৰ্কে সুধিব, ভৱিষ্যত জীৱনৰ শৈক্ষিক ক্ষেত্ৰত পৃথিৱীৰ যি ভাষাতে , যতেই নপঢ়ক পদে পদে কিন্তু নিজৰ সাহিত্য সংস্কৃতিৰ কথা, এই মহান মনিষীসকলৰ কথা প্ৰয়োজন হ'ব। গতিকে সৰুৰ পৰা প্ৰস্তুত কৰা ভাল। লগতে যেতিয়া প্ৰকৃতাৰ্থত আমি নতুন পুৰুষ সকললৈ এই মহাজীৱনৰ চানেকি লৈ যাম, তেওঁলোকৰ চিন্তা, আদৰ্শৰে অনুপ্ৰাণিত কৰিম , নতুন পুৰুষ সকলে তেওঁলোকৰ সম্পৰ্কত বিশদভাৱে জনাই নহয়, এইসকল মহামনীষিৰ জীৱনৰ চানেকিৰে উদ্বুদ্ধ হৈ দেশৰ বাবে, দহৰ বাবে সেৱা কৰাৰ মানসিকতা এটাও সৰুৰ পৰা গঢ়ি উঠিব। আজিৰ দিনটোত যদি সৰুখিনিৰ কথা বাদেই দিছো, বৰ্তমান নৱম-দশম বা একাদশ দ্বাদশ শ্ৰেণীত পঢ়ি থকা আমাৰ অসমীয়া ছাত্ৰ-ছাত্ৰীক ৰাভাৰ বৰ্ণাঢ্য সাংস্কৃতিক জীৱন আৰু সংগ্ৰামী সত্বাৰ বিষয়ে কিবা সৰু প্ৰশ্ন এটাও কৰা যায়, কিমানে শুদ্ধ উত্তৰ দিব পাৰিব সেয়া সন্দেহৰ আৱৰ্তত। গতিকে দেখা গৈছে বিষ্ণু প্ৰসাদ ৰাভাৰ দৰে মহান শিল্পী যি আজীৱন আপোনাৰ মোৰ দৰে সাধাৰণ মানুহখিনিৰ হকে সংগ্ৰাম কৰি কাৰাবাস পৰ্যন্ত খাটি দেশ আৰু জাতিৰ জয়গাণ গাই গ'ল, তেওঁৰ চিন্তা আৰু আদৰ্শ ৰ কথা টো বাদ দিছো, তেওঁৰ জীৱনৰ সামান্যতম জ্ঞানখিনিও কিন্তু পিছৰ প্ৰজন্মক আমি দিব পৰা নাই।

ইয়াৰোপৰি তেওঁৰ কলিবাৰীত থকা ঘৰখন চৰকাৰী পৃষ্ঠপোষকতাত কিন্তু এটা সংগ্ৰহালয় হিচাপে গঢ়ি তুলি ছাত্ৰ-ছাত্ৰী তথা নতুন পুৰুষসকলে যাতে তালৈ গৈ ৰাভাদেৱৰ জীৱন কৰ্ম চিন্তাৰাজীৰ কিছু হ'লেও এটা জ্ঞান পাব পাৰে তাৰ ব্যৱস্থা কৰিব পাৰিলেহেতেন। কিন্তু কাৰো সদিচ্ছা হয়তো নাই যাৰ বাবে অতি পুতৌজনক অৱস্থাত জৰাজীৰ্ণ ৰূপত ত্ৰমাৎ ধ্বংসমূখে গতি কৰিছে কলাগুৰুৰ স্মৃতি বিজড়িত এই বিখ্যাত ঘৰটো। আমাৰ অসমত শিল্পীসকলৰ অৱস্থা অতীজৰে পৰাই পুতৌলগা অথচ তেওঁলোকে ব্যক্তিগত সকলো ত্যাগ কৰি কেৱল ৰাইজৰ বাবে,জাতিৰ বাবে সৃষ্টি কৰি যায়, সংগ্ৰাম কৰি যায়।

আজি এই মহান শিল্পী, সংগ্ৰামী সত্বা কলাগুৰু বিষ্ণু ৰাভাৰ পবিত্ৰ স্মৃতি দিৱসত অন্তৰৰ শত - সহস্ৰ প্ৰণিপাত জনোৱাৰ লগতে কামনা কৰিছো - কেৱল আজিৰ এই ২০ জুনৰ দিনটোতেই কিয়, তেওঁৰ জীৱন আৰু কৰ্ম ৰাজীৰ চৰ্চা প্ৰতিনিয়ত হৈ থাকক, ওৰেটো জীৱন জাতি-মাটি আৰু মানুহৰ বাবে সংগ্ৰাম




কৰি যোৱা এই মহান শিল্পীজনক নতুন চাম পুৰুষৰ কাষলৈ লৈ যোৱাৰ বাবে সকলো তৎপৰ হওঁক। কলাগুৰু বিষ্ণু ৰাভাদেৱৰ সংগ্ৰামী সত্তা, তেখেতৰ সাংস্কৃতিক বিপ্লৱৰ ধ্যাণ ধাৰণাৰ প্ৰকৃত মূল্যায়ন হোৱা নিত্যান্ত প্ৰয়োজন। প্ৰতিগৰাকী নতুন প্ৰজন্মক এই মহাজীৱনৰ আভাৰে আলোকিত কৰাৰ সময় সমাগত। ৰাইজে বিচৰা প্ৰকৃত জনতাৰ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে ৰাইজৰ মাজত সোমাই পৰি নিৰলস সাধনাৰে ৰাইজৰ মুক্তিৰ সপোন বাস্তৱায়িত কৰাৰ বাবে জীৱন উচৰ্গা কৰা ৰাভাদেৱক, তেওঁৰ চিন্তা আদৰ্শক স্থায়ীভাৱে জীয়াই ৰাখিবৰ চিন্তা-চৰ্চা কৰা অতি প্ৰয়োজনীয় হৈ পৰিছে। এইক্ষেত্ৰত জাতীয় অনুষ্ঠান সমূহৰ লগতে অসমৰ প্ৰতিগৰাকী সচেতন মানুহ আগবাঢ়ি অহা নিত্যান্ত প্ৰয়োজন। কেৱল বছৰৰ এটা দিনত দেখাক দেখি বিষ্ণু ৰাভা দিৱস পাতিলেই দায়িত্ব শেষ নহয়। নতুন প্ৰজন্মই ৰাভাক প্ৰকৃতাৰ্থত চিনি পোৱাৰ বাবে, তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱাৰ বাবে ই এক ডাঙৰ পদক্ষেপ হ'ব।

# ৰাভা দিৱস আৰু ইয়াৰ তাৎপৰ্য

■ ধন মণি বৰদলৈ

এক নক্ষত্ৰ, যিজনে নৃত্য, গীত-মাত, সাহিত্য জগতৰ বিশাল অৱদানৰ লগতে আৰু নানান কামৰ মাজৰে মৰিও আজি আমাৰ মাজত অমৰ। গানৰ মাজেৰেই তেওঁ কৈ গৈছে—

'অসমীয়া ডেকা দল অ'
অ' অসমীয়া ডেকা দল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল?
দুৰ্গম নদ পাহাৰ গিৰী
লম্ভিছিলে ডেকাগিৰি
সুন্দৰ শংকৰে লৰি
কৰিছিলে তল।
দেখুৱাইছিল জগত জুৰি
অসীম বাহুৰ বল
অ' অসীম বাহুৰ বল
সিয়ো যে তোৰ নাইকিয়া হ'ল।



সমগ্ৰ ভাৰত তথা বিশ্ব চিনাকি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দেৱৰ ৫৩ বছৰীয়া মৃত্যু বাৰ্ষিকী। ইয়াৰ উপলক্ষে ৰাজ্য জুৰি পালন কৰিছে ৰাভা দিৱস। তুমি সুৱাস অসমীৰে, তুমি সুৱাস সৃষ্টিৰে, গতিকে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভালৈ ৰাভা দিৱস উপলক্ষে প্ৰথমে সতকোটি প্ৰণাম জনাইছোঁ। অসমীয়া সংস্কৃতিৰ পূজাৰী আৰু অসমৰ বিপ্লৱী শিল্পী বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হৈছিল ১৯০৯ চনৰ ৩১ জানুৱাৰী চনৰ ৩১ জানুৱাৰীত বেঙ্গল প্ৰেসিডেন্সি (এতিয়াৰ বাংলাদেশ) ঢাকাত। বিষ্ণু প্ৰসাদ ৰাভাৰ একাধাৰে এজন কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, নৃত্যবিদ, চিত্ৰকৰ, অভিনেতা আৰু মুক্তি যুঁজাৰু আছিল। কাশীৰ হিন্দু বিশ্ববিদ্যালয়ত প্ৰদৰ্শন কৰা 'নটৰাজ' নৃত্যত বিমুগ্ধ হৈ আৰু তেখেতৰ সাংস্কৃতিক বৰঙনিলৈ সন্মান জনাই সেই সময়ৰ হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে তেখেতক ১৯৩৯ চনত কলাগুৰু উপাধি প্ৰদান কৰিছিল। তেখেতৰ পিতৃ নাম আছিল গোপাল চন্দ্ৰ মুছাহাৰী। জন্মসূত্ৰে গোপাল চন্দ্ৰ মুছাহাৰী বড়ো জনগোষ্ঠীৰ হ'লেও তেখেত এটা ৰাভা পৰিয়ালত ডাঙৰ হৈছিল। পাছলৈ তেখেতে সেয়ে 'ৰাভা' উপাধি গ্ৰহণ কৰে। ব্ৰিটিছ সেনাৰ উচ্চ পদস্থ বিষয়া গোপালচন্দ্ৰ ৰাভাক 'ৰায়বাহাদুৰ' উপাধি যঁচা হৈছিল। গোপাল ৰাভাক বেংগলৰ গৱৰ্ণৰৰ এ ডি চি (A.D.C. to the Governor of Bengal) পদলৈ পদোন্নতি দিয়া হৈছিল। দৰং জিলাৰ চাবেক বাসিন্দা গোপাল ৰাভা, তেজপুৰৰ বাণ ৰঙ্গমঞ্চৰ লগত জড়িত আছিল। বিষ্ণুপ্ৰসাদ ৰাভাই ঢাকাৰ সেনা বিভাগৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ আৰম্ভ কৰিছিল। কিন্তু হাইস্কুলীয়া শিক্ষা সাং কৰাৰ আগেয়েই পিতৃৰ মৃত্যু হোৱাত বিষ্ণু ৰাভা তেজপুৰত সম্বন্ধীয় লোকৰ ঘৰত থাকিবলৈ লয়। তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰাই ১৯২৬ চনত তেখেতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। এই পৰীক্ষাত সকলো পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ বাবে তেওঁ 'কুইন এমপ্ৰেছ' পদক লাভ কৰে।

১৯২৮ চনত তেওঁ চেণ্টপল' কলেজৰ পৰা প্ৰথম বিভাগত আই এছ ছি পাছ কৰে।তাৰ পাছত কলেজীয়া শিক্ষা গ্ৰহণৰ বাবে ৰাভা কলিকতালৈ যায় আৰু ৰিপন কলেজত পদাৰ্থ বিজ্ঞান বিভাগত স্নাতক শিক্ষা আৰম্ভ কৰে। ১৯২৯ চনত স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিকত কলেজৰ ছাত্ৰ সকলৰ সৈতে তেখেতে ভাৰতৰ স্বাধীনতা সংগ্ৰামত নামি পৰে আৰু আৰ চি পি আই বা ভাৰতৰ বিপ্লৱী সাম্যবাদী দলত যোগ দিয়ে। কোচবিহাৰতো তেখেত স্বাধীনতা আন্দোলনত যোগদান কৰে আৰু সেই অপৰাধত কলেজ কৰ্তৃপক্ষই বাধ্যতামূলক বদলিৰ নিৰ্দেশ দিয়াত ৰংপুৰ কাৰমাইকেল কলেজৰ কলা বিভাগৰ চতুৰ্থ বাৰ্ষিকত নাম ভৰ্তি কৰে। ইয়াতো আৰক্ষী তেখেতৰ পাছত লগাত পঢ়া আধাতে এৰি দি ১৯৩১ চনত ঘৰলৈ ঘূৰি আহে। সংগ্ৰামী আৰু সাংস্কৃতিক জীৱন সম্পাদনা ক্ষেত্ৰত আছিল এক অনবদ্য অৱদান।ৰংপুৰ কলেজত পঢ়ি থকা কালতে ৰাভাই মাধৱচন্দ্ৰ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত 'বাঁহী' আলোচনীৰ চিত্ৰলেখা বিভাগটো পৰিচালনা কৰিছিল আৰু 'আৱাহন' আলোচনীত প্ৰবন্ধ-পাতি লিখা-মেলা কৰিছিল।১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী কথাছবিত নৃত্য পৰিচালনাতো সহযোগ কৰিছিল।জ্যোতিপ্ৰসাদৰ লগত লগ লাগি ১৯৩৫-৩৭ চনত ৰাভাই 'জয়মতী' আৰু 'শোণিত কুঁৱৰী' নাটকৰ বাণীবদ্ধ ৰূপ প্ৰস্তুত কৰিছিল।

বিষ্ণুপ্ৰসাদ আগৰৱালাৰ মতে স্বাধীনতাৰ অৰ্থ আছিল পুঁজিবাদৰ পৰা পোৱা স্বাধীনতা, দুৰ্বল আৰ্থিক অৱস্থাৰ পৰা জনতাক স্বাধীন কৰি, সমাজত সকলোকে আৰ্থিকভাৱে সবল কৰিব বিচাৰিছিল বিষ্ণুৰাভাই। বিষ্ণুৰাভাৰ মন্তব্য অনুসৰি মানুহৰ প্ৰকৃত সংঘৰ্ষ আৰম্ভ হ'ল ১৯৪৭ চনৰ পিছতহে। বিষ্ণুপ্ৰসাদ ৰাভাই অসমৰ বিভিন্ন জনজাতিসকলৰ বিকাশৰ কাৰণে বিভিন্ন পন্থা হাতত লৈছিল। ব্ৰিটিছ চৰকাৰৰ পৰা পোৱা ২৫০০ বিঘা ভূমি বিষ্ণুপ্ৰসাদ ৰাভাই কৃষকসকলক দান দিছিল।

কৃষকসকলৰ কাৰণে তেওঁৰ এটি প্ৰসিদ্ধ শ্ল'গান আছে যে 'হাল যাৰ মাটি তাৰ'। অৰ্থাৎ যিসকল লোকে খেতি কৰে। তেওঁলোকেই মাটিৰ অধীকাৰী হ'ব লাগিব। বিষ্ণুপ্ৰসাদ ৰাভাৰ সমগ্ৰ জীৱনৰ জনসাধাৰণৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ কাৰণে সমৰ্পিত হৈছিল। তেওঁৰ কথন শৈলী আছিল জনসাধাৰণৰ হৃদয় চুই যোৱা। তেওঁৰ ব্যক্তব্য শুনিবলৈ সভাঘৰ ভিৰ কৰিছিল শ্ৰোতাসকলে। আজি বিশ্ব বিখ্যাত তেজপুৰ বিশ্ববিদ্যালয় বিষ্ণুপ্ৰসাদ ৰাভাই দান কৰা ভূমিৰ ওপৰতে নিৰ্মাণ কৰা হৈছে।

অন্যহাতে অসমীয়া সাহিত্য সংস্কৃতি গদ্য, পদ্য, গীত সকলোলৈও বহু বৰঙণিৰে সাহিত্যৰ ভৰাঁল চহকী কৰি থৈ গৈছে বিষ্ণুৰাভাই। তেওঁৰ ৰচনা কৰা দুশৰো অধিক গীতসমূহক জনা যায় ৰাভা সংগীত নামেৰে। তেখেত আছিল এগৰাকী প্ৰসিদ্ধ গায়ক। শ্ৰীমন্ত শংকৰ দেৱৰ বৰগীত শিকি বিষ্ণুৰাভাই বৰগীতক সাম্প্ৰতিক সময়ত আগবঢ়াই লৈ গৈছিল। তেখেতৰ গীতসমূহত মাতৃ প্ৰেম, দেশ প্ৰেমৰ লগতে প্ৰকৃতি আদি বিভিন্ন বিষয় দেখিবলৈ পোৱা যায়। তেখেতৰ গীতসমূহ শিশুসকলৰ মাজত যথেষ্ট জনপ্ৰিয় ।তাৰ ভিতৰত আছে সুৰৰে দেউলৰে, বিলতে হালিছে আদি।

তেখেতৰ চিৰ সেউজ ৰচনাসমূহৰ ভিতৰত আছে পৰজনমৰ শুভ লগনত, লগন উকলি গল, বৈ বৈ কেতেকী আদি। ইয়াৰোপৰি বিষ্ণুপ্ৰসাদ ৰাভা আছিল এগৰাকী প্ৰসিদ্ধ অভিনেতা। আনহাতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নামত বিষ্ণুৰাভা পুৰস্কাৰ প্ৰদান কৰা হয়। বিষ্ণুপ্ৰসাদ ৰাভা পুৰস্কাৰ ২০১৬ প্ৰদান কৰা হয় গিৰিশ চন্দ্ৰ বৰা আৰু কথক শিল্পী বিপুল দাসক। উল্লেখযোগ্য যে অসমীয়া সাহিত্য সংস্কৃতিৰ ভৰাঁল চহকী কৰি তুলা তথা অসমৰ বিপ্লৱী গণ শিল্পীগৰাকীৰ মৃত্যু হয় ১৯৬৯ চনৰ ২০ জুন অৰ্থাৎ আজি তাৰিখত। সেয়েহে সকলোৱে জনোৱা দৰে আমিও আজি তাৰিখত তেওঁলৈ জনালোঁ শতকোটি প্ৰণাম আৰু আত্মা সদ্‌গতি হকে এক শ্ৰদ্ধাঞ্জলি।

*ফোন: ৯৯৫৭৯০৪৫২৩*

# বিপ্লৱী সত্তাৰ আন এক নাম ঃ বিষ্ণুপ্ৰসাদ ৰাভা

■ আজিজুৰ ৰহমান

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পাছত যিসকল মহান ব্যক্তিয়ে অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতি আৰু জাতিটোক সুসংহত ৰূপত প্ৰতিষ্ঠা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল, সেইসকলৰ ভিতৰত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা নিঃসন্দেহে অন্যতম আৰু ব্যতিক্ৰম আছিল। তেওঁৰ হৃদয়ত পোৱা যাই এক বিদ্ৰোহী সত্তা। এই সত্তাৰ কাৰণে ৰাভা আজি প্ৰতিজন অসমীয়াৰ বাবে দিগদৰ্শী। হৃদয়ত জাতীয় চেতনাবোধ লৈ জন্মগ্ৰহণ কৰা ৰাভাৰ মনটো ছাত্ৰাৱস্থাৰ পৰাই প্ৰবল বিপ্ৰৱী আৰু বিদ্ৰোহী আছিল। তেওঁ পঢ়ি থাকোঁতে ইংৰাজ আৰু ইংৰাজসকলৰ কিছু সমাৰ্থক ভাৰতীয় তথা অসমীয়া মানুহখিনিক ইতিকিং কৰি দেৱালত শ্লোগান হিচাপে লিখিছিল—

"ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা।
ৰাজ্যে যদি মংগল চাও
দুইটি পাঠাই বলি দাও।।"

ৰাভাই সৰুৰে পৰাই অন্যায়, অনীতি, শোষণ, নিষ্পেষণ আদি দেখি দেখিয়ে এটা সময়ত তেওঁৰ মনটো বিদ্ৰোহী হৈ পৰিছিল। ইয়াৰ ফলত তেওঁ সশস্ত্ৰত আত্মবিশ্বাসী হৈ পৰে। যাৰ বাবে তেওঁ এখন হাতত বন্দুক আৰু আন এখন হাতত কলম তুলি লৈ তেওঁৰ বিদ্ৰোহী মনটোৰে সদায়েই অন্যায় আৰু অনীতিৰ বিৰুদ্ধে বিদ্ৰোহ আৰু বিপ্ৰৱ কৰি গৈছিল। তেওঁ প্ৰত্যক্ষ কৰিছিল, সমাজৰ যিবোৰ নীতি-নিয়মে দুখীয়া, নিচলা, কৃষক, শ্ৰমিক আদি জনসাধাৰণক নিজৰ প্ৰাপ্তিৰপৰা বঞ্চিত কৰি ৰাখে, সেই নীতি-নিয়মবোৰ তেওঁ ভাঙি-ছিঙি চূৰ্ণ-বিচূৰ্ণ কৰি এখন নিকা সমাজ গঢ়িব বিচাৰিছিল। সেয়ে তেওঁৰ বিপ্ৰৱী মনটোৱে গীতৰ মাজেৰে বিদ্ৰোহভাৱে লিখিছিল-

"ভাঙ্‌ ভাঙ্‌ ভাঙ্‌ ভাঙ্‌/ লোহাৰ শিকলি ভাঙ্‌/ছিঙ্‌ ছিঙ্‌ ছিঙ্‌ ছিঙ্‌/দাসৰ বান্ধোন ছিঙ্‌।"

ভাৰতীয় জাতীয় কংগ্ৰেছৰ আহ্বানত মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত হোৱা ব্ৰিটিছ বিৰোধী তথা স্বাধীনতা আন্দোলনৰ জোৱাৰ যেতিয়া সমগ্ৰ ভাৰতবৰ্ষৰ চুকে-কোণে উত্তাল হৈ পৰে, তেতিয়া তাৰ প্ৰভাৱ অসমতো প্ৰত্যক্ষভাৱে পৰে ।ভাৰতীয় জনতাৰ আত্ম স্বৰূপ মহাত্মা গান্ধীক সত্যাগ্ৰহ আন্দোলনত পুলিচে গ্ৰেপ্তাৰ কৰাৰ ফলত সমগ্ৰ ভাৰতবৰ্ষতে গান্ধীজীক মুক্তি কৰি দিয়াৰ দাবীত প্ৰতিবাদৰ অনল শিখা জ্বলি উঠে। অসমৰ তেজপুৰতো এই প্ৰতিবাদৰ অনল শিখা জ্বলি উঠে। তেজপুৰত হাজাৰ হাজাৰ মানুহ লগ লাগি স্বাধীনতাৰ শ্লোগান দি গান্ধীজীক মুক্তিৰ দাবী জনায়। তাত এই আন্দোলনকাৰীসকলৰ উগ্ৰমূৰ্তি ধাৰণ কৰা দেখা পাই পুলিচে তেওঁলোকক ঘৰাঘৰি যাবলৈ কয়, অন্যথা পুলিচে তেওঁলোকৰ ওপৰত লাঠী চলাব। পুলিচ বাহিনীৰ এই বাক্যবাণ শুনাৰ পাছত কিছুমান প্ৰতিবাদকাৰীয়ে ভয়তে পিছুৱাই অহা দেখি ৰাভাই উদাত্ত হৈ বজ্ৰ কণ্ঠেৰে কৈছিল "ৰাইজক ঘৰ নালাগে, লাগে স্বাধীনতা, ৰাইজক লাগে মুক্তি।" ৰাভাৰ এই কথা শুনি সকলো প্ৰতিবাদকাৰীয়ে আচৰিত হৈ পৰে। তেতিয়াৰ পৰাই ৰভাই প্ৰতিবাদকাৰীসকলৰ মাজত নেতা হৈ পৰাৰ লগতে পুলিচৰ দৃষ্টিত এগৰাকী বিপ্লৱী হিচাপে ধৰা পৰে।

চৰকাৰ তথা পুলিচ বাহিনীয়ে ৰাভাৰ হৃদয় আত্মাত নিবিড়ভাৱে জড়িত থকা বিপ্লৱী সত্তাটোক ৰুদ্ধ কৰিবলৈ পুলিচ বাহিনীয়ে তেওঁক কেইবাবাৰো এৰেষ্ট কৰে ।কিন্তু উপযুক্ত প্ৰমাণ নোপোৱাত তেওঁক পুলিচে এৰি দিবলৈ বাধ্য হয়। তেওঁ অৱশ্যে কেইবাবাৰো পুলিচৰ চকুত ধূলি দি পুলিচৰ হাতৰ পৰা ৰক্ষা পৰিছিল। অৱশেষত তেওঁ পুলিচৰ পৰা কিছু দূৰত থাকিবলৈ অসমৰ গাঁৱে-ভূঞে ঘূৰি গাৱঁৰ মানুহৰ লগত সৰু সৰু সভা পাতি পৰাধীন ভাৰতক কেনেকৈ উদ্ধাৰ কৰিব পাৰি আৰু নিজৰ অধিকাৰ কেনেদৰে আদায় কৰি ল'ব পাৰি, সেই কথাবোৰ অতি সহজ-সৰলভাৱে বুজাই দি জনসাধাৰণৰ মাজত জাতীয় চেতনাবোধৰ ভাৱ জাগ্ৰত কৰি তোলে। তেওঁৰ নেতৃত্বতে পৰাধীন ভাৰতক উদ্ধাৰ কৰাৰ বাবে



কেইবাটাও জাতীয় সংগঠনৰ জন্ম হয়। তাৰ ভিতৰত 'মুক্তি ফৌজ', 'নাৰী মুক্তি সংঘ', 'কৃষক বনুৱা পঞ্চায়ত' আদি অন্যতম আছিল। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবাসীয়ে ইংৰাজৰপৰা স্বাধীনতা লাভ কৰে যদিও শোষিত লোকসকলৰ মাজত কোনো বিশেষ উন্নতিৰ আভা তেওঁ দেখা নাপালে। তেওঁৰ দৃষ্টিত সেই স্বাধীনতা আছিল সম্পূৰ্ণ মিছা। সেয়েহে তেওঁ সেই স্বাধীনতাৰ সম্পৰ্কত নিজে স্বীকাৰ কৰি কৈছিল "ইয়ে আজাদী ঝুঠা হ্যায়।" অৰ্থাৎ এই স্বাধীনতা মিছা বুলি জনসাধাৰণৰ আগত বুজাই দিয়ে আৰু তেওঁ ভূমিহীন, শ্ৰমিক আৰু কৃষকসকলৰ মাজত সুবৃহৎ আন্দোলন গঢ়ি তোলে।

ৰাভাই অসমৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি ফুৰোঁতে প্ৰত্যক্ষ কৰিছিল কৃষক আৰু বনুৱাসকলে বিভিন্ন প্ৰকাৰে লাঞ্ছিত-বঞ্চিত হোৱাৰ কথা। মহাজনবোৰে কৃষকসকলক বিভিন্ন কৌশলেৰে উপযুক্ত সাসুবিধাৰ পৰা বঞ্চিত কৰা, প্ৰাপ্য ধন দিবলৈ সংকোচ কৰাৰ লগতে শ্ৰমিক, বনুৱাসকলক উপযুক্ত মজুৰিৰপৰাও বঞ্চিত কৰিছিল। এইবোৰ কথা দেখি তেওঁৰ বিপ্ৰৱী মনটোৱে আৰু বেছি বিদ্ৰোহী হৈ পৰে। সেয়েহে কৃষকসকলৰ উপযুক্ত সাসুবিধা দিয়া, শ্ৰমিকসকলৰ মজুৰি বৃদ্ধি কৰা আৰু তেওঁলোকৰ অস্তিত্ব ৰক্ষাৰ কাৰণে ৰাভাই তেওঁলোকৰ অন্তৰাত্মাত বিপ্ৰৱ জগাই তুলিবলৈ লিখিছিল-

"ব'ল ব'ল ব'ল ব'ল/কৃষক শক্তি দল
অ বনুৱা সমনীয়া/আগবাঢ়ি যাওঁ ব'ল।"

ৰাভাই ভালদৰে বুজিছিল যে দেশৰ অৰ্থনীতি তেতিয়াহে উন্ন হ'ব, যেতিয়া কৃষকসকলে মহাজনসকলৰ কৱলৰ পৰা মুক্তি লাভ কৰি স্বাধীনভাৱে কৃষিকৰ্মৰ লগত জড়িত হ'ব ।তেওঁ কৃষকক ইমানেই ভাল পাইছিল যে যাৰ বাবে তেওঁ নিজৰ পৈতৃক সম্পত্তি কৃষকক মুক্ত মনেৰে দান কৰি কৃষকৰ প্ৰতি থকা দৰদৰ পৰিচয় দিয়ে। কৃষকসকলৰ প্ৰতি অগাধ প্ৰেম থকা ৰাভাই কেতিয়াও কৃষকসকৰ অন্যায় হোৱাটো বিচৰাব নাছিল। কৃষকসকলক যাতে কোনো মহাজনে আৰু জমিদাৰবোৰে কেতিয়াও,কোনো কাৰণতে দমন কৰি নাৰাখে, তাৰ বাবে ৰাভাই তেওঁলোকক সাৱধানবাণী কৰি দিছিল এনেদৰে-

'হুচিয়াৰ! হুচিয়াৰ!!
ধনী! মহাজন! জমিদাৰ!!
হুচিয়াৰ! হুচিয়াৰ!!'

এটা সময়ত ৰাভাৰ বিপ্ৰৱী মনটোৱে ৰাজনীতিৰ দুৱাৰদলিত প্ৰৱেশ কৰে। দুখীয়া, নিচলা, কৃষক, বনুৱাৰ হকে বিধানসভাত মাত মাতিবলৈ তেওঁ ৰাজনীতিৰ ক্ষেত্ৰতখনত ভৰি দিয়ে ১৯৫৫ চনত ভাৰতীয় কমিউনিষ্ট দলৰ যোগেদি। ১৯৬৭ চনত তেওঁ তেজপুৰ সমষ্টিৰপৰা নিৰ্দলীয় প্ৰাৰ্থীহিচাপে অসম বিধানসভাৰ সদস্য হিচাপে নিৰ্বাচন হয়। তেওঁ বিধান সভাৰ সদস্য হৈও বৰ্তমানৰ প্ৰায় সংখ্যক ৰাজনৈতিক নেতাৰ দৰে ধন-সম্পদৰ অট্টালিকা গঢ়াৰ মানসিকা বা ক্ষমতা পিয়াহত আতুৰ হোৱা বিধৰ নাছিল। তেওঁ ৰাজনীতি কৰিছিল মূল্যবোধৰ আৰু ৰাইজৰ বাবে। তেওঁৰ কাৰণে ৰাইজে সৰ্বস্ব আছিল। সেয়েহে তেওঁ লিখিছে এনেদৰে-

'ৰাইজে ৰজা মোৰ
প্ৰজাই ৰজা মোৰ
সুখৰে পঞ্চায়ত ৰাজ।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পদ অনুসৰণ কৰি ৰাভাই অসমৰ সকলো জাতি-জনগোষ্ঠীক একত্ৰিত কৰি বৰঅসম গঢ়িব বিচাৰিছিল। কিন্তু ৰাভাই শোষণকাৰীসকলক পৰাভূত কৰিবৰ কাৰণে সকলো জনগোষ্ঠীৰ মানুহক একত্ৰিত হোৱাৰ বাবে আহ্বান জনাই ।কাৰণ তেওঁ বুজিছিল অসমৰ উন্নতি হ'বলৈ হ'লে আৰু শোষণকাৰীৰ কৱলৰ পৰা জনসাধাৰণে মুক্তি পাবলৈ হ'লে সকলো জনগোষ্ঠীৰ মানুহে একতাৰে শোষণকাৰীৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হোৱাৰ অতীৱ প্ৰয়োজন। এইক্ষেত্ৰত তেওঁ জনগোষ্ঠীয় লোকসকলক উদ্দেশ্যি কৈছিল— 'জাগিব লাগিব তই মিকিৰ, কছাৰী, খাচী, ৰাভা, গাৰো, মিৰি, কুকী, বীৰ, খামটি-মিচিমি, চুতীয়া,অকা, ডফলা, ডিমাছা, দেউৰী, হাজং...।'

ৰাভা এজন বিপ্লৱী সত্তাই নহয়, তেওঁ এজন স্বপ্নদ্ৰষ্টা দুৰ্দান্ত প্ৰেমিকো আছিল। কিন্তু ৰাভাৰ প্ৰেম আছিল অব্যক্ত ।ৰাভাৰ ওচৰত গানৰ সুৰ শিকিবলৈ অহা ছাত্ৰী উষা বৰুৱাৰ প্ৰেমত পৰে তেওঁ। কিন্তু তেওঁৰ হৃদয়ৰ কথা হৃদয়তে থাকি গৈছিল। কাৰণ অব্যক্ত প্ৰেমৰ কাৰণে ৰাভাই তেওঁক নিজৰ মনৰ কথা ক'ব নোৱাৰিলে। যাৰ বাবে তেওঁ উষাক নিজৰ কৰি ল'ব নোৱাৰিলে। সেই কথা তেওঁ অন্তৰ আত্মাৰপৰা গীতৰ আকাৰত লিখিছে—

" লগন উকলি গ'ল
তেওঁ যে নহ'ল কোৱা,
মনৰ কথাটি মোৰ
হিয়াত গুপুতে থোৱা ।"

তেওঁৰ প্ৰথমা পত্নী প্ৰিয়বালা দত্তৰ মৃত্যুত তেওঁ শোকাতুৰ হৈ বিৰহী প্ৰেমৰ আশাৰ প্ৰতীক হিচাপে লিখিছে—

"পৰ জনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা,
পুৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা।"

এইজনা মহান বিপ্ৰৱী পুৰুষে গোটেই জীৱন মানুহৰ হকে কাম কৰি মৃত্যুৰ আগমুহূৰ্তত বিদীৰ্ণ হৃদয়েৰে লিখিছিল—

"এয়ে মোৰ শেষ গান।
মোৰ জীৱন-নাটৰ শেষ ৰাগিণী
কল্যান-খৰমান।"

এই গীতটোৱেই ৰাভাৰ মৰ্মবেদনা উপলব্ধি কৰা প্ৰতিজন অসমীয়াকে কন্দুৱায়।

ৰাভাৰ বিপ্লৱী সত্তাৰ নীতি,আদৰ্শ, তথা মূল্য কিমান, সেয়া ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ৰচনা কৰা 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' এই বিখ্যাত কবিতাটিৰ পৰা বাৰুকৈয়ে উপলব্ধি কৰিব পাৰি। নৱপ্ৰজন্মৰ হৃদয়ত জাতীয়তাবোধৰ ভাৱ জাগ্ৰত কৰিবলৈ আৰু ৰাভাৰ বিষয়ে গভীৰভাৱে জনাবলৈ পাঠ্যপুথিত এইজনা মহান বিপ্ৰৱী পুৰুষৰ জীৱন দৰ্শনৰ কথাবোৰ সন্নিৱিষ্ট কৰাৰ অতিকৈ প্ৰয়োজন। যাৰ চিন্তা-চেতনাই সকলো শ্ৰেণীৰ মানুহকে উদ্বুদ্ধ কৰিব পাৰে।

*ফোন: ৮২৫৫০৫৫৭৪০*

## মহান সৈনিক

*(ক'লা গুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ মৃত্যু তিথি উপলক্ষে গুৰুজনাক স্মৰণ কৰি)*

**প্ৰমোদ চেতিয়া**

শোষিত, নিষ্পেষিত
জনতাৰ মুক্তিৰ যাৰ আভা,
মহান সৈনিক তেওঁৱে বিষ্ণু ৰাভা।
সুন্দৰ সাধনাৰ সংস্কৃতিৰ পুজাৰী,
গীত নাট অভিনয় নৃত্যৰ দেউলৰ পুৰোহিত,
নিষ্পেষিত জনতাৰ আশা ভৰষাৰ স্থল,
হালোৱা হজুৱা, খাটি খোৱা বনুৱাৰ শোষণৰ
প্ৰতিবাদৰ আভা,
তেওঁৱেই মহান সৈনিক বিষ্ণু ৰাভা।
শ্ৰমিকৰ সাহসৰ বল, প্ৰতিবাদী কণ্ঠৰ
শক্তিৰ স্থল,
মহান শিল্পী তেওঁ কমৰেড বিষ্ণু ৰাভা।
শোষিতৰ পক্ষত থাকি প্ৰতিবাদী মহান জন
নেতা তেওঁ,
আপোচহীন সংগ্ৰামৰ বঠা ধৰোঁতা।
শোষণ নিপিড়ণৰ বিৰোধে নেতৃত্ব লৈ
গাঁৱে ভূঞে জনতাক জগাই তোলা।
মহান সৈনিক তেওঁৱে বিষ্ণু ৰাভা।
সেইয়ে মনৰ আক্ষেপে আৱেগৰ ভাষাত
লিখিছিল জনতাৰ মুক্তিৰ অভয় বাণী,
তেজৰ বোলেৰে লিখিছিল শোষিত
নিপীড়িতক উদ্ধাৰ কৰাৰ দিছিল অভয়
বাণী।
সৰ্বাঙ্গীন উন্নতি, সহস্ৰ সংগ্ৰামৰ ৰণশিঙা
বজায়, দীন হীন সমাজ পৰিহাস,
তেজৰ বুলেৰে লিখিছিল ইতিহাস।
নিৰ্যাতিত নিপীড়িত বনুৱা কৃষক শক্তিক
উৎসাহিত কৰি ৰণলৈ সাজু কৰিবলৈ গাইছিল
মুক্তিৰ গান।
"ব'ল ব'ল ব'ল ব'ল,
কৃষক শক্তি দল,
অ' বনুৱা সমনীয়া,
আগ বাঢ়ি যাওঁ বল।
জাগ্‌ জাগ্‌ জাগ্‌ জাগ্‌
মজদুৰ ন-জোৱান।
নিৰ্যাতিত নিপীড়িত,
কৃষক শক্তি মান।"

# বে-দখলৰ কবলৰ পৰা মৰিবিলক উদ্ধাৰ কৰাৰ দাবীত সংগ্ৰামী সেনাৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ জুন ঃ** ঐতিহাসিক শিৱসাগৰ নগৰৰ গাতে লাগি থকা মৰিবিল এতিয়া দখলদাৰীৰ কবলত। নিজ স্বাৰ্থ সিদ্ধিৰ লক্ষ্যৰে একাংশ স্বাৰ্থপৰায়ণ লোকে এফালৰ পৰা মৰিবিল দখল কৰাৰ ফলত নগৰখনত সৃষ্টি হৈছে কৃত্ৰিম বানৰ এক অতিৰিক্ত চাপ। এফালে নগৰখনৰ অবিজ্ঞানসন্মত নলা-নৰ্দমা আনফালে, মৰিবিলৰ অতিৰিক্ত চাপ, যিয়ে নেকি সাম্প্ৰতিক সময়ত শিৱসাগৰ নগৰখনত এজাক বৰষুণতেই সৃষ্টি হোৱা অতিৰিক্ত কৃত্ৰিম বানৰ বাবে উদ্‌গনি যোগাই আহিছে। উল্লেখ্য যে বাৰিষা কৃত্ৰিম বানৰ সময়ছোৱাত নগৰখনৰ সুৰক্ষাৰ ৰক্ষা কৱচ হিচাপে পৰিচিত হৈ অহা এসময়ৰ দিখৌৰ এৰাসুঁতিস্বৰূপ মৰিবিলত ব্যাপক হাৰত বেদখল হৈ পৰাত এতিয়া নগৰবাসীয়ে এজাক সাধাৰণ বৰষুণতেই জলা-কলা খাবলগীয়াত পৰে। একমাত্ৰ জিলা প্ৰশাসনৰ নিৰ্লিপ্ততাৰ বাবেই ক্ৰমান্বয়ে বেদখলকাৰীয়ে মৰিবিলক সংকুচিত কৰি আনিছে। শিৱসাগৰ নগৰখনৰ বাবে সম্প্ৰতি মৰিবিল হৈ পৰিছে অন্যতম কৃত্ৰিম বানৰ প্ৰতিৰোধী সুৰক্ষা কৱচ। অতি শীঘ্ৰে মৰিবিলক বেদখলমুক্ত কৰি মৰিবিলৰ পুৰণি নৈসৰ্গিক দৃশ্য ঘূৰাই অনাৰ দাবী উত্থাপন কৰি সংগ্ৰামী সেনা অসমে শিৱসাগৰ জিলা উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰখনত সংগঠনটোৰ হৈ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পংকজ খাউণ্ডে মৰিবিলৰ বুকুত আশ্ৰয় লোৱা মাছ-কাছকে ধৰি বিদেশী পক্ষীৰ বিচৰণৰ ভূমি হিচাপে সৃষ্টি কৰিবৰ বাবে আৰু মৰিবিলত খনন চলাই পানীৰ বহন ক্ষমতা শক্তিশালী কৰি তুলিবৰ বাবে দাবী উত্থাপন কৰে। সময়ে সময়ে জিলা প্ৰশাসনে মৰিবিলত উচ্ছেদ চলোৱা আমাৰ পৰিলক্ষিত হৈছে যদিও সেয়া ফুটুকাৰ ফেন হিচাপে পৰিগণিত হৈছে। সেয়ে সংগ্ৰামী সেনা, অসমে মৰিবিলত হোৱা বেদখলক শীঘ্ৰে উচ্ছেদ কৰি মৰিবিলক মৃতপ্ৰায় অৱস্থাৰ পৰা এক জীৱন্ত ৰূপ দিবলৈ দাবী উত্থাপন তোলাৰ লগতে যদি চৰকাৰে এই ক্ষেত্ৰত কোনো ব্যৱস্থা হাতত নলয়, তেতিয়াহ'লে গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰিব বুলি নেতাগৰাকীয়ে স্মাৰক-পত্ৰখনত দাবী জনায়।



*বাক্সাত বানে খহাই পেলোৱা পথৰ এটা অংশ, দেওবাৰৰ ছবি*

## টীয়কত জল জীৱন মিছন আঁচনিত বিয়াগোম দুৰ্নীতি

# ঠিকাদাৰী প্ৰতিষ্ঠানক নাকী লগোৱাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৭ জুন ঃ** ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ সপোনৰ আঁচনি 'জল জীৱন আঁচনি'ৰ টীয়কৰ বিভিন্ন স্থানৰ বিয়াগোম দুৰ্নীতিৰ সম্পৰ্কে ৰাইজ তথা ছাত্ৰ সন্থাই মাত মাতি আহিছে। ঠিকাদাৰী প্ৰতিষ্ঠান মা আইনা কনষ্ট্ৰাকচনকে ধৰি কেইবাটাও ঠিকাদাৰী প্ৰতিষ্ঠানে কাম কৰি থকা টীয়কৰ বিভিন্ন স্থানত বিশুদ্ধ খোৱাপানী যোগানৰ নামত ক'ৰবাত এটুপি পানী পোৱা নাই অথবা কোনোবা ঠাইত আজিও কাম কৰা নাই। টীয়কত জলজীৱন আঁচনিত বিয়াগোম দুৰ্নীতিৰ আশ্ৰয় লোৱা ঠিকাদাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ তথা উচিত তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰক্তিম হাজৰিকা আৰু সাধাৰণ সম্পাদক প্ৰাঞ্জল দত্তৰ দ্বাৰা স্বাক্ষৰিত স্মাৰক-পত্ৰ টীয়ক ৰাজহ চক্ৰ বিষয়া আৰু যোৰহাটৰ উপায়ুক্তলৈ প্ৰেৰণ কৰিছে। এক বিবৃতিত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰণ্টু ভূঞা আৰু সাংস্কৃতিক সম্পাদক প্ৰীতমজ্যোতি শইকীয়াই ক্ষোভ প্ৰকাশ কৰি কৈছে যে, টীয়কৰ জাঁজীমুখকে ধৰি বিভিন্ন অঞ্চলত জল জীৱন মিছন আঁচনিৰ ঠিকাদাৰী প্ৰতিষ্ঠানসমূহৰ ৰাজহুৱা ধনৰ শৰাধ কৰাৰ প্ৰতিযোগিতা বন্ধ কৰি উপায়ুক্তই এক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে আহ্বান জনাইছে অন্যথা ৰাইজৰ স্বাৰ্থত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিছে ছাত্ৰ নেতাদ্বয়ে। আৰু কোনো কাৰণতে দুৰ্নীতিৰ বিৰুদ্ধে আপোচ কৰা নহ'ব বুলি টীয়ক আঞ্চলিক ছাত্ৰ সন্থাই স্পষ্ট কৰি দিছে।

# কামৰূপ আৰু দৰং জিলাৰ বান ক্ষতিগ্ৰস্ত এলেকা ভ্ৰমণ মুখ্যমন্ত্ৰীৰ

## বান ক্ষতিগ্ৰস্ত লোকৰ সৈতে মত-বিনিময় কৰিলে মুখ্যমন্ত্ৰীয়ে; উদ্ধাৰ, সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ আশ্বাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জুন ঃ** ৰাজ্যখনত হৈ থকা নেৰানেপেৰা বৰষুণ আৰু ইয়াৰ ফলত অধিকসংখ্যক নৈ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ ফলত ৰাজ্যখনৰ ২৮খন জিলা বানৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে কামৰূপ আৰু দৰং জিলাৰ বান পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে কথা-বতৰা পতাৰ লগতে প্ৰশাসনক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰঙিয়া চহৰৰ বানপৰিস্থিতি বুজ লয় আৰু ফাতেমা কনভেণ্ট স্কুলত স্থাপন কৰা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা বান ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে কথা-বতৰাত মিলিত হয়। তেওঁ কিছু সময় এই বান সাহায্য শিবিৰত কটায় আৰু জিলা প্ৰশাসনৰ সহযোগত মহকুমা প্ৰশাসনে উদ্ধাৰ, সাহায্য আৰু সংস্থাপনৰ দিশত লোৱা ব্যৱস্থাৱলীৰো বুজ লয়। শিবিৰত থকা লোকসকলৰ সৈতে কথা-বতৰা পতাৰ পিছত মুখ্যমন্ত্ৰীয়ে কামৰূপ জিলাৰ উপায়ুক্ত কৈলাস কাৰ্তিক এনক গুণগত মানসম্পন্ন খাদ্য-সামগ্ৰী যোগান ধৰিবলৈ নিৰ্দেশ দিয়ে যাতে ক্ষতিগ্ৰস্ত লোকসকলে প্ৰয়োজনীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে লাভ কৰে। মুখ্যমন্ত্ৰীয়ে শিবিৰত আশ্ৰয় লৈ থকা লোকসকলক বিশুদ্ধ খোৱাপানী, চিকিৎসাৰ সুবিধা প্ৰদানৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ বাবেও যথোচিত ব্যৱস্থা গ্ৰহণৰ বাবে উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানত বেয়াকৈ ক্ষতিগ্ৰস্ত লোকসকলক উদ্ধাৰ কৰাৰ লগতে তেওঁলোকৰ বাবে সাহায্য শিবিৰ স্থাপন কৰিবলৈও উপায়ুক্ত আৰু মহকুমাধিপতিক নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে কমলপুৰ ৰাজহ চক্ৰৰ অধীনত ক'লাজল এলেকাৰ বান ক্ষতিগ্ৰস্ত লোকসকলৰ বুজ লয়। ৰাষ্ট্ৰীয় ঘাইপথত আশ্ৰয় লৈ থকা লোকসকলৰ বাবে সাহায্য শিবিৰ স্থাপন কৰি শিবিৰলৈ স্থানান্তৰিত কৰাৰ বাবেও প্ৰশাসনৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানত ক্ষতিগ্ৰস্ত হোৱা গৃহসমূহ মেৰামতি কৰাৰ লগতে সকলো ধৰণৰ চৰকাৰী সাহায্য প্ৰদান কৰাৰো আশ্বাস দিয়ে। শনিবাৰৰ এই পৰিদৰ্শন কালত ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, হাজো সমষ্টিৰ বিধায়ক সুমন হৰিপ্ৰীয়া, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই মুখ্যমন্ত্ৰীৰ সৈতে বান পৰিস্থিতিৰ বুজ লয়। আনহাতে, মুখ্যমন্ত্ৰীয়ে কামৰূপ জিলাৰ শালমাৰা অঞ্চলো পৰিদৰ্শন কৰে। বানপানীয়ে ৫২নং ৰাষ্ট্ৰীয় ঘাইপথটোৰ প্ৰতি কঢ়িয়াই অনা ভাবুকিও মুখ্যমন্ত্ৰীয়ে প্ৰত্যক্ষ কৰে। উত্তৰ অসমৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ যোৱা মুখ্যমন্ত্ৰীয়ে দৰং জিলাৰ বান ক্ষতিগ্ৰস্ত এলেকাও পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ পথৰুঘাটত দিপীলাৰ সমীপত নৈনে আৰ বি মথাউৰিৰ ভঙা অংশ পৰিদৰ্শন কৰে। তেওঁ মথাউৰি ভঙাৰ ফলত হোৱা ক্ষতিৰ পৰিমাণ মূল্যাংকন কৰাৰ লগতে জনসাধাৰণৰ দুৰ্যোগ লাঘৱ কৰাৰ বাবে জলসম্পদ বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে পানী কমি যোৱাৰ লগে লগে মথাউৰিৰ ভঙা অংশ শীঘ্ৰে মেৰামতি কৰাৰ বাবেও জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে কথা-বতৰা পতাৰ লগতে দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাক বান ক্ষতিগ্ৰস্ত লোকসকলক প্ৰয়োজনীয় সাহায্য আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক উদ্ধাৰ কৰি সাহায্য শিবিৰত ৰাখিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ এই বান পৰিদৰ্শনৰ সময়ত বিধায়ক পৰমানন্দ ৰাজবংশীক বানপানীৰ ফলত যিসকল লোকৰ গৃহ ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকৰ নাম সন্নিৱিষ্টকৰণেৰে এখন তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে যাতে চৰকাৰে এই লোকসকলৰ গৃহ নিৰ্মাণৰ বাবে তাৎক্ষণিকভাৱে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে বৰ আঠিয়াবাৰীৰ বান পৰিস্থিতিৰো বুজ লয়। তেওঁ শাকতোলা নৈৰ মথাউৰি ভঙাৰ ফলত ক্ষতিগ্ৰস্ত হোৱা এলেকা পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে মথাউৰিৰ ভঙা অংশ শীঘ্ৰে মেৰামতি কৰাৰ বাবে জলসম্পদ বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। বানপীড়িত লোকসকলক আশ্বাস প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বানপৰিস্থিতি স্বাভাৱিক হোৱাৰ পিছত আঠিয়াবাৰী অঞ্চলৰ জনসাধাৰণক বানপানীৰ পৰা সুৰক্ষা দিয়াৰ বাবে মথাউৰিটো নতুন এলাইনমেণ্টেৰে পুনৰ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে জলসম্পদ আৰু জলসিঞ্চন মন্ত্ৰীগৰাকীয়ে মথাউৰিৰ ভঙা অংশ পৰিদৰ্শন কৰিব আৰু ইয়াৰ পুনৰ নিৰ্মাণ প্ৰক্ৰিয়াটো তদাৰক কৰিব। মুখ্যমন্ত্ৰীৰ বান ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শনৰ সময়ত সাংসদ দিলীপ শইকীয়া, ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী, মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস উপস্থিত থাকে।

# নগাঁৱত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ

## নগাঁও অসামৰিক চিকিৎসালয়ৰ মূল্যৱান অক্সিজেন পৰিবাহী তামৰ পাইপ লাইন আৰু আই চি ইউৰ এ চিৰ পাইপ চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুন ঃ** নগাঁৱত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। নগাঁও অসামৰিক চিকিৎসালয় চৌহদত থকা নৱনিৰ্মিত ক'ভিড হাস্পতালৰ পৰা চোৰে কাটি নিলে প্ৰায় কোটি টকাৰ মূল্যৱান অক্সিজেন পৰিবাহী তামৰ পাইপ লাইন আৰু আই চি ইউৰ এ চিৰ পাইপ লাইন। ক'ভিড হাস্পতালৰ এটা কক্ষ পুনৰ নিৰ্মাণ কৰি ৩২খন বিছনাত কেন্দ্ৰীয়ভাৱে অক্সিজেন যোগানৰ ব্যৱস্থা কৰিছিল স্বাস্থ্য বিভাগে। ৰাজ্যত পুনৰ ক'ভিডৰ আৰম্ভণি হোৱা বাবে চিকিৎসালয় কৰ্তৃপক্ষই শনিবাৰে ৱাৰ্ডটো চাবলৈ যাওঁতেহে চুৰি কাণ্ড দৃষ্টিগোচৰ হয়। ৱাৰ্ডৰ দুৱাৰ ভাঙি চোৰে অক্সিজেন পৰিবাহী তামৰ তাঁৰৰ লগতে নতুনকৈ নিৰ্মাণ কৰা ক'ভিড হাস্পতালৰ ৱাৰ্ডৰ বাথৰুমৰ পানীৰ টেপসমূহো চুৰ কৰি লৈ যায়। উল্লেখ্য যে চিকিৎসালয়খনৰ চৌহদতে আৰক্ষী চকী থকাৰ পিছতো নগাঁও আৰক্ষীৰ ব্যৰ্থতা বাবেই চোৰে নিৰ্বিঘ্নে চুৰি কাণ্ড সংঘটিত কৰিবলৈ সক্ষম হোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# নাজিৰাত আছুৰ উদ্যোগত পঞ্চম বাৰ্ষিক 'নাট' কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৭ জুন ঃ** নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত নাজিৰা আঞ্চলিক ছাত্ৰ সন্থা, নাজিৰা নাট্য সমিতি আৰু 'বহ্নিমান'ৰ সহযোগত বিগত কেইবছৰৰ দৰে পঞ্চম বাৰৰ বাবে বাৰ্ষিক 'নাট' কৰ্মশালা আয়োজন কৰা হৈছে। অহা ৭ জুলাইত পৰা নাজিৰা নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত শুভাৰম্ভ হ'ব লগা এই কৰ্মশালা খনিত অসমৰ চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী চেতনা দাস, অসমৰ নাট্য জগতৰ জনপ্ৰিয় অভিনেতাদ্বয় ৰ'ণাল্ড হুছেইন আৰু কমল লোচনে প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰিব। অহা ৩০ জুলাইত সামৰণি পৰিব লগা এই নাট কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক শিক্ষাৰ্থীসকলক ভ্ৰাম্যভাষ ৯৩৬৫৫৫৬২১৬/৮৮১২৮২১৯৩৩ আৰু ৯১০১০১৯৮৬২ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিবৰ বাবে উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

# পি এন বি আৰছেটিৰ উদ্যোগত 'পশু মিত্ৰ' বা 'মৎস্য মিত্ৰ'ৰ বাবে আৱেদন আহ্বান

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ১৯ জুন ঃ** পঞ্জাৱ নেচনেল বেংকৰ গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত ৯০ দিনীয়া 'আজাদী চে অন্ত্যোদয়া তক' অভিযানৰ অংশৰূপে তৃণমূল পৰ্যায়ত 'পশু মিত্ৰ' বা 'মৎস্য মিত্ৰ' হিচাপে কাম কৰিবলৈ আগ্ৰহী ন্যূনতম দশম শ্ৰেণী উত্তীৰ্ণ ১৮ৰ পৰা ৪৫ বছৰ বয়সৰ ২৫গৰাকী প্ৰাৰ্থীৰ বাবে আৱেদন বিচৰা হৈছে। সাক্ষাৎকাৰৰ যোগেদি অৰ্হতাৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰা হ'ব। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত 'পশু সখী' বা 'কৃষি সখী' হিচাপে কাম কৰি থকা আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ প্ৰাৰ্থীক এই প্ৰশিক্ষণৰ বাবে অগ্ৰাধিকাৰ দিয়া হ'ব বুলি জানিব পৰা যায়। ৬০ দিনীয়া আৱাসিক কাৰ্যসূচীৰ অন্তত গ্ৰামোন্নয়ন আৰু স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান ৰাষ্ট্ৰীয় একাডেমীৰ পৰা এন এছ কিউ এফ (NSQF) লেভেল ৪ৰ স্কিল ইণ্ডিয়া প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। লগতে বেংকৰ জৰিয়তে ঋণ প্ৰদানৰো ব্যৱস্থা কৰা হ'ব। তদুপৰি, প্ৰয়োজন অনুসৰি পশুপালন আৰু পশু চিকিৎসা বিভাগ আৰু মীন বিভাগৰ পৰা প্ৰশিক্ষাৰ্থীসকলক সহায় আৰু কাৰিকৰী সহযোগিতা আগবঢ়োৱা হ'ব। বিনামূলীয়া থকা-খোৱাৰ ব্যৱস্থাৰে এই প্ৰশিক্ষণ সম্পূৰ্ণ বিনামূলীয়া হ'ব। ইচ্ছুকসকলে আৱেদন দাখিল কৰিবলৈ তলৰ ঠিকনাত যোগাযোগ কৰিব পাৰে । সঞ্চালক, পি এন বি, আৰছেটি গোলাঘাট, উন্নয়ন খণ্ড চৌহদ, এ টি ৰোড, বোকাখাত-৭৮৫৬১২, জিলা - গোলাঘাট, অসম । অথবা লীড বেংক মেনেজাৰ, লীড বেংক কাৰ্যালয়, পি এন বি, গোলাঘাট-৭৮৫৬২১। অধিক তথ্যৰ বাবে ৮৭২০৯৬২৮৭০, ৮৮২২৩৮৬২৯২ নম্বৰত যোগাযোগ কৰিব পাৰিব।



*চকুৱাখনাত বানত বিধ্বস্ত দলং মেৰামতি কৰা দেখা গৈছে, দেওবাৰে*

# চৰাইবাহী মহাবিদ্যালয়ত 'ধনাত্মক আৱেগ কৰ্ষণ' শীৰ্ষক কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ জুন ঃ** চৰাইবাহী মহাবিদ্যালয়ৰ উদ্যোগত আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও আৰু চৰাইবাহী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ মাজত ধনাত্মক আৱেগ কৰ্ষণৰ উদ্দেশ্যে এখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা নাজমা বেগমে আঁত ধৰা কৰ্মশালাখন সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল চন্দ্ৰ নাথে। কৰ্মশালাখনৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ মাধৰাম কাকতিয়ে। আনহাতে মহাবিদ্যালয়খনৰ গুণগত মান নিৰ্ণায়ক কোষৰ তত্বাৱধায়ক ড° বিজয় কুমাৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰা এই কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীয়ে কিদৰে ধনাত্মক আৱেগ কৰ্ষণ কৰিব পাৰি, ছাত্ৰ-ছাত্ৰী সুখী আৰু সফল হোৱাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ কেনেদৰে পৰিব পাৰে তাৰ বিষয়ত বিশ্লেষণ আগবঢ়াই ক্ৰমে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ত্ৰিৱেণী শইকীয়া, সহকাৰী অধ্যাপিকা পূৰবী কলিতা আৰু অধ্যাপক গৌৰৱ প্ৰতিম হাজৰিকাই। আনহাতে চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যাপিকা ভনিতা দেৱী প্ৰমুখ্যেসমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ কৰা এই কৰ্মশালাখনত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ড° শিখামণি দাসে।

# পানী নিষ্কাশন ব্যৱস্থা, নলা-নৰ্দমা আদি পৰিষ্কাৰ কৰি বানপানী নিয়ন্ত্ৰণ কৰিবলৈ ধুবুৰী জিলাৰ প্ৰশাসনৰ উল্লেখনীয় পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৯ জুন ঃ** ধুবুৰী চহৰৰ বিভিন্ন নলা-নৰ্দমা বন্ধ কৰি একাংশ ব্যক্তিয়ে ঘৰ-দোকান নিৰ্মাণ কৰি বেদখল কৰাত বৰষুণৰ পানী ওলাই যাবলৈ বাধাৰ সৃষ্টি হৈছে ফলত কৃত্ৰিম বানপানীৰ সৃষ্টি হোৱাত জৰুৰী সভা আহ্বান জনায় ধুবুৰী জিলাৰ উপায়ুক্ত আম্বামুথন এম পিয়ে। ধাৰাসাৰ বৰষুণৰ ফলত বানপানীৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ এটা পদক্ষেপ লোৱাৰ কথা আলোচনা কৰিছিল। সেই মতে শুকুৰবাৰে পুৱাৰ পৰা ধুবুৰীত এখন সভা কৰি আৰক্ষী আৰু পৌৰ সভাৰ সহায়ত নলাৰ সকলো আৱৰ্জনা পৰিষ্কাৰ কৰা হ'ব বুলি মত পোষণ কৰে। ধুবুৰীৰ নলাৰ আৱৰ্জনা পৰিষ্কাৰ কৰাৰ বাবে প্ৰথমতে ধুবুৰী বাছ ষ্টেণ্ডৰ ওচৰত মুখ্য চেনেল আৱৰ্জনা পৰিষ্কাৰ কৰা হয় তাৰ পিছত ৮নং ৱাৰ্ড বিদিয়াপাৰাত পানীৰ শক্তি বঢ়াবলৈ এ'এমএলএ নাজিবুল ওমৰৰ সীমাৰ দেৱাল ভাঙি পেলোৱা হৈছে। তাৰ পিছত ৱাৰ্ড নং ৯ গাৰিখানা পথৰ নিষ্কাশন প্ৰণালীৰ আৱৰ্জনা পৰিষ্কাৰ কৰা হৈছে। ইয়াৰ পাছত ১৬নং ৱাৰ্ডৰ ঝগ্ৰাপাৰ পথৰ ওচৰত দুটা ডাঙৰ পাম্প মেচিনৰ সহায়ত পানী উলিয়াই অনা হৈছে। উপায়ুক্ত আম্বামুথন এম পি, আৰক্ষী অধীক্ষক অভিজিত দিলীপ, এডিচি মানস শইকীয়া, পৌৰ সভাৰ উপ-সভাপতি আইভিলতা ৰায় মণ্ডল, পৌৰ সভাৰ কাৰ্যবাহী বিষয়া হিমাংশু সালোই, বিদ্যুৎ পৰিষদৰ এছডিঅ' ৰাকেশ কুমাৰ সাহা, ১নম্বৰ ৱাৰ্ড কমিছনাৰ উমেশ কুমাৰ ৰায়ৰ লগত ৫ নম্বৰ, ৮ নম্বৰ, ৯ নম্বৰ আৰু ১৬ নম্বৰ ৱাৰ্ড কমিছনাৰ উপস্থিতিত এই মহান কাম কৰা হৈছে। এই সম্পৰ্কে ধুবুৰীৰ উপায়ুক্ত অম্বামুথান এম পিয়ে জনাই যে চহৰৰ পানী ওলাই যোৱাৰ বাবে বিভিন্ন অঞ্চলত নলা-নৰ্দমা বেদখলকাৰীৰ বিৰুদ্ধে অভিযান চলাই নলা-নৰ্দমামুক্ত কৰি পানী যোৱাৰ ব্যৱস্থা কৰা হৈছে। উপায়ুক্ত, আৰক্ষী অধীক্ষক, পৌৰ সভা, ৱাৰ্ড কমিছনাৰসকলৰ ভূমিকাত ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

## জলবন্দী কামপুৰ ঃ চৌদিশে কেৱল বন্যাৰ্তৰ হাহাকাৰ

# বানৰ প্ৰবল সোঁতে উটুৱাই নিলে নৱ-নিৰ্মিত দলং

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৯ জুন ঃ** ৰাজ্যৰ দ্বিতীয়টো বানে অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে কামপুৰত। কপিলী জলবিদ্যুৎ প্ৰকল্পই এৰি দিয়া পানী আৰু নেৰানেপেৰা বৰষুণৰ ফলত এতিয়া কামপুৰ ৰাজহ চক্ৰৰ অধিকাংশ গাঁৱেই বানত বুৰ যোৱা পৰিলক্ষিত হৈছে। এক অৰ্থত সম্প্ৰতি বহিঃজগতৰ সৈতে বিচ্ছিন্ন হৈ পৰা কামপুৰবাসী সম্পূৰ্ণৰূপে জলবন্দী হৈ পৰিছে। বছৰৰ প্ৰথমটো বানৰ বিভীষিকাময় পৰিৱেশৰ পৰা সাময়িকভাৱে পৰিত্ৰাণ লাভ কৰি মাত্ৰ দহ-পোন্ধৰ দিনমানহে হৈছিল অস্থায়ী শিবিৰ ত্যাগ কৰি বন্যাৰ্তসকল আপোন ঘৰখনলৈ যোৱাৰ। কিন্তু পুনৰ প্ৰকৃতিৰ সংহাৰ ৰূপৰ বলি হ'ল বৃহত্তৰ কামপুৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজ। নেৰানেপেৰা বৰষুণৰ ফলত অস্বাভাৱিক হাৰত জলস্তৰ বাঢ়ি যোৱাত কপিলী জলবিদ্যুৎ প্ৰকল্পই বান্ধ খুলি দিয়াৰ পৰিপ্ৰেক্ষিতত কপিলী, বৰপানী, লুটুমাৰী, যমুনা আৰু নিশাৰী নদীৰ জলপৃষ্ঠ বৃদ্ধি পাই নৈপৰীয়া গাঁওবোৰ সম্পূৰ্ণৰূপে বুৰ যোৱাৰ পিছত ক্ৰমান্বয়ে ইখনৰ পিছত সিখন গাঁও আৰু কামপুৰ নগৰত মহাপ্ৰলয়ৰ সূচনা হৈছে। কেৱল সেয়ে নহয় পানীৰ প্ৰবল সোঁতে বহু বাট-পথ চিঙি পেলোৱাৰ ফলত যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰাৰ ফলত কিছুসংখ্যক লোকে এবুকু, এডিঙিলৈকে হোৱা পানীৰ মাজেৰে বা ভুৰেৰে কোনোমতে প্ৰাণৰক্ষা কৰি নিৰাপদ স্থানলৈ ঢাপলি মেলিছে বা এছ ডি আৰ এফ বাহিনীৰ লোকে নাৱেৰে উদ্ধাৰ কৰি আশ্ৰয় শিবিৰলৈ আনিব লগা হৈছে। ইফালে, বছৰৰ প্ৰথমটো বানে কামপুৰ-কঠীয়াতলী লোকনিৰ্মাণ বিভাগৰ পথৰ মনোহৰ গাঁৱৰ সমীপত ভাঙি পেলোৱাত মাত্ৰ কেইদিনমান পূৰ্বে কেইবা লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এখন দলং কালি সন্ধিয়া প্ৰবল বানে উটুৱাই নিয়াৰ ফলত কামপুৰ-কঠীয়াতলীৰ মাজত পুনৰবাৰ সেই পথেৰে যোগাযোগ সম্পূৰ্ণভাৱে ব্যাহত হৈ পৰিছে। সেইদৰে, প্ৰথমবাৰতকৈ এইবাৰৰ বানত অজস্ৰ লোকৰ সা-সম্পত্তি বিনষ্ট হোৱাৰ আশংকা কৰা হৈছে। একেদৰে পশুধনৰো বিলাই-বিপত্তি নোহোৱা হৈছে। আজি বঢ়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দেৱনাৰিকলি, নিজ কঠীয়াতলী, নিজ কামপুৰ, তেঁতেলিসৰা, নামবৰ লালুং গাঁও পঞ্চায়তৰ অন্তৰ্গত পলসা, পূব তেঁতেলিসৰা, পশ্চিম তেঁতেলিসৰা, তেঁতেলিসৰা গ্ৰাণ্ট, মাজৰআটী, পাচনিঝাৰ, অমৰাৱতী, মাহৰিআটী, বুকলুং, কঁঠালগুৰি, মনোহৰ গাঁও, টেপৰআটী, তেলীয়াআটী, মহগড়, জুমৰমুৰ, বনবেঙেনাআটি, পশ্চিম কাৰৈমাৰী, পূব কাৰৈমাৰী, ছহিদপুৰ, গৰুবন্ধা, হালোৱাভকত গাঁও, বৰঘাটৰ লগতে কামপুৰ অঞ্চলৰ শতাধিক গাঁও বানৰ কবলত পৰিছে। ইতিমধ্যে বান বিধ্বস্ত লোকসকলে ওখ স্থানত বা বিদ্যালয়সমূহত স্থাপন কৰা অস্থায়ী শিবিৰবোৰত আশ্ৰয় গ্ৰহণ কৰিছে। এই পৰ্যন্ত শিবিৰসমূহত চৰকাৰীভাৱে কোনো খাদ্য-সামগ্ৰী যোগান ধৰা নাই বুলি অভিযোগ উঠিছে। আজি তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, কঠীয়াতলী মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক ৰূপাংকৰ বৰদলৈ, উপ-সভাপতি হৰিপদ মুখাৰ্জী, বিজেপিৰ মণ্ডল কমিটিৰ কৰ্মকৰ্তা মানিক মজুমদাৰ, মালবিকা বৰা, মামণি বৰা, মুকুল পণ্ডিত, বিজেপি ৰাজ্যিক প্লেনিং কমিটিৰ সদস্য নৃপেন চন্দ্ৰ শৰ্মা, তিৱা স্বায়ত্ত পৰিষদৰ সদস্য ইন্দ্ৰ বৰদলৈ, বকুল শীল, উপেন বৰা, ক্ষীৰোদ বৰাৰ লগতে কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি ঘনকান্ত বৰাসহ এটা সঁজাতী দলৰ সৈতে যোৱা বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে শিবিৰবোৰ পৰিদৰ্শন কৰে আৰু কাইলৈৰ পৰা শিবিৰবোৰত পৰ্যাপ্ত পৰিমাণে খাদ্য সামগ্ৰী যোগান ধৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আদেশ জাৰি কৰে। অন্যহাতে পশুখাদ্য আজিৰ পৰাই যোগান ধৰিবলৈ পশুপালন বিভাগক কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। বিধায়কগৰাকীয়ে পৰিদৰ্শনৰ সময়তে বুকলুং দলঙৰ সমীপত উদ্ধাৰকাৰী এখন নাও দুৰ্ঘটনাত পতিত হৈ ৫জন লোক বানৰ সোঁতত উটি যায়, অৱশ্যে পাছত স্থানীয় ৰাইজৰ তৎপৰতাত আটাইকেইজনকে জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

# ৰূপকোঁৱৰৰ স্মৃতিবিজড়িত তেজপুৰ মহিলা সমিতিয়ে ব্যতিক্ৰমী কাৰ্যসূচীৰে ওপজা দিনত স্মৰণ কৰিলে ৰূপান্তৰৰ শিল্পীক

## বিশিষ্ট সমাজকৰ্মী, ৰূপকোঁৱৰৰ ভতিজীয়ে ৰচনা কৰা গীতি আলেখ্য 'যোগসূত্ৰ'ত উদ্ভাসিত হ'ল ৰূপকোঁৱৰৰ অনন্য দিশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ জুন ঃ** ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই গণশিল্পী হেমাংগ বিশ্বাসৰ পৰা ৰাজ্য - দেশৰ পৰিধি অতিক্ৰমী কেনেদৰে বিশেষ যোগসূত্ৰ স্থাপনেৰে অসমীয়া ভাষা - সাহিত্য সংস্কৃতিৰ বিকাশ আৰু উত্তৰণৰ হকে নিজৰ জীৱনৰ অধিকাংশ সময় উৎসৰ্গিত কৰিছিল সেই কথা দেওবাৰে বিয়লিৰ পৰা সন্ধিয়ালৈকে ৰূপকোঁৱৰৰ পৰিয়ালৰ বৰ্তমান প্ৰজন্মৰ একাংশ লোকৰ লগতে তেজপুৰৰ আন একাংশ বিশিষ্ট ব্যক্তিৰ উপস্থিতিত হৃদয়ংগম কৰি পুৰোধা শিল্পীগৰাকীক স্মৰণ কৰিলে ৰূপকোঁৱৰৰ স্মৃতিবিজড়িত তেজপুৰ মহিলা সমিতিয়ে। ৰূপকোঁৱৰগৰাকীৰ ভতিজী বিশিষ্ট সমাজকৰ্মী মীনাক্ষী ভূঞাৰ সৃষ্টিৰ মাজত কালি ওপজা দিনটোত ৰূপকোঁৱৰকেন্দ্ৰিক বিশেষ গীতি আলেখ্যৰ মাজত একাংশ লোক ৰূপকোঁৱৰগৰাকী কেতবোৰ বিশেষ কাহিনীৰ জৰিয়তে নষ্টালজিক হৈ পৰিল। উল্লেখ্য যে তেজপুৰ মহিলা সমিতিৰ উদ্যোগত শুকুৰবাৰে বিয়লি 'যোগসূত্ৰ' শীৰ্ষক আলেখ্য পৰিৱেশনৰ লগতে নৃত্য, গীত, আবৃত্তিৰে মুখৰিত হৈ পৰে ভাগৱতী ভৱনৰ সভাকক্ষ। প্ৰাক্তন সাংসদ স্বাধীনতা সংগ্ৰামী বিজয় চন্দ্ৰ ভাগৱতী আৰু বিমল ভাগৱতী স্মৃতি ভৱনৰ প্ৰেক্ষাগৃহত কালি বিয়লি তেজপুৰ মহিলা সমিতিয়ে আয়োজন কৰা এই বিশেষ অনুষ্ঠান আৰম্ভণিতে ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জলনেৰে মুকলি কৰে নিজৰা ভূঞাই। বিশিষ্ট সমাজকৰ্মী , সৰবৰহী তথা ৰূপকোঁৱৰ গৰাকীৰ ভতিজী মিনাক্ষী ভূঞাই ৰূপকোৱঁৰৰ ব্যক্তিগত জীৱন তথা সাহিত্য সংস্কৃতিৰ বিভিন্ন দিশ সামৰি আলোকপাত কৰে। মাথোঁ গীত বা কবিতাই নহয় ৰূপকোঁৱৰগৰাকীৰ জীৱন কৃতীৰ ওপৰতো বিশেষভাৱে চৰ্চা অব্যাহত থকাৰ আহ্বান জনায়। শিক্ষয়িত্ৰী সান্ত্বনা বৰুৱা আৰু দিম্পী দাসৰ নৃত্য পৰিৱেশনেৰে জীপাল হৈ পৰা অনুষ্ঠানটিত তেজপুৰ মহিলা সমিতিৰ সম্পাদিকা তথা সমাজকৰ্মী ইৰু দেৱী আগৰৱালাই উদ্দেশ্য ব্যাখ্যা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনপঞ্জী পাঠ কৰা অনুষ্ঠানটিত আলেখ্যখনৰ আঁত ধৰে সমাজকৰ্মী তথা তেজপুৰ মহিলা সমিতিৰ উপ-সভানেত্ৰী মীনাক্ষী শৰ্মাই। গীত, নৃত্য, কবিতা আবৃত্তি, অভিনয়ৰ সমাহাৰেৰে পৰিৱেশন কৰা আলেখ্যখনি সুন্দৰ উপস্থাপনৰে ৰাইজৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হয়। মীনাক্ষী শৰ্মা, অনাতাঁৰ শিল্পী দুৰ্গাময়ী বৰা, শিল্পী কল্পনা কলিতা, কাঞ্চন শইকীয়া, সান্ত্বনা বৰুৱা, জিমি শইকীয়া, গীতা বৰা সিংহ, ৰীতা গগৈ, বিপাশা দাস, দীপিকা দত্ত আৰু প্ৰণতি বৰুৱাৰ পৰিৱেশনত প্ৰাণ পাই উঠে আলেখ্য "যোগসূত্ৰ" । প্ৰতি গৰাকী শিল্পীৰ সুন্দৰ পৰিৱেশন শৈলিয়ে এক অনন্য মাত্ৰা বহন কৰে। আনহাতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ ৰৰজ্ঞ সংখ্যক জন্ম জয়ন্তী উপলক্ষে তেজপুৰৰ লোক-কলাৰ অনুষ্ঠান 'নক্ষত্ৰ', এক অবিৰত যাত্ৰাৰ সদস্যসকলে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত 'গীতে-মাতে-কথাৰে জ্যোতি চৰ্চা আৰু গছপুলি ৰোপণ' শীৰ্ষক এলানি কাৰ্যসূচী কালি অনুষ্ঠিত কৰে। যি দৰে বোধিদ্ৰুম জ্ঞান বৃক্ষৰ তলত জ্ঞান আহৰণ কৰি গৌতমৰ বুদ্ধত্ব প্ৰাপ্তি হৈছিল ঠিক সেইদৰে বিদ্যালয়খনেই আমাৰ জ্ঞান উত্তৰণৰ এজোপা বোধিদ্ৰুম। এই উদ্দেশ্যেৰেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰূপকোঁৱৰনো কোন? তেখেতৰ জীৱন বৃত্তান্ত, শিল্প সাধনা, বিপ্লৱী চেতনা আৰু সৃজনীসুলভ ৰচনা ইত্যাদি বিষয় সমূহ সামৰি জ্যোতি চৰ্চাৰ এক অনন্য অনুষ্ঠান সমাপন কৰা হয়। দৰং মহাবিদ্যালয়ৰ উদ্যমী ছাত্ৰ মনোজ বৰুৱাই কাব্যিক আৰু ৰসাল কথনশৈলীৰে আঁত ধৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানটিত বিদ্যালয়খনৰ অধ্যক্ষ ৰিঞ্জুমণি নেওগ বৰা সহিতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ৰূপকোঁৱৰৰ ছবিত বন্তিপ্ৰজ্বলন কৰি অধ্যক্ষ ৰিঞ্জুমণি নেওগ বৰাই যুৱ-প্ৰজন্মৰ মাজত জ্যোতি চৰ্চা আৰু জ্যোতি জ্ঞান বিনিময়ৰে ৰূপকোঁৱৰৰ শিল্পী সত্তাক প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ বাবে 'নক্ষত্ৰ'ৰ শলাগ লয় আৰু উৎসাহিত কৰে। ৰূপকোঁৱৰৰ দৰে মনীষীসকলৰ পৰম তপস্যা-ত্যাগৰ বলত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি মহীয়ান কৰি যি ব্ৰহ্মপুত্ৰ সভ্যতা বৈ আছে তাক কেৱল গীত-কবিতাৰ প্ৰতিযোগিতাত সামৰি থ'লে অথবা সোঁৱৰণী দিৱস বুলি উদ্‌যাপন কৰিলেই নহ'ব। তেওঁলোকৰ চিন্তা-সাধনাবোৰ যুৱ-প্ৰজন্মৰ মাজত বিলাই দিলেহে বৰ্তমানৰ জাতিৰ খহনীয়া ৰোধ কৰিব পৰা যাব বুলি অভিনেতা বিজয় শংকৰ শইকীয়াই অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যাত ব্যক্ত কৰে। তেজপুৰৰ লোক-কলাৰ অনুষ্ঠান নক্ষত্ৰ, এক অবিৰত যাত্ৰাৰ দলপতি অমিত ব'ৰৰ সামগ্ৰিক পৰিকল্পনাত হোৱা অনুষ্ঠানটো পৰিচালনা কৰে দৰং মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক গীতাৰ্থ কাশ্যপ আৰু দেৱজিত ডেকাই। ৰাজ্যৰ প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি বাহুল্য নকৰি বৰং প্ৰকৃতিক জীপাল কৰিবলৈ আৰু জ্যোতি জ্ঞান চৰ্চাৰ বোধিদ্ৰুম শীৰ্ষক অনুষ্ঠানটি চিৰযুগমীয়া কৰিবলৈ ব্যৱস্থাপক ৰক্তিম বসুমতাৰী আৰু প্ৰকৃতি প্ৰেমী ভৱেন মেধিৰ নেতৃত্বত এজোপাকৈ পলাশ আৰু এজাৰ পুলিৰ ৰোপণেৰে অনুষ্ঠানটিৰ পৰিসমাপ্তি হয়। সেইদৰে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ কন্যা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অধ্যক্ষ ড° তপন কুমাৰ কলিতাৰ সভাপতিত্বত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১১৮সংখ্যক জন্ম দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। প্ৰাক্তন ছাত্ৰী বিংকিমণি শইকীয়াই আঁত ধৰা অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে আসন অলংকৃত কৰা মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ অধ্যাপিকা মল্লিকা দেৱীয়ে জ্যোতিপ্ৰসাদৰ শৈল্পিক জীৱন পৰিক্ৰমাৰ ওপৰত সাৱলীল বক্তৃতা আগবঢ়ায়। গীত-মাতেৰে মুখৰ হৈ পৰা এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী ২০১২ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়ত জ্যোতি সংগীত প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰা শাশ্বতী মিশ্ৰ গোস্বামীয়ে জ্যোতি সংগীত পৰিৱেশন কৰে। প্ৰাক্তন ছাত্ৰী বিংকিমণি শইকীয়া, প্ৰিয়ংকা ৰয় আৰু পল্লৱী বৰুৱাই জ্যোতি সংগীত পৰিৱেশনৰে জীপাল কৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰী ক্ৰমে পৰিস্মিতা শইকীয়া, সংগীতা বৰুৱা আৰু শেৱালি বৰুৱাই নৃত্য পৰিৱেশন আৰু কবিতা আবৃত্তিয়ে সুমধুৰ কৰি তোলে। অনুষ্ঠানত সভাপতি আসনৰ পৰা অধ্যক্ষ ড° তপন কুমাৰ কলিতাই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে প্ৰাক্তন ছাত্ৰী বিংকিমণি শইকীয়াই।




# মৰিগাঁও জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত থানা ঘেৰাও কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ জুন ঃ** মৰিগাঁও জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত লাহৰিঘাটত থানাৰ সন্মূখত ছাত্ৰ মুক্তি সংগ্ৰাময়ে লাহৰিঘাট আৰক্ষীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। লাহৰিঘাটৰ বৰবৰি গাৱঁত নাদিৰা বেগমৰ এগৰাকী মহিলাৰ ঘৰত কিছু দিন পূৰ্বে জুই জ্বলোৱাৰ অভিযোগৰ ভিত্তিত এজাহাৰৰ দাখিল কৰে। কিন্তু আচামীক গ্ৰেপ্তাৰ নকৰাত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে এনেদৰে লাহৰীঘাট থানাৰ সন্মখুত প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে ঘটনা সন্দৰ্ভত আৰক্ষীৰ শীৰ্ষ বিষয়া পৰৱৰ্তী পৰ্যায়ত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যনীয় হ'ব।

# চিলাপথাৰ পূৰ্বাঞ্চল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অভিভাৱক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৯ জুন ঃ** চিলাপথাৰৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান চিলাপথাৰ পূৰ্বাঞ্চল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত শনিবাৰে দিনযোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়খনিৰ অধ্যক্ষ ড০ ৰৌজ কুমাৰ কুটুমৰ সভাপতিত্ব অসমীয়া বিভাগৰ অভিভাৱক সভাখনি সম্পন্ন হয়। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰেণু বৰাই অনুষ্ঠানটিৰ উদ্দেশ্য বাখ্যা আগবঢ়োৱা পাছতেই বিভাগৰ বিভিন্ন দিশ সম্পৰ্কীয় বিষয়ত আলোচনা আগবঢ়াই বক্তৃতা প্ৰদান কৰে অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক বিনন্দ বৰুৱাই। ইয়াৰ পাছত মহাবিদ্যালয়খনিৰ অসমীয়া বিভাগৰ দ্বিতীয় ষাণ্মাষিকৰ ছাত্ৰী বৰ্ণালী বড়াই পৰিবেশন কৰা ভূপেন্দ্ৰ সংগীতে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে সভাখনিত উপস্থিত থকা সকলোকে আপ্লুত কৰে। মহাবিদ্যালয়খনিৰ উপাধ্যক্ষ মুহিত পাইত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ৰাতুল দত্তই মহাবিদ্যালয়ৰ প্ৰশাসনিক আৰু বিদ্যায়তনিক দিশৰ ওপৰত এক সাৰুৱা তথা তত্ত্বগধুৰ ভাষণেৰে উপস্থিত সকলোকে আপ্লুত কৰে। ইয়াৰ পাছত অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বহু কেইজনে বৰ্তমানৰ শিক্ষা ব্যৱস্থা লগত মহাবিদ্যালয়খনৰ শিক্ষা ব্যৱস্থাৰ শলাগ লোৱাৰ লগতে অসমীয়া বিভাগে সময়ে সময়ে ছাত্ৰ ছাত্ৰী সকলৰ উপকৃত হোৱাকৈ লোৱা বিভিন্ন কাৰ্যসূচী সমূহৰো শলাগ লয়। অনুষ্ঠানটিত মহাবিদ্যালয়খনিৰ অসমীয়া বিভাগৰ অধ্যাপিকা জোনমণি শইকীয়া, পুষ্পলতা কছাৰী, অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। সভাত অভিভাৱক সমিতি গঠন আৰু কাৰ্যকাৰিতা সম্পৰ্কীয় আলোচনা কৰা হয়। সভাপতিৰ ভাষণত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰৌজ কুমাৰ কুটুমে প্ৰথমে প্ৰতিকুল বতৰকো নেওচি বহু দূৰ দূৰণিৰ পৰা সভাখনিত উপস্থিত হোৱা অভিভাৱক সকলৰ শলাগ লৈ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক উদ্দেশ্যি বহু কেইটা দিশ সামৰি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। ইয়াৰ পাছত জ্যেষ্ঠ অধ্যাপক বিনন্দ বৰুৱাই কৃতজ্ঞতা জ্ঞাপন কৰাৰ অন্ততঃ অনুষ্ঠানটি সফলতাৰে সামৰণি পৰে।

## নেৰানেপেৰা বৰষুণত ব্যাহত ঘাগ্ৰা-লিচিং সংযোগী পথ

# আৰচিচি দলঙৰ দুয়োপাৰে খহনীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰৱকুণ্ড, ১৯ জুন ঃ** যোৱা কেইবাদিন ধৰি দি থকা নেৰানেপেৰা বৰষুনৰ ফলত সমগ্ৰ ৰাজ্য বুৰ যোৱাৰ সময়তেই ওদালগুৰি জিলাৰ হৰিশিঙা আৰক্ষী থানাৰ অন্তৰ্গত লিচিং-ঘাগ্ৰা সংযোগী পথৰ লক্ষ্মী নদীৰ ওপৰত নিৰ্মাণ কৰা আৰ চি চি দলং প্ৰায় সম্পূৰ্ণ হৈছিল আৰু দুৰ্গম অঞ্চলৰ ৰাইজে দলং নিৰ্মাণ সম্পূৰ্ণ হোৱাত সন্তোষ প্ৰকাশ কৰি বৰ্তমান দি থকা নেৰানেপেৰা বৰষুনত ৰাইজ দলঙৰ ওপৰেৰে অহা-যোৱা কৰিছিল। কিন্তু ভূটান পাহাৰৰ পৰা বৈ অহা খৰস্ৰোতা লক্ষ্মী নদীৰ বাঢ়নী পানীয়ে দলঙৰ দুয়ো কাষে সংযোজন কৰা মাটি বৰষুণৰ ফলত গৰাখহনীয়া হোৱাত দলঙৰ সংযোগ বিচ্ছিন্ন হোৱাত সমগ্ৰ লিচিংগাঁও, চাৰি নম্বৰ আমজুলী, কলনী, ঘাগ্ৰা, হাতীগড় আদি অঞ্চলৰ ৰাইজৰ বিভিন্ন কামৰ বাবে অহা যোৱাত ভীষণ সমস্যা দেখা গৈছে। বিশেষকৈ গাওঁত কোনোবা বেমাৰ হ'লে চিকিৎসালয়লৈ নিয়াত ভীষন সমস্যাত পৰিব গাওঁৰ ৰাইজ। সেয়েহে বিভাগীয় কৰ্তৃপক্ষই দলঙৰ সংযোজিত বিচ্ছিন্ন অঞ্চলসমূহ পৰিদৰ্শন কৰি অতিশীঘ্ৰে ৰাইজক দলঙৰ ওপৰেদি অহা-যোৱা সুবিধা প্ৰদান কৰিবলৈ গাঁওবাসী ৰাইজে বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে।



# বিহালী সাংস্কৃতিক মহাসভাৰ ৰাভা দিৱসৰ কাৰ্যসূচী বাতিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৯ জুন ঃ** বিহালী সাংস্কৃতিক মহাসভা অসম নামৰ সংগঠনটিয়ে আগন্তুক ২০ জুন তাৰিখৰ বিষ্ণু ৰাভা দিৱসটি বৰগাং জাতীয় বিদ্যালয়ত বিস্তাৰিত কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলাইছিল। কিন্তু দেশৰ আপাতকালিন পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি লগতে বিশ্বনাথ জিলা প্ৰশাসনে জাৰি কৰা ১৪৪ ধাৰাৰ প্ৰতি সমৰ্থন জনায় অনুষ্ঠানভাগ সংগঠনটোৱে বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিহালী সাংস্কৃতিক মহাসভাৰ সভাপতি ডিম্বেশ্বৰ গোস্বামী আৰু সম্পাদক খাদেম আলিয়ে প্ৰেছ বিজ্ঞপ্তিৰ জড়িয়তে সকলো ৰাইজক জানিবলৈ দিয়ে যে,দেশৰ পৰিস্থিতি নিয়ন্ত্ৰণ হ'লে পৰবৰ্তী সময়ত অনুষ্ঠান ভাগৰ গ্ৰহণ কৰা সকলো কাৰ্যসূচী ৰূপায়ন কৰা হ'ব।

# ধুবুৰীত বানাক্ৰান্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ সাংবাদিক মোস্তাফিজুৰ ৰহমানৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৯ জুন ঃ** বানপানীয়ে নাগৰিকৰ জীৱনলৈ বিভীষিকা নমাই অনা সময়তো ধুবুৰী জিলাৰ বানাক্ৰান্তই আজিৰ দিনলৈকে চৰকাৰী সাহাৰ্যৰ পৰা বঞ্চিত হৈ আছে। প্ৰায় ৮০% পৰিয়ালৰ ঘৰৰ চোতাল আৰু ঘৰত পানী সোমাইছে। জলবন্দী হৈছে হেজাৰ হেজাৰ পৰিয়াল। বিশুদ্ধ খোৱা পানীৰ অভাৱত বানৰ পানীকেই খাইছে বানাক্ৰান্ত পৰিয়াল বোৰে। ইফালে গৌৰীপুৰ বিধান সভা সমষ্টিৰ ন ন অঞ্চল নিতৌ জলমগ্ন হৈছে। সমষ্টি খনৰ দেবিতোলা উন্নয়ন খণ্ড কাৰ্যালয়ৰ ব্ৰমত্তৰ, শিলাইপাৰ, নাওৱেৰ চৰ, উত্তৰ গেৰামাৰী আদি অঞ্চলৰ শ শ পৰিয়াল জলবন্দী হৈছে। অঞ্চল বোৰৰ মূল পথসমূহ পৰিত হোৱাত যাতায়ত যোগাযোগ সম্পূৰ্ণ ভাবে ব্যহত হৈছে। বানাক্ৰান্ত লোক সকলে এতিয়া কত যাব কি কৰিব হতভম্ব হৈ পৰিছে। পৰিতাপৰ বিষয় এয়াই যে কোনো এগৰাকী জন প্ৰতিনিধিয়ে খৱৰ লোৱাৰ আহৰি নাই। অৱশেষত বানাক্ৰান্ত লোকৰ মাজত আগবাঢ়ি আহিল কিছু খাদ্য সামগ্ৰী লগত লৈ উপস্থিত হয় জেষ্ঠ সাংবাদিক মোস্তাফিজুৰ ৰহমান। তেওঁ কিছুমান চিৰা মূড়ী, বিস্কুট, পানীৰ বটল লৈ উপস্থিত হয় অঞ্চলবোৰত। সাংবাদিক গৰাকীয়ে বানাক্ৰান্ত লোকৰ ওচৰত থিয় হৈ তেওলোকৰ সমস্যাৰ বুজ লৈ কিছু খাদ্য-সামগ্ৰী বিতৰন কৰে।

# পিপলিবাৰীৰ প্ৰভাত হালৈৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৯ জুন ঃ** ধৰ্মপুৰ সমষ্টিৰ পশ্চিম নলবাৰী অঞ্চলৰ এজন অতি কৰ্মযোগী-সমাজকৰ্মী পিপলিবাৰী গাঁৱৰ প্ৰভাত হালৈৰ ১৭ জুন তাৰিখে ৰাতিপুৱা ৫.৩০ বজাত নিজা বাসভৱনত (৭৭) বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। হালৈ উচ্চ শিক্ষা গ্ৰহণ কৰিও কোনোধৰণৰ চৰকাৰী চাকৰীৰ প্ৰতি মনোনিবেশ নকৰি স্ব-নিৰ্ভৰশীল হৈ নিজমতে বিভিন্ন কাম কৰি নতুন প্ৰজন্মক কৰ্মৰ প্ৰতি আগ্ৰহি হোৱাৰ বাবে প্ৰেৰনা দিছিল আৰু অকল যে চাকৰি কৰিহে জীৱন যাপন কৰিব পাৰি তেনে নহয় অন্য কাম কৰি একো একোজন ভাল মানুহ হৱ পাৰি আৰু লাভান্বিত হৱ পাৰি আৰু আনকো স্বাবলম্বিতাৰ পথ দেখুৱাব পাৰি তাকে ভাবাছিল। হালৈ এজন অতি হাস্যৰসীক লোক আছিল আৰু সকলো মানুহৰ মাজত অতি প্ৰিয় আছিল ।হালৈ মৃত্যুৰ আগলৈকৈ পিপলিবাৰী অঞ্চলৰ প্ৰায়বোৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোত ভাবে জৰিত আছিল। তেখেতৰ মৃত্যুৰ খবৰটোৱে সমগ্ৰ অঞ্চলটো মৃয়মান কৰি তোলে। মৃত্যুৰ সময়ত পত্নীৰ লগতে পুত্ৰ বোৱাৰী আৰু জী— জোৱাইক ইহ সংসাৰত এৰি থৈ যাই।

# আইনক উপহাস কৰি শিশু শ্ৰমিকক কামত জড়িত কৰা ঠিকাদাৰৰ বিৰুদ্ধে সৰৱ নাজিৰাৰ আটছা

## ব্যৱস্থা গ্ৰহণৰ দাবীত উপায়ুক্তলৈ স্মাৰক পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ জুন ঃ** নাজিৰা মহকুমাৰ ভালেকেইখন চাহ বাগিচাৰ একাংশ ঠিকাদাৰে বিভিন্ন কাম কৰাৰ অচিলাৰে কম পাৰিতোষিক দি শিশু, কিশোৰ, কিশোৰীসকলক জড়িত কৰি আহিছে। চাহ বাগিচাৰ লাইন সমূহৰ পৰা এই শিশু, কিশোৰ কিশোৰীসকলক একত্ৰিত কৰি এখন গাড়ীতেই পাণ জপাদি জাপি এঠাইৰ পৰা আন এঠাইলৈ নি কামত নিয়োজিত কৰে। এই ঠিকাদাৰসকলে কণ কণসকলক শিক্ষাৰ আইনখনকো একপ্ৰকাৰে ভেঙুচালি কৰাই নহয় শিশু শ্ৰমিক প্ৰতিৰোধী আইনখনকো উপহাস কৰিছে। ঠিকাদাৰ সকলৰ এনে কাৰ্যত শেহতীয়াকৈ সৰৱ হৈ পৰিছে 'অসম চাহ জনজাতি ছাত্ৰ সন্থা'( আটছা) ৰ নাজিৰা শাখা। এই ঠিকাদাৰৰ বিৰুদ্ধে সৰৱ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আটছাৰ নাজিৰা শাখাই এনে কাৰ্য বন্ধৰ দাবীত শিৱসাগৰ জিলা উপায়ুক্তলৈ এখনি স্মাৰক পত্ৰ প্ৰদান কৰিছে। আটছাৰ নাজিৰা শাখাৰ ভাৰপ্ৰাপ্ত সভাপতি দিগন্ত কুৰ্মী আৰু সাধাৰণ সম্পাদক অমন নায়কৰ স্বাক্ষৰেৰে প্ৰদান কৰা উক্ত স্মাৰক পত্ৰত উল্লেখ কৰিছে যে নাজিৰা মহকুমাৰ গেলেকী এলেকাৰ বিভিন্ন চাহ বাগিচাত একাংশ ঠিকাদাৰে সহজ - সৰল শিশু শ্ৰমিকসকলক বিভিন্ন প্ৰলোভনেৰে চাহ বাগিচাত কাম কৰোৱাৰ বাবে অতি বিপদসংকুল ভাৱে মালবাহী গাড়ীত পাণ জপাদি জাপি এঠাইৰ পৰা আন এঠাইলৈ অনা - নিয়া কৰে । শিশু শ্ৰমিক সকলক অনা - নিয়া কৰাত বহু সময়ত এনে গাড়ী দুৰ্ঘটনাগ্ৰস্ত হৈ বহু শিশু শ্ৰমিক সকল আঘাতপ্ৰাপ্ত হৈ চিৰ জীৱনৰ বাবে পঙ্গু হ'ব লগাত পৰিছে। শিশু শ্ৰমিক অনা - নিয়া কৰা এই মালবাহী গাড়ীৰ কোনো নথি - পত্ৰ নাই। এনে ক্ষেত্ৰত যান - বাহন গৰাকীয়ে কি দৰে শিশু শ্ৰমিকক অনা - নিয়া কৰিছে বুলি আটছাৰ নাজিৰা শাখাই প্ৰশ্ন তুলিছে। এই ক্ষেত্ৰত আটছাৰ নাজিৰা শাখাই স্মাৰক পত্ৰ খনৰ জৰিয়তে জিলাখনৰ শ্ৰম বিভাগ, শ্ৰম বিষয়া, জিলা পৰিবহণ বিভাগ, নাজিৰা আৰু জিলা প্ৰশাসন কৰ্তৃপক্ষক কঠোৰ ভাৱে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।



# মাজবাটত মৃত হাতী পোৱালী, হৰিনা উদ্ধাৰ বন বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ১৯ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট ৰাজহ চক্ৰৰ অন্তৰ্গত খুচুৰাবাৰী গাঁৱৰ ভুটিয়ামাৰী নদীত মৃত হৰিণা এটা আৰু পাচঁনৈ নদীত মৃত অৱস্থাত এটা হাতী পোৱালী উদ্ধাৰ কৰে মাজবাট আঞ্চলিক বন বিভাগৰ দলে। জানিব পৰা মতে ১৮জুনত আবেলি ৫ মান বজাত খুচুৰাবাৰী গাঁৱৰ সচেতন যুৱক এজনৰ জৰিয়তে অৰুণাচল পাহাৰৰ পৰা বৈ অহা খুচুৰাবাৰী গাওঁৰ কাষেদি বৈ যোৱা ভুটিয়া মাৰী নদীৰ পৰা যুৱক জনে মৃত হৰিণাটো উদ্ধাৰ কৰি মাজবাটৰ আঞ্চলিক বন বিভাগক খবৰ দিয়ে। মাজবাট আঞ্চলিক বন বিভাগৰ বন কৰ্মীক লগত লৈ বিট অফিচাৰ মিন্টু বড়োয়ে খুচুৰাবাৰী গাঁৱৰ ভুটিয়া মাৰী নদীৰ পাৰত উপস্থিত হৈ মৃত হৰিণাটো উদ্ধাৰ কৰি বন বিভাগৰ কাৰ্য্যালয়লৈ লৈ যায়। লগতে মাজবাটৰ আছৰাবাৰীৰ বিবাৰ বাৰী গাওঁৰ কাষেদি বৈ যোৱা পাচঁনৈ নদীৰ মাজত এটা ৪ বছৰীয়া মৃত হাতী পোৱালী এটা উদ্ধাৰ কৰে মাজবাট আঞ্চলিক বন বিভাগে। বন বিভাগৰ বিট অফিচাৰ মিন্টু বড়োয়ে সাংবাদিক কয় যে বাৰিষাৰ বানপানীৰ কৱলত পৰি হৰিণা এটাৰ লগতে হাতী পোৱালী এটাৰ মৃত্যু মুখত পৰিল। আমি বহুত দোষ পাইছো অতিকৈ মৰ্মাহত হৈছো বিট অফিচাৰ মিন্টু বড়োয়ে কয়।

# ঢকুৱাখনাত জ্যেষ্ঠ শিক্ষক ৰাজেন শৰ্মাৰ বিদায় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৯ জুন ঃ** দীৰ্ঘদিন শিক্ষকতাৰ দৰে মহান আৰু পবিত্ৰ বৃত্তিত নিজকে আত্মনিয়োগ কৰি শিক্ষা ক্ষেত্ৰখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষাদান কৰিয়েই অৱসৰ গ্ৰহণ কৰে ঢকুৱাখনাৰ জেষ্ঠ শিক্ষক ৰাজেন শৰ্মাই। শৰ্মাই অৱসৰ লোৱাৰ পূৰ্বে ঢকুৱাখনা উচ্চ মাধ্যমিক শিক্ষক-কৰ্মচাৰী পৰিষদৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰি থকাৰ সমান্তৰালকৈ শান্তিপুৰ মধ্য ইংৰাজী বিদ্যালয় তথা শেহতীয়াভাৱে ঘিলাগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্বত আছিল। ইপিনে শৰ্মাৰ এই পবিত্ৰ বিদায় ক্ষণত ঘিলাগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাংগণত আয়োজিত এক বিদায়-সম্বৰ্ধনা অনুষ্ঠানত নন্দ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হয় সম্বৰ্ধনা অনুষ্ঠান। স্থানীয় ৰাইজ তথা শিক্ষাৰ্থীসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোৰ সুন্দৰ কৰা লগতে উক্ত সভাত চি.আৰ.চি.চি. দিগন্ত গগৈ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক, ঘিলাগুৰি গাঁৱৰ মাতৃগোট, দুয়োটা শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে শৰ্মাক প্ৰশংসা পত্ৰ, গমোচা, শৰাই, চেলেং আদিৰে বিদায় সম্ভাষণ প্ৰদান কৰে। বিদায় সম্বৰ্ধনা অনুষ্ঠানত শৰ্মাৰ মাতৃ, পৰিবাৰ, পুত্ৰৰ লগতে ভালেসংখ্যক শুভাকাংক্ষী উপস্থিত থাকে।

# ৮৭.১৬ শতাংশ লাভ কৰা হাছিনা খাতুনক ৫০ হাজাৰ টকাৰ পুৰস্কাৰ ৰেওৰেওৱা নাৰ্জাহাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৯ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা কাশিয়াবাৰী হাইস্কুলত প্ৰথম বিভাগ লাভ কৰা ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীক ৪নং যমদুৱাৰ সমষ্টিৰ কাৰ্যবাহী সদস্য ৰেওৰেওৱা নাৰ্জাহাৰীয়ে ৫ পাঁচ হাজাৰকৈ আৰ্থিক অনুদান আগবঢ়ায় লগতে ৮৭.১৬ শতাংশ লাভ কৰা হাছিনা খাতুনক ৫০ হাজাৰ টকাৰ পুৰস্কাৰ প্ৰদান কৰাৰ লগতে এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। উল্লেখনীয় বিষয় যে,কাশিয়াবাৰী হাইস্কুলত কাৰ্যবাহী সদস্য ৰেওৰেওঁৱা নাৰ্জাহাৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ আগতে দিয়া প্ৰতিশ্ৰুতি আছিল এয়া। বিটিআৰত এখন ছুপাৰ ৫০ আচঁনি মুকলি কৰা হৈছে য'ত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে আই আই টি, আই এম টি, আই টি আই মহাবিদ্যালত বিনামূলীয়া শিক্ষা লাভ কৰিব পাৰিব বুলি ৰেওৰেওঁৱা নাৰ্জহাৰীয়ে সম্বৰ্ধনা অনুষ্ঠানত নিজৰ ভাষনত উল্লেখ কৰে। তদুপৰি দ্বিতীয় বিভাগ আৰু তৃতীয় বিভাগ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে যাতে ভৱিষ্যতে ইয়াতকৈ ভাল ফলাফল কৰি সমাজৰ এজন এজনকৈ সু-নাগৰীক হিচাবে গঢ়ি উঠিব পাৰে তাৰ ওপৰতৰ তত্ত্বগধুৰ ভাষন প্ৰদান কৰে। তেখেতে আৰু প্ৰথম বিভাগ লাভ কৰা ছাত্ৰ-ছাত্ৰী উদ্দেশ্য কৰি কয় যে ছাত্ৰ-ছাত্ৰীসকলে আগবাঢ়িব হলে নিজৰ লক্ষ্য স্থান নিজেই থিৰ কৰিব লাগিব কাৰণ ছাত্ৰ-ছাত্ৰী সকল আমাৰ সমাজৰ এজন এজনৈ ভৱিষ্যতৰ ধৰণী। সম্বৰ্ধনা অনুষ্ঠানত কাশিবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক সুশিল হাজোৱাৰী, উক্ত অঞ্চলৰ বিষয় ববীয়া সকলে ২০২২ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ নিজৰ ভৱিষ্যতৰ সপোন পূৰণ কৰাৰ উদ্দেশ্য কৰি মুল্যবান ভাষন প্ৰদান কৰে। অতুল চন্দ্ৰ বসমুতাৰীয়ে পৰিচালনা কৰা সভাত বিভিন্ন প্ৰান্তৰ স্কুলৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক সকল উপস্থিত থাকে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ১৯ জুন ঃ** আজি হোজাই জিলাৰ নীলবাগানস্থিত নীলবাগান শাখা সাহিত্য সভা আৰু অসম জুনিয়ৰ কলেজৰ যৌথ উদ্যোগত শিক্ষাৰ্থীক 'সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠান' অনুষ্ঠিত হৈ যায়। অনুষ্ঠিত হোৱা উক্ত সম্বৰ্ধনা সভাৰ সভাপতিত্ব কৰে নীলবাগান শাখা সাহিত্য সভাৰ সভাপতি আইনুল হক চৌধুৰী আৰু সভাৰ আঁতধৰি উদ্দেশ্য ব্যাখ্যা কৰে দিলৱাৰ হুছেইনে। আজি দিনজোৰা কাৰ্যসূচীৰে নীলবাগানস্থিত অসম জুনিয়ৰ কলেজ প্ৰেক্ষাগৃহত ডিচটিংচন আৰু ষ্টাৰ নম্বৰ প্ৰাপ্ত বৃহত্তৰ নীলবাগান এলেকাৰ কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, মানপত্ৰ আৰু নীলবাগান শাখা সাহিত্য সভাৰ সভাপতি আইনুল হক চৌধুৰীৰ স্বৰচিত 'মোৰ কিছু অনুভৱ' আৰু কাব্যগ্ৰন্থ 'জীৱনৰ খোজ' নামৰ দুখন পুথিৰে সম্বৰ্ধনা দিয়াৰ লগতে পৰামৰ্শ প্ৰদান কৰা পৰিলক্ষিত হৈছে। অনুষ্ঠিত হোৱা সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডবকা হাজী আনফৰ আলী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰবক্তা সিবিৰ আহমেদ ওচমানি। লগতে উপস্থিত থাকে অসম জুনিয়ৰ কলেজৰ শিক্ষকবৃন্দ, নীলবাগান শাখা সাহিত্য সভাৰ সম্পাদক দিলৱাৰ হুছেইন,সহকাৰী সম্পাদক আব্দুল হক বৰভূএগ, সাংগঠনিক সম্পাদক মুজিবুৰ ৰহমান বৰভূয়া, সাংবাদিক হাচিব উদ্দিন তালুকদাৰ, আছাদুৰ ৰহমান, নুৰ আহমেদকে ধৰি কৃতী শিক্ষাৰ্থীৰ অভিভাৱক-অভিভাৱিকাসকল। উক্ত সভাত ডবকা হাজী আনফৰ আলী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰবক্তা সিবিৰ আহমেদ ওচমানি উপস্থিত হৈ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা দিয়াৰ উপৰিও দীঘলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ দিয়াৰ লগতে উৎসাহিত কৰা পৰিলক্ষিত হয়। নীলবাগান শাখা সাহিত্য সভা আৰু অসম জুনিয়ৰ কলেজৰ যৌথ পৰিচালনাত ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিচটিংচন আৰু ষ্টাৰ নম্বৰ প্ৰাপ্ত বৃহত্তৰ এলেকাৰ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা দিয়াত নীলবাগান অঞ্চলৰ সচেতন মহলে প্ৰশংসা কৰা পৰিলক্ষিত হৈছে।



# শিৱসাগৰ খেলুৱা মণ্ডল বিজেপি যুৱ মৰ্চাৰ যোগদান কাৰ্য্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোৰ্ণ খণ্ডীয়া শিৱসাগৰ, ১৮ জুন ঃ** যোৱা শনিবাৰে খেলুৱাত অনুষ্ঠিত ১৪৪ নং বুথৰ সভাপতি পূৰ্ণানন্দ বুঢ়াগোঁহাই সভাপতিত্ব বিজেপি দলত যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। শিৱসাগৰ জিলা অবিচি ব'ৰ্ডৰ অধ্যক্ষ হেমন্ত গগৈ, বিজেপি খেলুৱা মণ্ডলৰ সভাপতি ৰুবুল বড়া, জিলা যুৱ মৰ্চাৰ উপ-সভাপতি সমীৰণ বৰদলৈ, খেলুৱা মণ্ডল যুৱ মৰ্চা সভাপতি টৈল্য গগৈ, মহিলা মৰ্চাৰ খেলুৱা মণ্ডলৰ প্ৰভাৰী সংগীতা গগৈৰ উপস্থিতিত শনিবাৰে খেলুৱা পঞ্চায়তৰ অন্তৰ্গত ১৪৪ খন বুথত এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত যোগদান কাৰ্যসূচীত খেলুৱা মণ্ডল সাধাৰণ সম্পাদক দিবাকৰ বৰাৰ উদ্যোগত মুনমী শইকীয়া বৰুৱা আৰু কিৰণ বড়াৰ সহযোগত খেলুৱা পঞ্চায়তৰ অগপ, কংগ্ৰেছ আৰু ৰাইজৰ দলৰ ৮০গৰাকী বিষয়ববীয়া আৰু শুভাকাংক্ষীয়ে আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে।

# বৰষুণৰ ফলত মাজবাট পাঠকপুৰ অঞ্চলৰ জন-জীৱন ব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামাবাৰী, ১৯ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট ৰাজহ চক্ৰৰ অন্তৰ্গত বৃষ্টিত অঞ্চলত বিগত মাহ আৰু দিনবোৰত বৰষুণ আহিছিল যদিও যোৱা ১৫জুন, ২০২২ তাৰিখৰ পৰা কেইবাদিনো ধৰি একেধাৰে মূষলধাৰ বৰষুণ চলি থকাৰ বাবে মাজবাট চহৰৰ মাজমজিয়াত অৱস্থিত লাচিত ৰোড আৰু ষ্টেচন ৰোডত কৃটিম বানপানীৰ সৃষ্টি হোৱাৰ লগতে বৃহত্তৰ মাজবাট অঞ্চলৰ বিভিন্ন গাওঁত পানী উপচি পৰিছে। লাচিত ৰোড আৰু ষ্টেচন ৰোডৰ বহুতো ব্যৱসায়িক প্ৰতিষ্ঠান দোকান আদি পানীৰ মাজত সোমাই পৰাত বহুতো দোকানদাৰ লোকচানৰ সন্মুখীন হৈছে। দোকানৰ বয়-বস্তু সামগ্ৰী আদিৰ ক্ষতি সাধন হৈছে।আলিবাট দুটিৰ আশে পাশে বসতি কৰি থকা লোকসকলৰ ঘৰতো পানী সোমাই ক্ষতি সাধন কৰাৰ লগতে জনজীৱন বিপদমুখী হৈ পৰিছে। মাজবাট মহাবিদ্যালয়ৰ কাষেৰে অহা এখন নদী মাজবাট চহৰৰ মাজেৰে অতিক্ৰম কৰিছে। নদীখন দুয়োফালৰ পৰা ক্ৰমান্বয়ে চেপি অনাৰ ফলত মূষলধাৰ বৰষুণৰ পানীৰ ভৰ নদীখনে ল'ব নোৱাৰি উফন্দি উঠা পানীভাগ মানুহৰ ঘৰ বাৰী আলিবাটেৰে অতিক্ৰম কৰি এই ধৰণৰ কৃটিম বানপানীৰ সৃষ্টি হৈছে। অনতিপলমে চৰকাৰী পক্ষই ইয়াৰ এক সু-ব্যৱস্থা নকৰিলে ভৱিষ্যত দিনবোৰত ইয়াতকৈ ৰাইজে বেছি যাতনা ভূগিব লাগিব। মূষলধাৰ বৰষুণৰ ফলত সমগ্ৰ মাজবাট পাঠকপুৰ অঞ্চলৰ নদ নদী সমূহৰ পানী উফন্দি উঠি ফেনেফুটুকাৰে বিভিন্ন অঞ্চল গাওঁ নগৰ পথাৰ ঘৰ বাৰী জলমগ্ন হৈ বৈ থকা দেখিবলৈ পোৱা গৈছে। ৰাইজে খেতি পথাৰলৈ পানী বোৱাই নিয়া দোং সমূহ যতে ততে চিঙি গৈছে। নতুনকৈ বনাই থকা আলিবাটৰ দলংৰ কাষৰ পাৰ ভাঙি চিচি ব্লকৰ পথ খহি পৰিছে। বিগত দিনবোৰত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ অহা যোৱা কৰাত যাতনা ভূগিব লগীয়া হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ সাৱধান বাণীৰ জাননী অনুযায়ী জিলা প্ৰশাসনে ৰেড এলাৰ্ট ঘোষণা কৰি ১৭ আৰু ১৮ জুন,২০২২ তাৰিখে দুদিনৰ বাবে বিদ্যালয় মহাবিদ্যালয় সমূহ বন্ধ ৰাখিছে। খেতিয়কসকলৰ বাবে এই বৃহত্তৰ অঞ্চল পথাৰত ধান খেতি কৰাৰ এইয়া উপযুক্ত সময়। মাজবাট পাঠকপুৰ অঞ্চলৰ অন্তৰ্ভুক্ত গাঁওসমূহত জেঠ আহাৰ মাহৰ পৰাই খেতিয়ক সকল পথাৰত নামে। কিন্তু নেৰানেপেৰা মূষলধাৰ বৰষুণৰ ফলত খেতি পথাৰ পানীৰে ভৰি পৰি হাল বাব নোৱাৰি খেতিয়ক সকল ঘৰতে বহি থাকিব লগীয়া হৈছে। পথাৰৰ আলি পদূলি পানীয়ে ভাঙি থান বান কৰিছে। ৰুবলৈ সাজু কৰি থোৱা কঠিয়া বোৰ নষ্ট হোৱাৰ লগতে পশুধনৰ ক্ষতি সাধন হৈছে। ডাঙৰ ব্যৱসায় বাণিজ্য আৰু গাঁৱলীয়া ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায় সকলো ৰুদ্ধ হৈ পৰিছে। নদ-নদীৰ পানী উফন্দি উঠি বাৰী ঘৰ বুৰাই পেলাইছে। ভিতৰুৱা অঞ্চলত থকা গাঁওসমূহত নদী পাৰ হ'ব নোৱাৰি জন জীৱন স্তব্ধ হৈ পৰিছে। সমগ্ৰ অসমৰ বান পৰিস্থিতি ভয়ানক হৈ পৰাৰ সমান্তৰাল কৈ কৃটিম বান আৰু বাঢ়নী পানীয়ে মাজবাট পাঠকপুৰ অঞ্চলৰ ৰাইজৰ বৃহৎ ক্ষতি সাধন কৰা পৰিলক্ষিত হৈছে। অনাবৃষ্টিৰ ফলত যিদৰে বিস্তৰ ক্ষতি হয় সেই দৰে অতিবৃষ্টিৰ বাবেও আজি জন সাধাৰণ বিপদত পৰিছে। বিগত মাহ আৰু দিনবোৰত মাত্ৰাধিক বৰষুণ দি আহিছে যদিও যোৱা ১৫ জুন, ২০২২ তাৰিখৰ পৰা আজি পৰ্যন্ত মূষলধাৰে কলহে কানে বৰষুণ পৰাৰ ফলত সমগ্ৰ অঞ্চলটোত জন জীৱন ব্যাহত হৈ পৰিছে। এতিয়ালৈকে বৰষুণ এৰাৰ কোনো ধৰণৰ লক্ষণ দেখা নাই। ওদালগুৰি জিলা উপায়ুক্ত কাৰ্য্যালয়ৰ পৰা ইতিমধ্যে সাৱধানতা অৱলম্বন কৰিবলৈ ৰাইজৰ জ্ঞাতাৰ্থে জাননী জাৰী কৰিছে। গতিকে আগন্তুক সময়চোৱাত এনে ভাৱে বৰষুণ হৈ থাকিলে ৰাইজ যে বহু অসুবিধাৰ সন্মুখীন হ'ব সেইয়া নিশ্চিত।



# পিপলিবাৰীৰ সমাজকৰ্মী, কৰ্মযোগী প্ৰভাত হালৈৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৯ জুন ঃ** ধৰ্মপুৰ সমষ্টিৰ পশ্চিম নলবাৰী অঞ্চলৰ এজন অতি কৰ্মযোগী-সমাজকৰ্মী পিপলিবাৰী গাঁৱৰ প্ৰভাত হালৈৰ ১৭ জুনৰ পুৱা ৫.৩০ বজাত নিজা বাসভৱনত (৭৭) বছৰ বয়সত বাৰ্ধক্য জনিত কাৰনত মৃত্যু হয়। হালৈ উচ্চ শিক্ষা গ্ৰহণ কৰিও কোনোধৰণৰ চৰকাৰী চাকৰীৰ প্ৰতি মনোনিবেশ নকৰি স্ব-নিৰ্ভৰশীল হৈ নিজমতে বিভিন্ন কাম কৰি নতুন প্ৰজন্মক কৰ্মৰ প্ৰতি আগ্ৰহি হোৱাৰ বাবে প্ৰেৰনা দিছিল। আৰু অকল যে চাকৰি কৰিহে জীৱন যাপন কৰিব পাৰি তেনে নহয় অন্য কাম কৰি একো একোজন ভাল মানুহ হৱ পাৰি আৰু লাভান্বিত হৱ পাৰি আৰু আনকো স্বাবলম্বিতাৰ পথ দেখুৱাব পাৰি তাকে ভাবাছিল ।হালৈ এজন অতি হাস্যৰসীক লোক আছিল আৰু সকলো মানুহৰ মাজত অতি প্ৰিয় আছিল। হালৈ মৃত্যুৰ আগলৈকৈ পিপলিবাৰী অঞ্চলৰ প্ৰায়বোৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। আজি তেখেতৰ মৃত্যুৰ খবৰটোৱে সমগ্ৰ অঞ্চলটো মৃয়মান কৰি তুলে। মৃত্যুৰ সময়ত পত্নীৰ লগতে পুত্ৰ বোৱাৰী আৰু জী— জোৱাইক ইহ সংসাৰত এৰি থৈ যাই।

## ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতা অসমৰ ছিফিয়া হাছিনৰ ৰূপ

**গুৱাহাটী, ১৯ জুন ঃ** অসমৰ ছিফিয়া হাছিনে দ্বিতীয় ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰিছে। উল্লেখ্য যে চত্তিছগড়ৰ ৰাইপুৰত অনুষ্ঠিত হৈছে দ্বিতীয় ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতা। যোৱা সোঁতৰ জুনৰ পৰা আৰম্ভ হোৱা তথা চত্তিছগড় ৰ'লাৰ স্কেটিং সন্থাই আয়োজন কৰা দ্বিতীয় ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতাখনৰ আজি সফল সামৰণি পৰে। ভাৰতীয় ৰ'লাৰ স্কেটিং ফেডাৰেছনৰ বাৰ্ষিক প্ৰতিযোগিতাখনত অসমৰ ছিফিয়া হাছিনে ছোৱালীৰ সাত বছৰ অনূৰ্ধ্ব শাখাত অংশ লৈ ৰূপৰ পদক লাভ কৰিছে বুলি জনাই অসম ৰ'লাৰ স্কেটিং সন্থাৰ মানৱ মেধিয়ে।

## জি এছ এৰ ফুটবল লীগৰ নতুন সূচী

**গুৱাহাটী, ১৯ জুন ঃ** প্ৰতিকূল বতৰ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত 'চি' ডিভিজন কোৱালিফাইং ৰাউণ্ডৰ খেলসমূহ পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত স্থগিত ৰখা হৈছে। গুৱাহাটী ক্ৰীড়া সন্থাই এই বিষয়ে অৱগত কৰিছে। একেদৰে পূৰ্বৰ সূচী অনুসৰি অনুষ্ঠিত হ'বলগা চি আৰু বি ডিভিজন ফুটবল লীগৰ খেলৰ সূচীও সলনি কৰিব গুৱাহাটী ক্ৰীড়া সন্থাই। সেই অনুসৰি চি আৰু বি ডিভিজনৰ খেলুৱৈ পঞ্জীয়নৰ অন্তিম দিন এতিয়া ২৮ জুন । চি আৰু বি ডিভিজন ফুটবল লীগ দুই জুলাইৰ পৰা আৰম্ভ হ'ব। ইফালে এ ডিভিজনৰ খেলুৱৈ পঞ্জীয়নৰ অন্তিম দিন ২০ জুলাই ।এ ডিভিজন লীগ ২২ জুলাইৰ পৰা হ'ব ।চি ডিভিজন কোৱালিফাইং ৰাউণ্ডৰ বাকী থকা খেলৰ সূচী শীঘ্ৰে প্ৰকাশ কৰা হ'ব বুলি গুৱাহাটী ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক এল প্ৰণৱ সিঙে জনাইছে।

# একমাত্ৰ টেষ্টৰ বাবে সাজু হৈছে টীম ইণ্ডিয়া



**মুম্বাই, ১৯ জুন ঃ** ভাৰত আৰু ইংলেণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। ইতিমধ্যে ভাৰতীয় দলে নিজৰ অনুশীলন আৰম্ভ কৰিছে। অনুশীলনত অংশ লৈছে বিৰাট কোহলি, চেতেশ্বৰ পূজাৰা, ৰবীন্দ্ৰ জাডেজা, যশপ্ৰীত বুমৰাহ আদিয়ে। উল্লেখ্য যে বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত ভাৰতীয় দলটো হ'ল ঃ লোকেছ ৰাহুল, শুভমন গিল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, উমেশ যাদব আৰু প্ৰষিদ্ধ কৃষ্ণা। উল্লেখ্য ইংলেণ্ড ভ্ৰমণত ভাৰতীয় ক্ৰিকেট দলে টেষ্ট মেচখন খেলাৰ পাছত তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাও খেলিব। ইতিমধ্যে ইংলেণ্ড ক্ৰিকেট ব'ৰ্ডে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচীও ঘোষণা কৰিছে। সেই অনুসৰি অহা ৭, ৯ আৰু ১০ জুলাইত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আনহাতে ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে।

## ৰাষ্ট্ৰীয় মাষ্টাৰ এথলেটিকছত সাহিনাৰ দুটা পদক

**গুৱাহাটী, ১৯ জুন ঃ** ভাৰতীয় এথলেটিকছ ফেডাৰেচনে গুজৰাটৰ বদোদ্ৰাৰ শ্বোৱাৰনিম গুজৰাট স্প'ৰ্টচ ইউনিভাৰ্ছিটিৰ উদ্যোগত মনজলপুৰ ষ্টেডিয়ামত অনুষ্ঠিত কৰা প্ৰথম বাৰ্ষিক ৰাষ্ট্ৰীয় মুকলি মাষ্টাৰ এথলেটিকছ প্ৰতিযোগিতাত গোৱালপাৰাৰ সাহিনা বেগমে দুটাকৈ পদক অৰ্জন কৰি গোৱালপাৰাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে যোৱা ১৬ৰ পৰা ১৯ জুনলৈকে অনুষ্ঠিত এই প্ৰতিযোগিতাখনত সাহিনাই দুটা ইভেণ্টত অংশ গ্ৰহণ কৰিছিল। ইয়াৰে লংজাম্পত ৰূপ আৰু এশ মিটাৰ দৌৰ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখ্য যে সাহিনাই গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অসম এথলেটিকছ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত ১০০ মিটাৰ দৌৰ আৰু লংজাম্পত সোনৰ পদক অৰ্জন কৰিছিল। এই সফলতাৰে গুজৰাটত ভাৰতীয় এথলেটিকছ ফেডাৰেচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে নিৰ্বাচিত হয়। উল্লেখ্য যে গোৱালপাৰা চহৰৰ চনবাৰীৰ বাসিন্দা তথা স্থানীয় ছোলেছ নাৰ্ছিং হোমৰ ৱাৰ্ড গাৰ্ল সাহিনা বেগমে ইতিপূৰ্বে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেবাটাও পদক অৰ্জন কৰি গোৱালপাৰাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।




জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

## অংশগ্ৰহণকাৰী আঠটা দলৰ ছটা উপস্থিত হৈছে ডিমাকুছিত

**গুৱাহাটী, ১৯ জুন ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অহা ২১ জুনৰ পৰা অনুষ্ঠিত হ'ব সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ উদ্যোগত তথা অসম ফুটবল এছ'চিয়েছন আৰু ভেৰগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগিতাত ১৭ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় হিৰো জুনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতা। ইতিমধ্যে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ বাবে অভ্যৰ্থনা সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বান দুৰ্যোগৰ মাজতে ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ বাবে সাজু হৈছে ডিমাকুছি ষ্টেডিয়াম। অহা ২১ জুনৰ পৰা এই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব গ্ৰুপ 'জি' আৰু গ্ৰুপ 'এইচ'ৰ খেল। গ্ৰুপ 'জি' ৰ দল চাৰিটা হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত আছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজস্থান। ডিমাকুছি ষ্টেডিয়ামত চলিত ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ মুঠ ১২ খন মেচ অনুষ্ঠিত হ'ব। ইতিমধ্যে ঘোষণা কৰা খেলৰ সূচী অনুসৰি ২১ জুনত গ্ৰুপ 'জি'ৰ প্ৰথম খেলখন অসম বনাম পুডুচেৰীৰ মাজত অনুষ্ঠিত হ'ব। সিদিনাই দ্বিতীয় খেলখন হাৰিয়ানা আৰু গুজৰাটৰ মাজত অনুষ্ঠিত হ'ব গ্ৰুপ 'জি'ৰ অন্য খেলসমুহৰ সূচী হ'ল ঃ ২৩ জুনত প্ৰথম খেলখন গুজৰাট আৰু অসমৰ মাজত আৰু দ্বিতীয় খেলখন পুডুচেৰী আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত হ'ব। আনহাতে, ২৫ জুনৰ দিনা প্ৰথম খেলখনত গুজৰাট মুখামুখি হ'ব পুডুচেৰীৰ। আনহাতে, উক্তদিনাৰ দ্বিতীয় খেলখনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। ইফালে, গ্ৰুপ 'এইচ'ৰ ঘোষিত সূচী অনুসৰি ২২ জুনৰ প্ৰথম খেলখন জম্মু আৰু কাশ্মীৰ বনাম তামিলনাডুৰ মাজত তথা দ্বিতীয় খেলখন পশ্চিমবংগ বনাম ৰাজস্থানৰ মাজত অনুষ্ঠিত হ'ব। ২৪ জুনৰ প্ৰথম মেচত ৰাজস্থানে খেলিব জম্মু আৰু কাশ্মীৰ বিৰুদ্ধে। উক্তদিনাই দ্বিতীয় খেলখন তামিলনাডু আৰু পশ্চিম বংগৰ মাজত অনুষ্ঠিত হ'ব। ২৬ জুনৰ প্ৰথম মেচ তামিলনাডু বনাম ৰাজস্থান আৰু দ্বিতীয় খেলখন পশ্চিমবংগ বনাম জম্মু আৰু কাশ্মীৰ। ভেৰগাঁও জিলা ক্ৰীড়া সন্থাৰ সভাপতি-সম্পাদকে জানিবলৈ দিয়া অনুসৰি ইতিমধ্যে জম্মু-কাশ্মীৰ আৰু তামিলনাডুৰ বাদে বাকী দলসমুহ আহি উপস্থিত হৈছে। উল্লেখ্য যে ইয়াত হোৱা দুটা গ্ৰুপৰ চেম্পিয়ন দল দুটা যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ।

ডাইমণ্ড লীগৰ পূৰ্বে আত্মবিশ্বাস বৃদ্ধি

## ফিনলেণ্ডত সোণ লাভ নীৰজ চোপ্ৰাৰ

**নতুন দিল্লী, ১৯ জুন ঃ** ফিনলেণ্ডৰ কুওৰ্টেন গেমছত সোণ লাভ কৰিছে টকিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী ভাৰতৰ নীৰজ চোপ্ৰাই। উল্লেখ্য যে জেভেলিন থ্ৰ' ইভেণ্টত সোণ জয় কৰি অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাই যোৱা চাৰিদিনৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে বৰ্তমানৰ বিশ্ব চেম্পিয়ন এণ্ডাৰছন পিটাৰ্ছক পৰাস্ত কৰি ছিজনৰ প্ৰথমটো শীৰ্ষ প'ডিয়াম ফিনিছিং কৰিবলৈ সক্ষম হয়। ২৪ বছৰীয়া চোপ্ৰাই অপেনিং থ্ৰ'ত ৮৬.৬৯ মিটাৰ দূৰত্ব লাভ কৰি সোণ দখল কৰে। কাৰণ পাছৰ দুটা থ্ৰ' তেওঁৰ বিফল হয়। ইফালে, ২০১২ ৰ অলিম্পিকৰ চেম্পিয়ন কেশ্বৰ্ণ ৱালকটে প্ৰথম ৰাউণ্ডত ৮৬.৬৪ মিটাৰ নিক্ষেপ কৰি দ্বিতীয় স্থান লাভ কৰে। পিটাৰ্ছে ৮৪.৭৫ মিটাৰ বেষ্ট থ্ৰ'ৰে তৃতীয় স্থান দখল কৰে। ইয়াৰপূৰ্বে ফিনলেণ্ডৰ টাৰ্কুত অনুষ্ঠিত হোৱা পাভো নুৰ্মি গেমছত তাৰকাৰে ভৰা খেলপথাৰত দ্বিতীয় স্থান দখল কৰাৰ সময়ত নীজৰে ৮৯.৩০ মিটাৰ থ্ৰ' কৰিছিল। এই সফলতাৰে অহা ৩০ জুনত অনুষ্ঠিত হ'বলগীয়া ষ্টকহাম ডাইমণ্ড লীগৰ বাবে আত্মবিশ্বাস বৃদ্ধি কৰিছে ভাৰতীয় এথলীটগৰাকীয়ে। উল্লেখ্য যে টকিঅ' অলিম্পিকত ঐতিহাসিক সোণৰ পদক লাভ কৰাৰ পিছত ৮৯.৩০ মিটাৰৰ চমকপ্ৰদ থ্ৰ'ৰে নিজৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰি চোপ্ৰাই দৰ্শনীয় প্ৰত্যাৱৰ্তন ঘটাইছিল।

## আঘাতৰ বাবে উইম্বলডনৰ পৰা নাম প্ৰত্যাহাৰ অ'ছাকাৰ

**পেৰিছ, ১৯ জুন ঃ** আঘাতৰ বাবে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা আঁতৰি আহিল বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থানৰ প্ৰাক্তন খেলুৱৈ নাওমি অ'ছাকা। উল্লেখ্য যে জাপানৰ চাৰিবাৰৰ গ্ৰেণ্ডশ্লাম বিজয়ীগৰাকীয়ে টুইটাৰত এই বিষয়ে জনাইছে। উল্লেখ্য যে ইউক্ৰেইন আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে অল ইংলেণ্ড ক্লাবে ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা নিষিদ্ধ কৰাৰ পিছত ৰেংকিং পইণ্ট কাঢ়ি লোৱাৰ বাবে এ টি পি আৰু ডব্লিউ টি এৰ সিদ্ধান্তক লৈ ২৪ বছৰীয়া অ'ছাকাই ইতিমধ্যে নেখেলিৰ কথা চিন্তা কৰিছিল। অ'ছাকাৰ টুইটটোত যদিও বিশেষভাৱে উইম্বলডনৰ কথা উল্লেখ কৰা হোৱা নাই, তথাপিও তাৰ লগত আছিল ঘাঁহৰ ক'ৰ্টত নিজৰ এখন ফটো, আৰু ঘাঁহৰ ব্লেডৰ ইমোজি। উল্লেখ্য যে জাপানী খেলুৱৈগৰাকীয়ে প্ৰথমবাৰৰ বাবে যোৱা মে'ত মাদ্ৰিদত অনুষ্ঠিত হোৱা প্ৰথমখন মেচত আঘাতৰ সমস্যাত ভুগিছিল। আনহাতে, আঘাতৰ বাবে তেওঁ পৰৱৰ্তী ইটালিয়ান অ'পেনৰ পৰাও আঁতৰি আহিবলগীয়া হৈছিল। উল্লেখ্য যে অহা ২৭ জুনৰ পৰা আৰম্ভ হ'ব গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন।

## স্পষ্টীকৰণ

যোৱা ৩১-০৫-২২ ইং তাৰিখে দক্ষিণ কামৰূপৰ মনিয়েৰী তিনিআলিস্থিত বৰকএঞা পশুপতি আশ্ৰম গোটে দিব্যজ্যোতি বিদ্যালয়ত কৰুণা কান্ত চৌধুৰী দেৱৰ সভাপতিত্ব এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। এই সভাত অঞ্চলৰ কৃষি ভূমি ৰায়তি স্বত্ত্ব অনুসৰি প্ৰায় ৭০/৮০ বছৰ ধৰি ভোগ দখল কৰি থকা লোকসকলক কোনো কাৰণত বণিয়াক নিদিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰে। কিন্তু পৰিতাপৰ বিষয় সভাত উপস্থিত থকা এজন সংবাদকৰ্মীয়ে সভাত কোনো ব্যক্তিৰ নাম উল্লেখ নকৰাৰ পিছতো তেওঁ কাম কৰা গুৱাহাটীৰ পৰা প্ৰকাশিত এখন আগশাৰীৰ বাতৰি কাকতত 'দক্ষিণ কামৰূপৰ কৃষিভূমি বণিয়াক নিদিয়াৰ হুংকাৰ' শীৰ্ষক নামকৰণেৰে বাতৰি প্ৰকাশ কৰাত সন্তোষ কুমাৰ জৈন নামৰ লোক এজনৰ নাম সাঙোৰ খাই পৰিছে। উক্ত সংবাদ দেখি ০৪/০৬/২০২২ তাৰিখে ৰাজহুৱা সভা অনুষ্ঠিত কৰি সভাত ঘূণাক্ষৰেও কোনো লোকৰ নাম উল্লেখ নকৰা পিছতো সংবাদকৰ্মীজনে বিনা তথ্যই বাতৰি পৰিৱেশন কৰাত গভীৰ দুখ প্ৰকাশ কৰিছে আৰু পিছলৈ এনে ভুল বাতৰি পৰিৱেশন নকৰিবলৈ সংবাদকৰ্মীগৰাকীক অনুৰোধ জনাই সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আনহাতে মই সন্তোষ কুমাৰ জৈনেও বিনা কাৰণত মোৰ নাম কাকতত প্ৰকাশ কৰি মোক জনমানসত হেয় প্ৰতিপন্ন নকৰিবলৈ সংবাদকৰ্মীগৰাকীক অনুৰোধ জনাইছো। ইতিমধ্যে মই কোনো কাৰণত কৰো মাটি অধিগ্ৰহণ কৰা নাই বুলি তিনিআলিস্থিত আঞ্চলিক ৰাইজে তথ্য সহকাৰে প্ৰমাণিত কৰিছে।

বিনম্ৰতাৰে
সন্তোষ কুমাৰ জৈন
গুৱাহাটী

বিনম্ৰতাৰে
কৰুণা কান্ত চৌধুৰী
সভাপতি
বৰকএঞা পশুপতি আশ্ৰম

# চাব জুনিয়ৰ সদৌ অসম উশ্বু প্ৰতিযোগিতাত পদক বিজয়ীক ডিমৌত সম্বৰ্ধনা

### ৯ জুলাইত হিমাচল প্ৰদেশৰ নেচনেল উশ্বু প্ৰতিযোগিতাত ভাগ ল'ব শিৱসাগৰৰ চাৰি খেলুৱৈ- ৰিতম শইকীয়া, অভিজিৎ বুঢ়াগোহাঁই, অংকিতা চেতিয়া, চন্দিকা চেতিয়াই

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ১৯ জুন ঃ** গুৱাহাটীত অনুষ্ঠিত ১৯তম্ চাব জুনিয়ৰ সদৌ অসম উশ্বু প্ৰতিযোগিতা শিৱসাগৰ জিলা দলৰ হৈ ৪ টা সোন,১ টা ৰূপ আৰু ৭টা ব্ৰঞ্জৰ পদকেৰে সাফলতা অৰ্জন কৰি শিৱসাগৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা খেলুৱৈ সকলক আজি ডিমৌ ৰাইচাই গ্ৰাম্য ক্ৰীড়াঙ্গনত ডিমৌ আৰু শিৱসাগৰ জিলা উশ্বু সন্থাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। উশ্বু সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক পৱন বৰাই আঁত ধৰা সম্বৰ্দ্ধনা অনুষ্ঠানত উক্ত প্ৰতিযোগিতাত স্বৰ্ণ পদক লাভ কৰা ৩০ কেজি শাখাৰ ঋতম শইকীয়া, ৫৬ কেজি শাখাৰ অভিজিৎ বুঢ়াগোহাঁই, ২৭ কেজি শাখাৰ অংকিতা চেতিয়া আৰু ৩৯ কেজি শাখাৰ চন্দিকা চেতিয়া, ৰূপৰ পদক লাভ কৰা ৪২ কেজি শাখাৰ কিৰণময়ী গগৈ, ব্ৰঞ্জৰ পদক লাভ কৰে ক্ৰমে ৩৩ কেজি শাখাৰ ৰিতুৰাজ গগৈ, ৫২ কেজি শাখাৰ হিমাংশু লিগিৰা, ৩০ কেজি শাখাৰ জ্যোতিস্না দাস, ২১ কেজি শাখাৰ টচমিন আহমেদ, ৪৫ কেজি শাখাৰ চয়নিকা দেউৰী, ৫২ কেজি শাখাৰ টুস্মিতা গগৈ, ৫২ কেজি শাখাত আলিছা খানক বিপুল ভাৱে সন্থাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। অসমৰ ভিতৰতে সৰ্বমুঠ ১২ টা পদকেৰে দ্বিতীয় স্থান লাভ কৰি শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই অনা সকলো খেলুৱৈক সম্বৰ্দ্ধনা জনোৱা উদেশ্যে আয়োজিত অনুষ্ঠানত শিৱসাগৰ জিলাৰ উশ্বু সন্থাৰ সভাপতি ডব্লিউ সিং, সম্পাদক পৱন বৰা, সহকাৰী সম্পাদক জালাল উদ্দিন আহমেদ, উপদেষ্টা সুনেশ্বৰ দেউৰী, সদস্য ৰিন্টু, ডিমৌ সমিতিৰ সভাপতি নিপেন বৰা, সম্পাদক মৃদুল বৰাকে আদি ভালেসংখ্যক অভিভাৱক আৰু বিশিষ্ট নাগৰিক উপস্থিত থাকি সফলতা লাভ কৰা জিলা আৰু চাবজুনিয়ৰ দলটোক শুভেচ্ছা জনায়। ইফালে ৯ জুলাইত হিমাচল প্ৰদেশত অনুষ্ঠিত হবলগা নেচনেল উশ্বু প্ৰতিযোগিতাত স্বৰ্ণ জয় কৰি যোগ্যতা অৰ্জন কৰা শিৱসাগৰ জিলাৰ খেলুৱৈ সকলক উস্ম অভিনন্দন জনোৱা হয়। এই সকল ক্ৰমে ৩০ কেজি শাখাত ৰিতম শইকীয়া, ৫৬ কেজি শখাত অভিজিৎ বুঢ়াগোহাঁই, ২৭ কেজি শাখাত অংকিতা চেতিয়া, ৩৯ কেজি শাখাত চন্দিকা চেতিয়া। বৰ্তমান এই খেলুৱৈসকলক জিলা সমিতিৰ তৰফৰ পৰা অনুশীলন দি থকা হৈছে।






শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি

सत्यमेव जयते

Azadi Ka Amrit Mahotsav

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু
ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত



# বিষ্ণু ৰাভা দিৱস ২০২২ আৰু

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা

কালিচৰণ ব্ৰহ্ম বঁটা, ২০২১
কৃষ্ণকান্ত সন্দিকৈ বঁটা, ২০২১
আজান পীৰ বঁটা, ২০২১

## ৰাজ্যিক পৰ্যায়ৰ বঁটা

বিষ্ণু ৰাভা বঁটা, ২০২২
গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা বঁটা, ২০২১
অমলপ্ৰভা দাস বঁটা, ২০২১
চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, ২০২১
মামণি ৰয়ছম গোস্বামী বঁটা, ২০২১
চৈয়দ আব্দুল মালিক বঁটা, ২০২১
আহমদ আলী বাঁশকান্দি বঁটা, ২০২১
গণেশ গগৈ বঁটা, ২০২১
স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা, ২০২১
শোণিত কোঁৱৰ গজেন বৰুৱা বঁটা, ২০২১



শ্ৰীযুত বিমল বড়া
মাননীয় মন্ত্ৰী
সাংস্কৃতিক পৰিক্ৰমা বিভাগ, অসম

### ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা



ড° অনুংলা আয়াৰ
২০২১ বৰ্ষৰ কালিচৰণ ব্ৰহ্ম বঁটাপ্ৰাপক



ড° নৰেন কলিতা
২০২১ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ বঁটাপ্ৰাপক



ড° অমলেন্দু ভট্টাচাৰ্য
২০২১ বৰ্ষৰ আজান পীৰ বঁটাপ্ৰাপক

### ৰাজ্যিক পৰ্যায়ৰ বঁটা



শ্ৰীযুত চন্দ্ৰকমল গগৈ



শ্ৰীযুতা শাৰদী শইকীয়া
২০২২ বৰ্ষৰ বিষ্ণু ৰাভা বঁটাপ্ৰাপকদ্বয়



শ্ৰীযুতা মৃদুলা বৰুৱা
২০২১ বৰ্ষৰ গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা বঁটাপ্ৰাপক



শ্ৰীযুতা ইলা বৰগোঁহাই
২০২১ বৰ্ষৰ অমলপ্ৰভা দাস বঁটাপ্ৰাপক



শ্ৰীযুতা লীলাৱতী কুশ্ৰে
২০২১ বৰ্ষৰ চন্দ্ৰপ্ৰভা শইকীয়ানি বঁটাপ্ৰাপক



শ্ৰীযুত ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী
২০২১ বৰ্ষৰ মামণি ৰয়ছম গোস্বামী বঁটাপ্ৰাপক



শ্ৰীযুত ছবিলাল উপাধ্যায়
২০২১ বৰ্ষৰ চৈয়দ আব্দুল মালিক বঁটাপ্ৰাপক



চৈয়দ ছাদুল্লা
২০২১ বৰ্ষৰ আহমদ আলী বাঁশকান্দি বঁটাপ্ৰাপক



শ্ৰীযুত বংশী বৰা
২০২১ বৰ্ষৰ গণেশ গগৈ বঁটাপ্ৰাপক



শ্ৰীযুত হেমন্ত গোহাঁই
২০২১ বৰ্ষৰ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটাপ্ৰাপক



শ্ৰীযুত ননী বৰুৱা
২০২১ বৰ্ষৰ শোণিত কোঁৱৰ গজেন বৰুৱা বঁটাপ্ৰাপক

## প্ৰদান অনুষ্ঠান

মুখ্য অতিথি

ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম

সন্মানীয় অতিথি

শ্ৰীযুত বিমল বড়া, মাননীয় মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা বিভাগ, অসম

বিশেষ অতিথি

শ্ৰীযুত ৰামেশ্বৰ তেলী, মাননীয় মন্ত্ৰী, কেন্দ্ৰীয় খাদ্য সংসাধন উদ্যোগ বিভাগ (ৰাজ্যিক মন্ত্ৰী)
শ্ৰীযুত প্ৰশান্ত ফুকন, মাননীয় বিধায়ক, ডিব্ৰুগড় বিধানসভা সমষ্টি
শ্ৰীযুত বিনোদ হাজৰিকা, মাননীয় বিধায়ক, লাহোৱাল বিধানসভা সমষ্টি
শ্ৰীযুত তেৰছ গোৱালা, মাননীয় বিধায়ক, দুলীয়াজান বিধানসভা সমষ্টি
শ্ৰীযুত চক্ৰধৰ গগৈ, মাননীয় বিধায়ক, মৰাণ বিধানসভা সমষ্টি
শ্ৰীযুত তৰংগ গগৈ, মাননীয় বিধায়ক, নাহৰকটীয়া বিধানসভা সমষ্টি
শ্ৰীযুত পোনাকণ বৰুৱা, মাননীয় বিধায়ক, চাবুৱা বিধানসভা সমষ্টি

অনুষ্ঠানটিত অসমৰ কেইবাগৰাকী বৰেণ্য আৰু খ্যাতনামা শিল্পীয়ে গীত পৰিৱেশন কৰাৰ উপৰিও মনোমোহ নৃত্যানুষ্ঠানৰো আয়োজন কৰা হৈছে। সমূহ ৰাইজক দলে-বলে যোগদান কৰিবলৈ বিনম্ৰভাৱে আহ্বান জনোৱা হৈছে।

**২০ জুন ২০২২**
**সময় : সন্ধিয়া ৫ - ৩০ বজা**
**চৌকিডিঙ্গী খেলপথাৰ, ডিব্ৰুগড়**

অনুষ্ঠানত ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হ'ল।

সঞ্চালক
সাংস্কৃতিক পৰিক্ৰমা, অসম

*Janasanyog/D/5949/22*